পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭

Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 507 দিশপুৰ, শনিবাৰ, 30 অক্টোবৰ, 2021, 8 কাতি, 1943 (শক)

No. 507 Dispur, Saturday, 30th October, 2021, 8th Kartika, 1943 (S. E.)

অসম চৰকাৰ

GOVERNMENT OF ASSAM

ৰাজ্যপালৰ আদেশৰ দ্বাৰা

ORDERS BY THE GOVERNOR

বিধান বিভাগ ::: বিধান শাখা

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**ASSAM ACT NO. XVIII OF 1994**

**(Received the assent of the Governor on 5th May, 1994)**

## THE ASSAM PANCHAYAT ACT, 1994

**১৯৯৪ চনৰ অসম অধিনিয়ম নং ১৮**

(১৯৯৪ চনৰ ৫ মে' তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

**অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪**

## ১৯৯৪ চনৰ অসম অধিনিয়ম নং ১৮

## (১৯৯৪ চনৰ ৫ মে' তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

## অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪

অসমৰ পঞ্চায়ত সমূহৰ সৈতে সম্পৰ্কীয় বিধি সমূহ সংশোধন আৰু একত্ৰীকৰণ কৰিবলৈ এখন অধিনিয়ম।

**প্ৰস্তাৱনা**

যিহেতু অসমৰ পঞ্চায়ত সমূহৰ সম্পৰ্কীয় বিধিসমূহৰ সংশোধন আৰু একত্ৰীকৰণ কৰাটো কালোচিত।

ইয়াৰদ্বাৰা ভাৰত গণৰাজ্যৰ পঞ্চল্লিশতম বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হ'ল :-

**সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ**

১। (১) এই অধিনিয়মখনক অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪ বুলি কোৱা হ'ব।

(২) এই অধিনিয়মখন ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনস্থ স্বায়ত্বশাসিত জিলাসমূহৰ বাহিৰে সমগ্ৰ অসমৰ গ্ৰাম্য এলেকাসমূহত বিস্তাৰিত হ'ব আৰু অসম পৌৰ অধিনিয়ম, ১৯৫৬ আৰু সেনানিবাস অধিনিয়ম, ১৯২৪ ৰ অধীনত গঠিত ক্ৰমানুসাৰে এখন পৌৰসভা বা এখন নগৰ সমিতিক এক সেনানিবাসৰ অন্তৰ্ভুক্ত হৈ থকা নাইবা ইয়াৰ পিছত অন্তৰ্ভুক্ত হ'ব পৰা কোনো এলেকা অথবা অন্য কোনো অধিনিয়মৰ দ্বাৰা গঠিত এলেকা বৰ্জিত হ'ব।

(৩) এই অধিনিয়মখন তাৎক্ষণিকভাবে বলৱৎ হ'ব।

**পৰিভাষা**

২। এই অধিনিয়মত, বিষয় অথবা প্ৰসংগত অন্যথা কোনো প্ৰতিকূল অৰ্থ নুবুজালে :-

(১) "গাঁও সভা" মানে "গাঁও পঞ্চায়ত" এলেকাৰ অন্তৰ্ভুক্ত এখন গাঁওৰ নিৰ্বাচক নামাৱলীত পঞ্জীয়নভুক্ত ব্যক্তি সকলেৰে গঠিত এক নিকায় ;

(২) "গাঁও পঞ্চায়ত" মানে এই অধিনিয়মৰ অধীনত স্থাপিত এখন গাঁও পঞ্চায়ত ;

(৩) "আঞ্চলিক পঞ্চায়ত" মানে এই অধিনিয়মৰ অধীনত স্থাপিত এখন আঞ্চলিক পঞ্চায়ত;

(৪) "জিলা পৰিষদ" মানে এই অধিনিয়মৰ অধীনত স্থাপিত এখন জিলা পৰিষদ;

(৫) "স্থানীয় প্ৰাধিকাৰী" এ গাঁও সভা, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদ, পৌৰ নিগম, পৌৰ সভা মণ্ডলী আৰু নগৰ সমিতি সমূহক অন্তৰ্ভুক্ত কৰে;

(৬) "অধিসূচনা" এ চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনাক বুজায়

(৭) "পঞ্চায়তীৰাজ নিকায়সমূহ" এ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদক বুজায়;

(৮) "প্ৰাপ্তবয়স্ক" মানে এক ব্যক্তি, পুৰুষ অথবা মহিলা, যিয়ে ১৮ বছৰ সম্পূৰ্ণ কৰিছে;

(৯) "গাঁও" মানে গাঁওখন থকা জিলাখনৰ ৰাজহ নথিত ই গাঁও হিচাপে নথিভুক্ত কৰা কোনো স্থানীয় এলেকা আৰু এই অধিনিয়মৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে সাধাৰণ অথবা বিশেষ আদেশৰ দ্বাৰা এখন গাঁও বুলি ঘোষণা কৰা কোনো এলেকাকো সামৰি লয়;

(১০) "সমবায় সমিতি" মানে অসম সমবায় সমিতি সমূহৰ অধিনিয়ম, ১৯৪৯ , অথবা সমবায় সমিতিৰ পঞ্জীয়ন নিয়ন্ত্ৰণ কৰা কোনো কেন্দ্ৰীয় অধিনিয়মৰ অধীনত পঞ্জীয়নভুক্ত বা পঞ্জীয়নৰ বাবে বিবেচিত এখন সমিতি;

(১১) "সদস্য" এ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সদস্যক বুজায়;

(১২) "পদেন সদস্য" মানে নিজৰ পদবীসূত্ৰে আৰু গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ উদ্দেশ্যে নিযুক্ত এগৰাকী সদস্য আৰু সংসদৰ স্থানীয় সদস্যসকল, বিধানসভাৰ স্থানীয় সদস্যসকল, ৰাজ্য চৰকাৰৰ বিষয়া সকল, স্থানীয় সমবায় সমিতি সমূহৰ প্ৰতিনিধি, আৰু স্থানীয় অনুসূচী বা অননুসূচী বেংকসমূহৰ প্ৰতিনিধি ও অন্তৰ্ভুক্ত হ'ব পাৰে;

(১৩) "সহযোজিত সদস্য" মানে এখন গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সহযোজিত সদস্য হিচাপে নিযুক্ত এগৰাকী ব্যক্তি;

(১৪) "অনুসূচীত জাতি" মানে ভাৰতৰ সংবিধানৰ ৩৪১ অনুচ্ছেদৰ অধীনত অসম ৰাজ্যৰ ক্ষেত্ৰত অনুসূচীত জাতি হিচাপে বিবেচিত জাতি, জনগোষ্ঠী বা জনজাতি অথবা এনে জাতি, জনগোষ্ঠী বা জনজাতি ৰ অন্তৰ্ভুক্ত কোনো অংশ বা শ্ৰেণী;

(১৫) "অনুসূচীত জনজাতি" মানে ভাৰতীয় সংবিধানৰ ৩৪২ অনুচ্ছেদৰ অধীনত অসম ৰাজ্যৰ ক্ষেত্ৰত অনুসূচীত জনজাতি হিচাপে বিবেচিত এনে জনজাতি বা জনজাতীয় গোষ্ঠী;

(১৬) "লোকসেৱক" মানে ভাৰতীয় দণ্ড সংহিতা, ১৮৬০ ৰ ২১ ধাৰাৰ সংজ্ঞামতে এজন লোকসেৱক;

(১৭) "ৰাজহুৱা সম্পত্তি" মানে চৰকাৰ অথবা স্থানীয় প্ৰাধিকাৰীৰ যিকোনো সম্পত্তিক বুজায়;

(১৮) "জিলা" মানে এখন ৰাজ্যৰ ভিতৰৰ জিলাক বুজায়;

(১৯) "বজাৰ, হাট বা বজাৰ বহা ঠাই" মানে স্থানীয় প্ৰাধিকাৰীৰ প্ৰশাসনিক নিয়ন্ত্ৰনাধীন কোনো ঠাই, য'ত মানৱ অথবা পশুৰ ভক্ষণৰ সামগ্ৰী অথবা পশুধন অথবা অন্য ক্ৰয় বিক্ৰয় কৰাৰ বাবে মানুহে দৈনিক অথবা দ্বিসাপ্তাহিক অথবা নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে গোট খায়;

(২০) "বাহন" মানে স্প্ৰিং থকা বা স্প্ৰিং ৰ দৰে কাম কৰা অন্য সৰঞ্জুলি থকা চকাযুক্ত বাহন অথবা মানুহৰ যাতায়তৰ বাবে সাধাৰণতে ব্যৱহৃত হোৱা আৰু সকলো ধৰণৰ দুচকীয়া, তিনিচকীয়া, ৰিক্সা আৰু ইঞ্জিন চালিত বা ইঞ্জিন বিহীন দেশীয় নাও কিন্তু ইয়ে মটৰ গাড়ী আৰু পেৰাম্বুলেটৰক সামৰি নলয়;

(২১) "গাড়ী" মানে যিকোনো গৰুগাড়ী, ঘোঁৰাবাগী বা স্প্ৰিংযুক্ত বা স্প্ৰিংবিহীন চকাযুক্ত বাহন যি উপ-ধাৰা (২০) ৰ সংজ্ঞাৰ মতে বাহন নহয়;

(২২) "পশু" মানে পশু অনাধিকাৰ প্ৰৱেশ অধিনিয়ম, ১৯৮১ ত অন্তৰ্ভুক্ত চাৰিঠেঙীয়া জন্তু;

(২৩) "অভিযোগ আৰু অপৰাধ" উক্তিয়ে ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ধাৰা ২ ৰ দৰে একে অৰ্থ বহন কৰিব;

(২৪) "উপবিধি" এ এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত যুগুত কৰা আৰু অনুমোদিত হোৱা উপবিধিকে বুজায়;

(২৫) "ডিক্ৰীদাৰ","দেনদাৰ", "বৈধ প্ৰতিনিধি" আৰু "অস্থাৱৰ সম্পত্তি" উক্তিসমূহে দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮ ৰ ২নং ধাৰাৰ সৈতে একে অৰ্থ বহন কৰে;

(২৬) (i) "বিত্তীয় বৰ্ষ" এ প্ৰত্যেক বছৰৰ এপ্ৰিল মাহৰ প্ৰথম তাৰিখে আৰম্ভ হোৱা আৰু পৰৱৰ্তী বৰ্ষৰ মাৰ্চ মাহৰ ৩১ তাৰিখে শেষ হোৱা বৰ্ষটোক বুজায়।

(ii) "পঞ্চায়ত বৰ্ষ" এ জুলাই মাহৰ প্ৰথম তাৰিখেৰে আৰম্ভ হোৱা বৰ্ষ বা ৰাজ্য চৰকাৰে অধিসূচনাৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা অন্য কোনো তাৰিখৰ পৰা আৰম্ভ হোৱা বৰ্ষক বুজায়।

(২৭) "গৃহস্থালি" মানে বসবাস কৰাৰ উদ্দেশ্যে এটা পৰিয়ালে ব্যৱহাৰ কৰা এক বা একাধিক ঘৰ ( ঘৰে পকী ঘৰ অন্তৰ্ভুক্ত কৰে );

(২৮) "বিহিত" মানে এই অধিনিয়মৰ অধীনত গঠিত নিয়মাৱলীৰ জৰিয়তে ৰাজ্য চৰকাৰে বিহিত কৰা;

(২৯) "কাৰ্য্যবিৱৰণী" এ গোচৰ, কাৰ্য্যব্যৱস্থা বা নালিচৰ বাহিৰে এই অধিনিয়মৰ অধীনত নিৰ্দিষ্ট যিকোনো কাৰ্যবিৱৰণীক বুজায়;

(৩০) "জলপথ" এ নদী, নিজৰা, সুঁতি, জলাশয়, নাদ আৰু জলপ্ৰৱাহৰ পকীনলা অন্তৰ্ভুক্ত কৰে;

(৩১) "ওপৰঞ্চি কৰ" মানে অতিৰিক্ত কৰ বা আদায়;

(৩২) "উন্নয়ন বিভাগসমূহ" এ এই অধিনিয়মৰ উপবন্ধৰ অধীনত সময়ে সময়ে ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত বিভাগসমূহক সামৰি লব;

(৩৩) "ৰাজ্য চৰকাৰ" মানে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক বুজায়;

(৩৪) "সভাপতি" মানে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সভাপতি হিচাপে নিৰ্বাচিত এগৰাকী বেচৰকাৰী ব্যক্তি;

(৩৫) "উপ-সভাপতি" মানে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত এগৰাকী বেচৰকাৰী ব্যক্তি;

(৩৬) "অধ্যক্ষ" মানে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা এখন জিলা পৰিষদ বা এখন জিলা পৰিকল্পনা সমিতিৰ নিৰ্বাচিত বেচৰকাৰী মুৰব্বী, পুৰুষ বা মহিলা যথাস্থিতি;

(৩৭) "খণ্ড উন্নয়ন বিষয়া" মানে এটা উন্নয়ন খণ্ডৰ বাবে সেই হিচাপে অধিসূচিত এগৰাকী বিষয়া;

(৩৮) "মুখ্য কাৰ্য্যৱাহী বিষয়া" মানে জিলা পৰিষদৰ কাৰ্যালয়ৰ কাৰ্য্যবাহী মুৰব্বী ;

(৩৯) "কাৰ্য্যবাহী বিষয়া" মানে খণ্ড উন্নয়ন বিষয়া যি গৰাকী এটা আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যবাহী বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ কৰে, যাৰ পৰিধি সেই উন্নয়ন খণ্ডসমূহৰ সৈতে সমকালীন হয়;

(৪০) "সচিব" মানে এখন গাঁও পঞ্চায়তৰ সচিব গৰাকী ;

(৪১) "উপায়ুক্ত" মানে চৰকাৰৰ দ্বাৰা সেই হিচাপে অধিসূচিত এখন জিলাৰ উপায়ুক্ত গৰাকী। উপায়ুক্ত সংজ্ঞাটোৱে এগৰাকী অতিৰিক্ত উপায়ুক্ত আৰু এটা দূৰৱৰ্তী মহকুমাৰ মহকুমাধিপতি গৰাকীকো বুজাব আৰু সামৰি লব;

[১][ ৪২। "নৈতিক পতন" মানে এনে এক কাৰ্য্য যিয়ে কোনো সম্প্ৰদায় বা মনুষ্যজাতিৰ নৈতিক বোধশক্তি অথবা স্বীকৃত নৈতিক মানদণ্ড গুৰুতৰ ভাবে উলংঘন কৰে ;]

[২][৪৩। "অপ্ৰমাণিত দেউলীয়া" মানে দেউলীয়া লোকসমূহ যিসকলক তেওঁলোকৰ বিদ্যমান ঋণ পৰিশোধ প্ৰমানপত্ৰ মঞ্জুৰ কৰা হোৱা নাই;]

[৩][৪৪। "অনুন্মুক্ত দেউলীয়া" মানে দেউলীয়া যিসকলক সেইসময়ৰ বিদ্যমান ঋণৰ ভবিষ্যতৰ দায়বদ্ধতাৰ পৰা ৰেহাই দিয়া হোৱা নাই।]

---

১। ১৯৯৯ চনৰ ২৫ নং অসম অধিনিয়ম ৰ দ্বাৰা অন্তঃস্থাপিত।
২। ১৯৯৯ চনৰ ২৫ নং অসম অধিনিয়ম ৰ দ্বাৰা অন্তঃস্থাপিত।
৩। ১৯৯৯ চনৰ ২৫ নং অসম অধিনিয়ম ৰ দ্বাৰা অন্তঃস্থাপিত।

## অধ্যায় - ২

### জিলা পৰিকল্পনা সমিতিৰ গঠন

**জিলা পৰিকল্পনা সমিতিৰ গঠন**

৩। (১) চৰকাৰে প্ৰতিখন জিলাতে জিলাখনৰ অন্তৰ্ভুক্ত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়ত, নগৰ সমিতি, পৌৰসভা আৰু পৌৰ নিগম সমূহৰ দ্বাৰা প্ৰস্তুত কৰা আঁচনি সমূহ একত্ৰীকৰণ কৰিবলৈ আৰু সমগ্ৰ জিলাখনৰ বাবে এখন খচৰা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিবলৈ এখন জিলা পৰিকল্পনা সমিতি গঠন কৰিব।

(২) জিলা পৰিকল্পনা সমিতিখন নিম্নলিখিত সমূহেৰে গঠিত হ'ব :-

(ক) জিলাখনক সম্পূৰ্ণ বা আংশিকভাৱে প্ৰতিনিধিত্ব কৰা লোকসভাৰ সদস্যসকল;

(খ) অসম বিধানসভাৰ সদস্যসকল যি সকলৰ নিৰ্বাচন সমষ্টিসমূহৰ অধিকাংশ জিলাখনৰ ভিতৰত পৰে ;

(গ) জিলা পৰিষদৰ সভাপতি গৰাকী ;

(ঘ) জিলাখনৰ সদৰ ঠাইৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা পৌৰনিগম/পৌৰসভা/নগৰ সমিতিৰ, যথাস্থিতি, মেয়ৰ বা অধ্যক্ষগৰাকী ;

(ঙ) এনে সংখ্যক ব্যক্তিৰে যি সকল চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া মুঠ সদস্য সংখ্যাৰ অতি কমেও [1] [চতুৰ্থ পঞ্চমাংশ] সদস্য, যি সকল বিহিত পদ্ধতিৰে জিলা পৰিষদৰ সদস্য, পৌৰনিগম বা পৌৰসভাৰ কাউন্সিলৰ যথাস্থিতি, জিলাৰ অন্তৰ্গত নগৰ সমিতিৰ সদস্যসকলৰ মাজৰ পৰা বাৰ্ষিক আৱৰ্তনৰ ভিত্তিত আৰু জিলাখনৰ গ্ৰাম্যাঞ্চল আৰু নগৰাঞ্চলৰ জনসংখ্যা অনুপাতৰ সমানুপাতিক ভাৱে নিৰ্বাচিত।

(৩) উপায়ুক্ত গৰাকী সমিতিখনৰ এজন পদেন সদস্য হিচাপে এগৰাকী স্থায়ী আমন্ত্ৰিত সদস্য হ'ব।

(৪) জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকী সমিতিখনৰ পদেন সচিব হ'ব।

(৫) জিলা পৰিষদৰ সভাপতি গৰাকী জিলা পৰিকল্পনা সমিতিখনৰ পদেন অধ্যক্ষ হ'ব।

(৬) জিলা পৰিকল্পনা সমিতিয়ে জিলাখনৰ অন্তৰ্ভুক্ত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত, নগৰ সমিতি, পৌৰসভা আৰু পৌৰনিগম সমূহৰ দ্বাৰা প্ৰস্তুত কৰা পৰিকল্পনা একত্ৰীকৰণ কৰিব আৰু সমগ্ৰ জিলাখনৰ বাবে এখন খচৰা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিব।

(৭) প্ৰত্যেক জিলা পৰিকল্পনা সমিতিয়ে খচৰা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰোতে;

---

১। ২০০২ চনৰ ৪ নং অসম অধিনিয়মৰ দ্বাৰা "দুই-তৃতীয়াংশ" ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

(ক) নিম্নলিখিত বিষয়সমূহৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব -

(i) জিলা খনৰ অন্তৰ্ভুক্ত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়ত, পৌৰসভা বা পৌৰনিগমসমূহ যথাস্থিতি, আৰু নগৰ সমিতিৰ মাজৰ উমৈহতীয়া হিতৰ বিষয়সমূহ লগতে ক্ষেত্ৰীয় পৰিকল্পনা, পানী, আৰু অন্য ভৌতিক আৰু প্ৰাকৃতিক সম্পদৰাজিৰ ভাগ-বতৰা, আন্তঃগাঁঠনিসমূহৰ ঐক্যবদ্ধ উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণ ;

(ii) সহজলভ্য বিত্তীয় অথবা অন্য ধৰণৰ সম্পদৰাজিৰ বিস্তাৰ আৰু প্ৰকাৰ;

(iii) ৰাজ্যপালৰ আদেশযোগে নিৰ্দ্ধাৰণ কৰা নিৰ্দেশনা আৰু সংগঠন সমূহৰ সৈতে পৰামৰ্শ কৰা;

(খ) প্ৰত্যেক জিলা পৰিকল্পনা সমিতিৰ অধ্যক্ষগৰাকীয়ে এই সমিতিৰ চুপাৰিছ মৰ্মে জিলাৰ আঁচনিখন ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত এক নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত অনুমোদনৰ বাবে চৰকাৰ লৈ প্ৰেৰণ কৰিব ।

## অধ্যায় - ৩

## গাঁও সভা

**গাঁও সভা**

৪। (১) চৰকাৰৰ সাধাৰণ আদেশৰ সাপেক্ষে:-

(i) গাঁও সভাৰ বৈঠক সময়ে সময়ে অনুষ্ঠিত হ'ব, কিন্তু যিকোনো দুখন বৈঠকৰ মাজৰ ব্যৱধান তিনি মাহৰ অধিক হ'ব নালাগিব;

(ii) গাঁও পঞ্চায়তৰ এলেকাৰ অন্তৰ্ভুক্ত এখন গাঁও বা গাঁও সমূহৰ গোটৰ সৈতে সম্পৰ্কীয় নিৰ্বাচক নামাৱলীত পঞ্জীয়নভুক্ত ব্যক্তিসকলক লৈ গাঁও সভাখন গঠিত হ'ব;

(iii) গাঁও সভাই নিম্নলিখিত বিষয়সমূহ বিবেচনা কৰিব আৰু গাঁও পঞ্চায়তসমূহলৈ চুপাৰিছ আৰু পৰামৰ্শ আগবঢ়াব পাৰিব;

(ক) পূৰ্ব্বৱৰ্তী বৰ্ষৰ গাঁও পঞ্চায়তৰ উন্নয়নমূলক কাৰ্য্যক্ৰম আৰু চলিত বৰ্ষত প্ৰস্তাৱিত উন্নয়ন কাৰ্য্যক্ৰমৰ প্ৰতিবেদনখন ;

(খ) গাঁও সমূহত থকা সমাজৰ সকলো শ্ৰেণীৰ মাজত ঐক্য আৰু সমন্বয়ৰ বিকাশ সাধন;

(গ) বিহিত হ'ব পৰা তেনে অন্য বিষয় সমূহ ।

(২) গাঁও পঞ্চায়তে গাঁও সভাৰ চুপাৰিছ আৰু পৰামৰ্শসমূহ যথোচিত বিবেচনা কৰিব।

(৩) গাঁও সভাৰ প্ৰতিখন বৈঠকত সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সভাপতি গৰাকীয়ে আৰু তেখেতৰ অনুপস্থিতিত উপ-সভাপতি গৰাকীয়ে অথবা গাঁও সভাৰ গৰিষ্ঠসংখ্যক সদস্যাই সেই বৈঠকৰ বাবে বাচনি কৰা যিকোনো ব্যক্তিয়ে সভাপতিত্ব কৰিব পাৰিব।

(৪) গাঁও পঞ্চায়তৰ সভাপতিৰ যথোচিত অনুমোদন সাপেক্ষে আৰু সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়া গৰাকীৰ লগত পৰামৰ্শ কৰি গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে গাঁওসভাৰ বৈঠক অনুষ্ঠিত কৰাৰ তাৰিখৰ পোন্ধৰ দিনৰ আগেয়ে বহুল প্ৰচাৰৰ চৰ্ত সাপেক্ষে গাঁও সভাৰ বৈঠক আহ্বান কৰিব ।

(৫) যদি সভাপতিয়ে গাঁও সভা আহ্বান কৰাৰ ক্ষেত্ৰত অনুমোদন দিয়াত ব্যৰ্থ হয়, গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে খণ্ড উন্নয়ন বিষয়াৰ পৰামৰ্শত গাঁওসভা সময়মতে আহ্বান কৰিব। যেতিয়াই আঞ্চলিক পঞ্চায়তে গ্ৰামোন্নয়ন কাৰ্য্যক্ৰমৰ হিতাধিকাৰী বাচনিৰ উদ্দেশ্যে এনে গাঁও সভা অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়ে, গাঁও পঞ্চায়তৰ সচিবে বিশ দিনৰ ভিতৰত বৈঠক আহ্বান কৰিব।

**থুল**

(৬) [১] [ (i) মুঠ সদস্যাৰ এক দশমাংশ অথবা গাঁওৰ/গাঁওসমূহৰ পাচঁশ সংখ্যক ভোট দাতা যিটোয়েই কম হয় সেয়াই গাঁও সভাৰ এখন বৈঠকৰ থুল হ'ব। ]

---

১। ২০১৮ চনৰ ৩ নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

(ii) যদি বৈঠকৰ বাবে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত, থুল উপস্থিত নাথাকে, অধিষ্ঠাতা প্ৰাধিকাৰীয়ে ত্ৰিশ মিনিট সময় অপেক্ষা কৰিব, আৰু যদি সেই নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত থুল নহয়, অধিষ্ঠাতা প্ৰাধিকাৰীয়ে পৰৱৰ্তী সপ্তাহৰ একে দিনলৈ অথবা অন্য কোনো তাৰিখ বা সময়লৈ যি চৌব্বিশ ঘণ্টাতকৈ কম আৰু সাত দিনতকৈ বেছি হ'ব নালাগিব; বৈঠকখন স্থগিত ৰাখিব। স্থগিত বৈঠকখনৰ বাবে থুলৰ আৱশ্যক নহ'ব যাৰবাবে নিৰ্দ্ধাৰিত বৈঠক খনত বিষয়টো বিবেচনা কৰিব পৰা নহ'ল।

(৭) প্ৰস্তাৱ: এই অধিনিয়মৰ অধীনত গাঁও সভাৰ ওপৰত ন্যস্ত কৰা বিষয়ৰ কোনো প্ৰস্তাৱ, উপস্থিত সদস্যাৰ গৰিষ্ঠসংখ্যক ভোটৰ দ্বাৰা গৃহীত হ'ব লাগিব।

(৮) কৃত্যসমূহ: গাঁওসভাখনে নিম্নলিখিত কৃত্যসমূহ সম্পাদন কৰিব যেনে :

(ক) স্বেচ্ছামূলক শ্ৰমিক সংগঠিত কৰা আৰু সামাজিক কল্যাণমূলক কাৰ্য্যক্ৰমৰ বাবে নগদ আৰু বিনিময় পদাৰ্থৰ বৰঙণি দিয়া;

(খ) গাঁওসমূহৰ লগত সম্পৰ্কীয় উন্নয়ন আঁচনিসমূহ ৰূপায়ণৰ বাবে হিতাধিকাৰীৰ চিনাক্তকৰণ:

পৰন্তু যদি গাঁওসভাই যুক্তিসংগত সময়ৰ ভিতৰত হিতাধিকাৰী চিনাক্ত কৰিবলৈ ব্যৰ্থ হয়, গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে গাঁও পঞ্চায়তৰ সভাপতি আৰু সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াৰ পৰামৰ্শমৰ্মে ঐক্যবদ্ধ গ্ৰাম্য উন্নয়ন কাৰ্য্যক্ৰমৰ অধীনৰ হিতাধিকাৰীকে সামৰি হিতাধিকাৰী সকল চিনাক্ত কৰিব:

উপৰন্তু গ্ৰাম্য উন্নয়ন কাৰ্য্যক্ৰমৰ হিতাধিকাৰী বাচনিৰ বাবে যদিহে সচিব গৰাকীয়ে গাঁও সভা সময়মতে আহ্বান কৰাত ব্যৰ্থ হয়, এনে নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে গাঁও সভা আহ্বান কৰিব;

(গ) গাঁও সম্পৰ্কীয় উন্নয়ন আঁচনিসমূহৰ ৰূপায়ণত সকলো প্ৰকাৰৰ সহায় আৰু গাঁও সমূহত সেৱা আগবঢ়োৱা ;

(৯) গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়তৰ সভাপতি, উপ-সভাপতি আৰু সদস্যসকল গাঁও সভাত উপস্থিত থকাৰ বাবে কোনো বৈঠক ভাট্টাৰ দাবীদাৰ নহ'ব ।

## অধ্যায় - ৪

## গাঁও পঞ্চায়তৰ স্থাপন আৰু গঠন

**গাঁও পঞ্চায়তৰ স্থাপন**

৫। (১) ৰাজ্য চৰকাৰে অধিসূচনাৰ জৰিয়তে, এখন ৰাজহ গাঁও অথবা ৰাজহ গাঁওসমূহৰ এটা গোট বা এখন বনগাঁও বা এখন চাহ বাগিচা এলেকা অথবা ৰাজহ গাঁও বা বনগাঁও বা চাহ বাগিচা এলেকাৰ অংশ গঠন কৰা সৰু গাঁও বা অন্য তেনে প্ৰশাসনীয় গোট বা তাৰ কোনো অংশৰে গঠিত কোনো স্থানীয় এলেকাক গাঁও পঞ্চায়ত হিচাপে ঘোষণা কৰিব পাৰে যি অঞ্চলৰ জনসংখ্যা ছয় হাজাৰতকৈ কম বা দহ হাজাৰতকৈ অধিক নহয়:

পৰন্তু, য'ত ৰাজহ গাঁওসমূহৰ এটা গোট বা বনগাঁও সমূহ বা চাহ বাগিচা এলেকা বিলাক বা সৰু গাঁওসমূহ বা অন্য তেনে প্ৰশাসনীয় গোটসমূহ বা ইয়াৰ অংশ এখন গাঁও হ'ব বুলি ঘোষণা কৰা হয়, গাঁও খন আটাইতকৈ বেছি জনসংখ্যা থকা ৰাজহ গাঁও, সৰু গাঁও, প্ৰশাসনীয় গোট বা ইয়াৰ অংশ, যথাস্থিতি, বুলি জনা যাব।

[1][উপৰন্তু অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪ উপবন্ধৰ অধীনত এই ধাৰাত চিহ্নিত কৰা জনসংখ্যাতকৈ কম সংখ্যক বা বেছি সংখ্যক এক জনসংখ্যাক লৈ গাঁও পঞ্চায়তৰ স্থানীয় এলেকা ঘোষণা কৰিলে এই অধিনিয়মৰ উদ্দেশ্যৰ বাবে বৈধ হৈ থাকিব]

(২) গাঁও পঞ্চায়তৰ লগত পৰামৰ্শ কৰাৰ পিছত, যদিহে এখন ইতিমধ্যে স্থাপন কৰা হৈছিল, তেনেহ'লে একে ধৰণৰ অধিসূচনাৰ জৰিয়তে, চৰকাৰে যিকোনো সময়ত -

(ক) কোনো স্থানীয় এলেকা বা অন্যথা, কোনো গাঁওৰ পৰিসীমাৰ ভিতৰত অন্তৰ্ভুক্ত বা বৰ্হিভূত কৰিব ; বা

(খ) কোনো স্থানীয় এলেকা এখন গাঁও হৈ নাথাকিব বুলি ঘোষণা কৰিব প্যাৰে আৰু সেইবাবে পৰিৱৰ্তিত গাঁও খনৰ পৰিসীমাৰ পৰা স্থানীয় এলেকাটো তেনেদৰে বাদ পৰিব ।

(৩) প্ৰতিখন গাঁও পঞ্চায়ত......................গাঁও পঞ্চায়ত নামেৰে, শাশ্বত উত্তৰাধিকাৰ আৰু এটা উমৈহতীয়া মোহৰ থকা, লগতে ইয়াৰ কৰ্তৃত্ব থকা গাঁওৰ পৰিসীমাৰ ভিতৰত বা বাহিৰত স্থাৱৰ আৰু অস্থাৱৰ দুয়োধৰণৰ সম্পত্তি আহৰণ আৰু ধাৰণ কৰাৰ ক্ষমতা থকা, এখন নিগম নিকায় হ'ব আৰু নিগম নিকায়টোৰ নামত মামলা দায়েৰ কৰিব আৰু কৰোৱাব পাৰে ।

**গাঁও পঞ্চায়তৰ গঠন**

৬। (১) গাঁও পঞ্চায়ত গঠিত হ'ব :-

(ক) গাঁও পঞ্চায়ত এলেকাৰ ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিসমূহৰ ভোটদাতা সকলৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত দহজন সদস্যৰে- বিহিত ধৰণেৰে প্ৰত্যেক সমষ্টিৰ পৰা এজনকৈ।

(খ) গাঁও পঞ্চায়তৰ সভাপতি গৰাকী যিগৰাকী বিহিত ধৰণেৰে গাঁও পঞ্চায়ত এলেকাৰ ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিসমূহৰ ভোটদাতা সকলৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত হ'ব।

(২) নিৰ্বাচনৰ সুবিধাৰ্থে, বিহিত প্ৰাধিকাৰীয়ে চৰকাৰৰ দ্বাৰা এই ক্ষেত্ৰত যথাবিহিত তেনে নিয়মাৱলী অনুসৰি, গাঁও পঞ্চায়তৰ এলেকা দহটা ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিত ভাগ কৰিব আৰু প্ৰত্যেক সমষ্টিৰ বাবে একোখনকৈ আসন আৱণ্টন দিব।

(৩) যেতিয়া এই ধাৰাৰ অধীনত গাঁও পঞ্চায়তখন গঠন কৰা হয়, উপায়ুক্ত গৰাকীয়ে বা উপায়ুক্ত গৰাকীৰ দ্বাৰা এই উদ্দেশ্যে কৰ্তৃত্বপ্ৰাপ্ত এজন বিষয়াই সদস্য সকলৰ মাজৰ পৰা বিহিত পদ্ধতিৰে এগৰাকী উপ-সভাপতি নিৰ্বাচনৰ বাবে গাঁও পঞ্চায়তৰ বৈঠক আহ্বান কৰিব ( যিখনক ইয়াৰ পাছত গাঁও পঞ্চায়তৰ প্ৰথম বৈঠক বুলি কোৱা হ'ব )।

**গাঁও পঞ্চায়তৰ কালাৱধি**

৭। এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰতিখন গাঁও পঞ্চায়ত, ইয়াৰ প্ৰথমখন বৈঠকৰ বাবে নিৰ্দ্ধাৰিত তাৰিখৰপৰা পাঁচবছৰৰ অৱধি এটাৰ বাবে চলি থাকিব:

পৰন্তু, যেতিয়া এখন গাঁও পঞ্চায়ত ভংগ কৰি দিয়া হয়, পূৰ্বোক্ত কালৰ সমাপ্তি আৰু নৱগঠিত গাঁও পঞ্চায়তখনৰ প্ৰথমখন থুল উপস্থিত থকা বৈঠক, অনুষ্ঠিত হোৱাৰ তাৰিখৰ মাজৰ কালছোৱা এই উপ-ধাৰাৰ অধীনত নিৰ্দ্ধাৰিত পদাৱধিৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব।

---

১। ২০০০ চনৰ ১০ নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

**গাঁও পঞ্চায়ত গঠন কৰিবলৈ নিৰ্বাচন**

৮। (১) এখন গাঁও পঞ্চায়ত গঠন কৰিবলৈ নিৰ্বাচন সম্পূৰ্ণ হ'ব লাগিব:-

(ক) ধাৰা (৭) ত নিৰ্দিষ্ট কৰা ইয়াৰ কালাৱধি উকলি যোৱাৰ পূৰ্বে,

(খ) ভংগ কৰি দিয়াৰ ক্ষেত্ৰত, ইয়াক ভংগ কৰাৰ তাৰিখৰ পৰা ছয় মাহ কাল উকলি যোৱাৰ পূৰ্বে:

পৰন্তু য'ত ভংগ কৰা গাঁও পঞ্চায়তখন নিৰ্দ্ধাৰিত সময়ৰ ছয়মাহৰ কম সময়ৰ বাবেহে বাহাল থাকে, এই উপ-ধাৰাৰ অধীনত সেই সময়ৰ বাবে গাঁও পঞ্চায়ত গঠন কৰিবলৈ কোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নাই।

(২) ইয়াৰ নিৰ্দ্ধাৰিত সময় উকলি যোৱাৰ পূৰ্বে ভংগ কৰা এখন গাঁও পঞ্চায়তৰ ঠাইত গঠিত গাঁও পঞ্চায়তখন মাত্ৰ অৱশিষ্ট নিৰ্দ্ধাৰিত কালৰ বাবেহে বাহাল থাকিব যিটো সময়ৰ বাবে ইয়াক তেনেদৰে ভংগ নকৰা হ'লে গাঁও পঞ্চায়তখন ধাৰা- ৭ ৰ অধীনত বাহাল থাকিলহেঁতেন।

**গাঁও পঞ্চায়তৰ আসন সংৰক্ষণ**

৯। (১) প্ৰতিখন গাঁও পঞ্চায়তত নিম্নলিখিত সকলৰ বাবে আসন সংৰক্ষণ কৰা হ'ব :-

(ক) অনুসূচীত জাতি, আৰু

(খ) অনুসূচীত জনজাতি,

আৰু এখন গাঁও পঞ্চায়ত এলেকাৰ মুঠ জনসংখ্যাৰ সৈতে গাঁও পঞ্চায়তখনৰ এলেকাৰ অনুসূচীত জাতিৰ জনসংখ্যাৰ যি অনুপাত অথবা সেই এলেকাৰ মুঠ জনসংখ্যাৰ সৈতে এলেকাটোৰ অনুসূচীত জনজাতিৰ জনসংখ্যাৰ যি অনুপাত, ঠিক সেই একে অনুপাতত সেই গাঁও পঞ্চায়ত এলেকাত প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে পূৰণ কৰিবলগীয়া আসনৰ মুঠ সংখ্যাৰ যথাসম্ভৱ নিকটতম আসন গাঁও পঞ্চায়ত খনৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকৰ বাবে সংৰক্ষণ কৰা হ'ব আৰু তেনে আসনসমূহ আৱৰ্তনৰ দ্বাৰা গাঁও পঞ্চায়তৰ বিভিন্ন নিৰ্বাচন সমষ্টি সমূহত বিহিত পদ্ধতিৰে আবণ্টন দিয়া হ'ব।

(২) উপ-ধাৰা (১) ৰ অধীনত সংৰক্ষিত মুঠ আসনৰ সংখ্যাৰ [১][পঞ্চাশ শতাংশ] অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ, যথাস্থিতি মহিলাসকলৰ বাবে সংৰক্ষণ কৰিব।

(৩) প্ৰতিখন গাঁও পঞ্চায়তত প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে পূৰ্ণ কৰিব লগীয়া মুঠ আসনৰ সংখ্যাৰ (অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনৰ সংখ্যাক সামৰি) [২][পঞ্চাশ শতাংশ] মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব আৰু তেনে আসনসমূহ সেইদৰে বিহিত পদ্ধতিৰে বিভিন্ন নিৰ্বাচন সমষ্টিসমূহলৈ আৱৰ্তনৰ দ্বাৰা আবণ্টন দিব পাৰিব।

(৪) গাঁও পঞ্চায়তত অধ্যক্ষসকলৰ পদসমূহ বিহিত পদ্ধতিৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব:

---

১। ২০১১ চনৰ ৭ নং অসম অধিনিয়মৰ দ্বাৰা "অতি কমেও এক তৃতীয়াংশ"ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

২। ২০১১ চনৰ ৭ নং অসম অধিনিয়মৰ দ্বাৰা "অতি কমেও এক তৃতীয়াংশ"ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

পৰন্তু গাঁও পঞ্চায়তত অধ্যক্ষপদৰ মুঠ সংখ্যাৰ অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত তেনে পদৰ সংখ্যাৰ অনুপাত ৰাজ্যখনত মুঠ জনসংখ্যাৰ অনুসূচীত জাতিৰ জনসংখ্যা বা ৰাজ্যখনত অনুসূচীত জনজাতিয়ে বহন কৰা জনসংখ্যাৰ যথাসম্ভৱ নিকটতম হ'ব :

উপৰন্তু গাঁওপঞ্চায়তত অধ্যক্ষপদৰ মুঠ সংখ্যাৰ [১][পঞ্চাশ শতাংশ] মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব :

অধিকন্তু এই উপ-ধাৰাৰ অধীনত সংৰক্ষিত পদৰ সংখ্যা বিভিন্ন গাঁও পঞ্চায়ত সমূহক বিৱৰ্ত্তনৰ দ্বাৰা আবণ্টন দিব।

**গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন**

১০। (১) ৬ (১) (খ)ধাৰাৰ অধীনত গাঁও পঞ্চায়তৰ সভাপতি আৰু ধাৰা ৬ (৩) ৰ অধীনত উপ-সভাপতিৰ নিৰ্বাচনৰ পিছত যদি মৃত্যু, পদত্যাগ অথবা সভাপতি বা উপ-সভাপতিৰ পদৰ পৰা অপসাৰণ, যথাস্থিতিৰ, বাবে কোনো পদ ৰিক্ত হয়, গাঁও পঞ্চায়তে ধাৰা ৬ (১) (খ) ৰ অধীনত সভাপতি অথবা ধাৰা ৬ (৩) ৰ অধীনত উপ-সভাপতি যথাস্থিতি, নিৰ্বাচন কৰিব:

পৰন্তু যদি এমাহৰ কম সময়ৰ বাবে পদ ৰিক্ত হয় তেন্তে কোনো নিৰ্বাচন অনুষ্ঠিত কৰা নহ'ব।

(২) চৰকাৰৰ সাধাৰণ অথবা বিশেষ আদেশৰ সাপেক্ষে, উপায়ুক্ত গৰাকীয়ে সংৰক্ষণ কৰিব, -

(ক) জিলাখনৰ মুঠ জনসংখ্যাৰ অনুসূচীত জাতি অথবা অনুসূচীত জনজাতিয়ে বহন কৰা জনসংখ্যাৰ অনুপাতৰ দৰে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে জিলাখনত গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ এনে সংখ্যক পদ আৰু জিলাখনত তেনে পদৰ সংখ্যা, যথাসম্ভৱ নিকটতম হ'ব ।

(খ) জিলাখনত প্ৰত্যেকটো শ্ৰেণীৰ পৰা গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ মুঠ পদৰ সংখ্যাৰ [২][পঞ্চাশ শতাংশ] অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকসকল আৰু [৩][অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে ] সংৰক্ষিত হ'ব :

পৰন্তু এই উপ-ধাৰাৰ অধীনত সংৰক্ষিত পদসমূহ বিহিত পদ্ধতিৰে বিভিন্ন গাঁও পঞ্চায়তক আৱৰ্তনৰ দ্বাৰা আবণ্টন দিব পৰন্তু এই অধিনিয়ম বলবৎ হোৱাৰ পিছত হ'বলগীয়া প্ৰথম নিৰ্বাচনৰপৰাই এই ধাৰাৰ অধীনত পদসমূহ সংৰক্ষণৰ উদ্দেশ্যে আবণ্টনৰ নীতি প্ৰাৰম্ভ হ'ব ।

১১। এই অধিনিয়মৰ অধীনত গাঁও পঞ্চায়তৰ উপ-সভাপতিৰ নিৰ্বাচনৰ বৈধতা সম্পৰ্কীয় যিকোনো বিবাদ উপায়ুক্ত গৰাকীয়ে নিষ্পত্তি কৰিব।

---

১। ২০১১ চনৰ ৭ নং অসম অধিনিয়মৰ দ্বাৰা "অতি কমেও এক তৃতীয়াংশ"ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত ।
২। ২০১১ চনৰ ৭ নং অসম অধিনিয়মৰ দ্বাৰা "অতি কমেও এক তৃতীয়াংশ"ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত ।
৩। ২০১১ চনৰ ৭ নং অসম অধিনিয়মৰ দ্বাৰা "আৰু সেইবিলাক যিবোৰ মহিলাৰ বাবে সংৰক্ষিত নহয়" ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত ।

**গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ পদাৱধি আৰু সেৱাৰ চৰ্তসমূহ**

১২। (১) এই অধিনিয়মত, অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰতিগৰাকী সভাপতি আৰু প্ৰতিগৰাকী উপ-সভাপতিৰ পদাৱধি, গাঁও পঞ্চায়তৰ সদস্যৰূপে তেওঁৰ পদাৱধি অৱসান হ'লে সমাপ্ত হ'ব।

(২) সভাপতি আৰু উপ-সভাপতিৰ ভাট্টাসমূহ আৰু সেৱাৰ অন্যান্য চৰ্তসমূহ বিহিত ধৰণে হ'ব।

**গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ ক্ষমতা, কৃত্য আৰু কৰ্তব্যসমূহ**

১৩। (১) সভাপতি গৰাকী,-

(ক) গাঁওসভাৰ বৈঠক আহ্বান কৰাৰ বাবে উত্তৰদায়ী হ'ব।

(খ) গাঁওপঞ্চায়তৰ বৈঠক আহ্বান কৰাৰ বাবে উত্তৰদায়ী হ'ব আৰু ইয়াৰ বৈঠকত সভাপতিত্ব কৰিব;

(গ) গাঁওপঞ্চায়তৰ নথিপত্ৰ সংৰক্ষণৰ বাবে উত্তৰদায়ী হ'ব ;

(ঘ) গাঁওপঞ্চায়তৰ বিত্তীয় আৰু কাৰ্যবাহী প্ৰশাসনৰ সমস্ত দায়িত্বত থাকিব ;

(ঙ) গাঁও পঞ্চায়তৰ কৰ্মচাৰীবৰ্গ আৰু লগতে অন্য কোনো প্ৰাধিকাৰীয়ে যিসকল বিষয়া আৰু কৰ্মচাৰী সকলৰ সেৱা পঞ্চায়তৰ ওপৰত ন্যস্ত কৰে, সেইসকলৰ কাম-কাজ ৰ ওপৰত প্ৰশাসনিক তদাৰক আৰু নিয়ন্ত্ৰণ কৰিব ;

(চ) এই অধিনিয়মৰ সৈতে জড়িত কাৰ্য্য সম্পাদন কৰাৰ অৰ্থে অথবা ইয়াৰদ্বাৰা প্ৰাধিকৃত কোনো আদেশ দিয়াৰ উদ্দেশ্যে বিহিত ধৰণে এনে ক্ষমতা প্ৰয়োগ কৰিব, এনে কৃত্য সম্পাদন কৰিব বা এনে কৰ্তব্য নিৰ্বহন কৰিব, যি এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলীৰ অধীনত গাঁও পঞ্চায়তে সম্পাদন কৰে বা দায়িত্ব পালন কৰে :

পৰন্তু সভাপতি গৰাকীয়ে এই অধিনিয়মৰ অধীনত গঠিত নিয়মাৱলী অনুযায়ী অনাৱশ্যক তেনে ক্ষমতা প্ৰয়োগ, তেনে কৃত্য সম্পাদন আৰু তেনে কৰ্তব্য নিৰ্বহন নকৰিব ;

(ছ) গাঁও পঞ্চায়তে সাধাৰণ বা বিশেষ প্ৰস্তাৱৰ দ্বাৰা নিৰ্দেশ দিয়া, অথবা চৰকাৰে, এই ক্ষেত্ৰত গঠিত নিয়মাৱলীৰ দ্বাৰা বিহিত কৰাৰ দৰে তেনে অন্য ক্ষমতা প্ৰয়োগ, তেনে অন্য কৃত্য সম্পাদন আৰু তেনে অন্য কৰ্তব্য নিৰ্বহন কৰিব।

(২) উপ-সভাপতি গৰাকীয়ে,

(ক) এই ক্ষেত্ৰত চৰকাৰৰ দ্বাৰা গঠিত নিয়মাৱলীৰ সাপেক্ষে, সভাপতি গৰাকীয়ে লিখিত আদেশৰ জৰিয়তে তেওঁক সময়ে সময়ে প্ৰদান কৰা ক্ষমতা অনুসাৰে, তেনে ক্ষমতাৰ প্ৰয়োগ, তেনে কৃত্য সম্পাদন বা তেনে কৰ্তব্য নিৰ্বহন কৰিব:

পৰন্তু সভাপতিগৰাকীয়ে যিকোনো সময়তে উপ-সভাপতিগৰাকীক তেনেদৰে প্ৰদান কৰা সকলো অথবা যিকোনো ক্ষমতা, কৃত্য আৰু কৰ্তব্য প্ৰত্যাহাৰ কৰিব পাৰে ;

(খ) সভাপতিগৰাকীৰ অনুপস্থিতিত, গাঁও পঞ্চায়তৰ সভাপতিৰ অনুমোদন সাপেক্ষে সভাপতিগৰাকীৰ সকলো ক্ষমতা প্ৰয়োগ, সকলো কৃত্য সম্পাদন আৰু সকলো কৰ্তব্য নিৰ্বহন কৰিব;

(গ) গাঁও পঞ্চায়তে, সাধাৰণ অথবা বিশেষ প্ৰস্তাৱৰ জৰিয়তে নিৰ্দেশ দিয়া অথবা চৰকাৰে

এই পক্ষে গঠিত নিয়মাৱলীৰ জৰিয়তে বিহিত কৰাৰ দৰে তেনে অন্য ক্ষমতা প্ৰয়োগ, তেনে অন্য কৃত্য সম্পাদন আৰু তেনে অন্য কৰ্তব্য নিৰ্বহন কৰিব৷

[১][ (ঘ) যদি সভাপতি গৰাকী পদৰ পৰা অপসাৰিত হয়, আৰু অথবা মৃত্যু হয় বা পদত্যাগ কৰে, ধাৰা ৬ ৰ উপ-ধাৰা (১) (খ) ৰ অধীনত উপবন্ধিত ৰীতি অনুসৰি সভাপতি পদ পূৰ হোৱা লৈকে, ধাৰা ১৩ ৰ উপ-ধাৰা (১) ৰ অধীনত সভাপতি পদৰ সকলো ক্ষমতা প্ৰয়োগ, সকলো কৃত্য সম্পাদন আৰু সকলো কৰ্তব্য নিৰ্বহন কৰিব।]

**সভাপতি আৰু উপ-সভাপতিৰ পদত্যাগ আৰু অপসাৰণ**

১৪। (১) গাঁও পঞ্চায়তৰ সভাপতি বা উপ-সভাপতি গৰাকীয়ে উপায়ুক্ত আৰু গাঁও পঞ্চায়তৰ সভাপতিক, যথাস্থিতি সম্বোধন কৰি স্বহস্ত লিখনীৰ দ্বাৰা তেখেতৰ পদৰপৰা পদত্যাগ কৰিব পাৰে৷

(২) উপ-ধাৰা (১) ৰ অধীনত সভাপতিৰ ক্ষেত্ৰত উপায়ুক্ত গৰাকীক আৰু উপ-সভাপতিৰ ক্ষেত্ৰত গাঁও পঞ্চায়তৰ সভাপতি গৰাকীক সম্বোধি কৰা প্ৰতিখন পদত্যাগ পত্ৰ প্ৰাধিকাৰীৰ দ্বাৰা প্ৰাপ্তিৰ তাৰিখৰপৰা পোন্ধৰদিন সময় উকলাত কাৰ্যকাৰী হ'ব যদিহে এই পোন্ধৰদিন সময়ৰ ভিতৰত তেওঁ স্বহস্ত লিখনীৰ দ্বাৰা তেনে পদত্যাগপত্ৰ প্ৰত্যাহাৰ নকৰে ।

(৩) প্ৰতিগৰাকী সভাপতি বা উপ-সভাপতিয়ে পদ ৰিক্ত কৰিব যদি তেওঁ গাঁও পঞ্চায়তৰ সদস্য হৈ নাথাকে৷

**সভাপতি আৰু উপ-সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ**

১৫। (১) প্ৰতিজন সভাপতি বা উপ-সভাপতিয়ে তেখেতৰ পদ অবিলম্বে ৰিক্ত হ'ব বুলি গণ্য কৰিব লাগিব যেতিয়া তেখেতৰ ওপৰত আস্থাৰ অভাৱ বুলি ব্যক্ত কৰা প্ৰস্তাৱ গাঁও পঞ্চায়তৰ সৰ্বমুঠ সদস্যৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা পাৰিত হয়।

এনে এখন বৈঠক গাঁও পঞ্চায়তৰ সভাপতিৰ অনুমোদন মৰ্মে গাঁওপঞ্চায়তৰ সচিব গৰাকীয়ে বিশেষভাৱে আহ্বান কৰিব। যদি প্ৰস্তাৱটো উপ-সভাপতিৰ বিৰুদ্ধে হয় এনে বৈঠকত সভাপতিয়ে সভাপতিত্ব কৰিব; আৰু যদি প্ৰস্তাৱটো সভাপতিৰ বিৰুদ্ধে হয় উপ-সভাপতিয়ে সভাপতিত্ব কৰিব। যদি কিবা কাৰণত এনে বৈঠক জাননী প্ৰাপ্তিৰ তাৰিখৰপৰা পোন্ধৰদিনৰ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আহ্বান কৰা নহয়, গাঁও পঞ্চায়তৰ সচিবগৰাকীয়ে বিষয়টো সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ সভাপতিগৰাকীলৈ প্ৰেৰণ কৰিব যিজনে গাঁও পঞ্চায়তৰ সচিবগৰাকীৰপৰা প্ৰাপ্তসূচনাৰ পোন্ধৰ দিনৰ ভিতৰত বৈঠক খন আহ্বান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব আৰু এনে বৈঠকত সভাপতিত্ব কৰিব৷

যদি কিবা কাৰণত আঞ্চলিক পঞ্চায়তৰ সভাপতিগৰাকীয়ে উল্লেখিত ধৰণে নিৰ্দিষ্ট পোন্ধৰ দিনৰ ভিতৰত কাৰ্যপন্থা হাতত নলয় সংশ্লিষ্ট উপায়ুক্ত গৰাকীয়ে বিষয়টো প্ৰয়োজনীয় কাৰ্যপন্থাৰ বাবে জিলা পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে৷

(২) উপ-ধাৰা (১) ৰ অধীনত এনে এক বিশেষ বৈঠকৰ ফৰ্মাচ গাঁওপঞ্চায়তৰ মুঠ সদস্যৰ এক-তৃতীয়াংশ অতি কমেও দ্বাৰা স্বাক্ষৰিত হ'ব লাগিব আৰু জিলাৰ উপায়ুক্তগৰাকীক অৱগত কৰি সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ সভাপতি বা উপ-সভাপতিলৈ যথাস্থিতি, প্ৰেৰণ কৰা হ'ব।

---

১। ১৯৯৭ চনৰ ১০ নং অসম অধিনিয়মৰ দ্বাৰা অন্তঃস্থাপিত ।

(৩) এই অধিনিয়মৰ অধীনত উপবন্ধৰ প্ৰতিকূল ভাৱাপন্ন নহ'লে এখন গাঁও পঞ্চায়তৰ এজন সভাপতি বা এজন উপ-সভাপতিক জিলা পৰিষদৰ অনুমোদন মৰ্মে সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ দ্বাৰা তেওঁৰ/তেখেতৰ কৰ্তব্যত দুৰাচাৰ বা অৱমাননা বা তেওঁৰ/তেখেতৰ কৰ্তব্য সম্পাদন কৰাৰ অসমৰ্থতা বা নিৰ্বহন কৰোঁতে নিৰন্তৰ ভাৱে হোৱা অসাৱধানতাৰ বাবে বা মৰ্য্যাদাহানিকৰ কোনো আচৰণৰ বাবে জগৰীয়া হ'লে পদৰপৰা অপসাৰিত কৰিব পাৰে আৰু এইদৰে অপসাৰিত হোৱা সভাপতি বা উপ-সভাপতি গৰাকী এনে গাঁও পঞ্চায়তৰ সভাপতি বা উপ-সভাপতি হিচাপে পদৰ অৱশিষ্ট কাৰ্য্যকালৰ বাবে সভাপতি বা উপ-সভাপতি হিচাপে হোৱা পুন: নিৰ্বাচনৰ বাবে যোগ্য নহ'ব।

পৰন্তু এখন গাঁও পঞ্চায়তৰ এনে সভাপতি বা উপ-সভাপতি গৰাকীক আঞ্চলিক পঞ্চায়তক কৈফিয়ৎ দিয়াৰ বাবে যুক্তিযুক্ত সুযোগ দিয়া নোহোৱালৈকে তেখেতৰ পদৰ পৰা অপসাৰিত কৰিব নোৱাৰে।

(৪) উপ-ধাৰা (৩) ৰ অধীনত পদৰপৰা সেইদৰে অপসাৰিত হোৱা এগৰাকী উপ-সভাপতিক চৰকাৰে তেখেতক কৈফিয়ৎৰ বাবে যুক্তিযুক্ত সুযোগ দিয়াৰ পিছত গাঁও পঞ্চায়তৰ সদস্য পদৰপৰাও অপসাৰিত কৰিব পাৰে।

**সদস্যসকলৰ পদত্যাগ**

১৬। গাঁও পঞ্চায়তৰ এগৰাকী সদস্যই গাঁও পঞ্চায়তৰ সভাপতিক সম্বোধন কৰি স্বহস্ত লিখনীৰ দ্বাৰা তেখেতৰ সদস্যপদৰ পৰা পদত্যাগ কৰিব পাৰে।

**গাঁও পঞ্চায়তৰ বৈঠক**

১৭। (১) এখন গাঁওপঞ্চায়তৰ কাৰ্য্য সম্পাদন কৰাৰ অৰ্থে সভাপতিয়ে নিৰ্দ্ধাৰণ কৰা সময়ত গাঁও পঞ্চায়তৰ কাৰ্য্যালয়ত অতি কমেও দুমাহত এবাৰ মিলিত হ'ব।

(২) সভাপতিগৰাকীয়ে যেতিয়াই উচিত বুলি ভাৱে, মুঠ সদস্য সংখ্যাৰ কমেও এক তৃতীয়াংশৰ লিখিত অনুৰোধৰ ভিত্তিত আৰু এনে অনুৰোধ প্ৰাপ্তিৰপৰা পোন্ধৰ দিনৰ ভিতৰৰ এটা তাৰিখত, এখন বিশেষ বৈঠক আহ্বান কৰিব।

(৩) গাঁও পঞ্চায়তৰ সচিবগৰাকীয়ে এখন সাধাৰণ বৈঠকৰ বাবে কমেও সাতদিন পূৰ্বে আৰু এখন বিশেষ বৈঠকৰ বাবে কমেও তিনিদিনৰ পূৰ্বে জাননীত এনে বৈঠকৰ স্থান, তাৰিখ আৰু সময় নিৰ্দ্ধাৰিত কৰি আৰু তাত সম্পাদন হ'ব লগীয়া কাৰ্য সুনিশ্চিত কৰি জাননী জাৰি কৰিব আৰু গাঁও পঞ্চায়তৰ কাৰ্য্যালয়ৰ সূচনা ফলকত জাননীখন আঁৰি দিব।

(৪) উপ-ধাৰা (৩) ৰ অধীনত জাননী প্ৰেৰণ কৰা বিষয়সমূহ আৰু গাঁও পঞ্চায়ত এলেকাৰ বা তাৰ যিকোনো অংশৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা অন্য চৰকাৰী বিষয়াসমূহৰ গাঁওপঞ্চায়তৰ প্ৰতিখন বৈঠকত উপস্থিতিৰ আৰু কাৰ্য্যবাহত অংশগ্ৰহণৰ অধিকাৰ থাকিব কিন্তু ভোটাধিকাৰ নাথাকিব।

(৫) যদি উপ-ধাৰা (২) ৰ অধীনত সভাপতিগৰাকীয়ে এখন বিশেষ বৈঠক আহ্বান কৰাত ব্যৰ্থ হয়, উপ-সভাপতিগৰাকীয়ে বা তেখেতৰ অনুপস্থিতিত, মুঠ সদস্যসংখ্যাৰ এক তৃতীয়াংশই এনে এখন বৈঠক তাৰ পিছৰ পোন্ধৰদিনৰ ভিতৰত এটা দিনত আহ্বান কৰিব পাৰে আৰু গাঁওপঞ্চায়তৰ সচিবগৰাকীক সদস্যসকললৈ জাননী প্ৰেৰণ কৰা আৰু বৈঠক আহ্বান কৰাৰ বাবে প্ৰয়োজনীয় তেনে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ দিব পাৰে।

**থুল আৰু কাৰ্য প্ৰক্ৰিয়া**

১৮। (১) গাঁও পঞ্চায়তৰ এখন বৈঠকৰ থুল মুঠ সদস্য সংখ্যাৰ এক-তৃতীয়াংশ হ'ব।

(২) যদি বৈঠকৰ বাবে নিৰ্দ্ধাৰিত সময়ত থুল উপস্থিত নাথাকে, অধিষ্ঠাতা প্ৰাধিকাৰীগৰাকীয়ে ত্ৰিশ মিনিট সময়ৰ বাবে অপেক্ষা কৰিব, আৰু যদি তেনে সময়ৰ ভিতৰত থুল নহয়, অধিষ্ঠাতা প্ৰাধিকাৰীগৰাকীয়ে বৈঠকখন পৰৱৰ্তী দিনৰ এনে সময়লৈ বা তেখেতে নিৰ্দ্ধাৰণ

কৰা ভৱিষ্যতৰ এনে তাৰিখলৈ স্থগিত ৰাখিব যাতে ই স্থগিত বৈঠকখনৰ দিনৰপৰা পোন্ধৰ দিনৰ অধিক হ'ব নোৱাৰে।

যি কি নহওক, স্থগিত বৈঠক খনত থুলৰ আৱশ্যক নহ'ব।

(৩) যিটো কাৰ্য্য স্থগিত হোৱা বৈঠকখনত থুলৰ অভাৱৰ বাবে বিবেচনা কৰিব পৰা নগ'ল, সেইবাবে নিৰ্দ্ধাৰিত পৰৱৰ্তী বৈঠকখনত উত্থাপন কৰিব আৰু নিস্পত্তি কৰিব।

(৪) এই অধিনিয়মৰ দ্বাৰা বা অধীনত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, গাঁও পঞ্চায়তৰ প্ৰতিখন বৈঠকত, সভাপতি গৰাকীয়ে বা তেখেতৰ অনুপস্থিতিত উপ-সভাপতি গৰাকীয়ে সভাপতিত্ব কৰিব।

(৫) অনাস্থা প্ৰস্তাৱ আলোচনা হোৱা বৈঠকত গোপনীয় বেলটৰ দ্বাৰা বিষয়টো মীমাংসা কৰিব, তাৰ বাহিৰে গাঁও পঞ্চায়তৰ যিকোনো বৈঠকত, যদি আৱশ্যক হয়, হাত ওপৰলৈ তুলি ভোটদান কৰা হ'ব ।

(৬) সকলোবোৰ প্ৰশ্ন উপস্থিত সদস্যৰ গৰিষ্ঠসংখ্যক ভোটৰদ্বাৰা সিদ্ধান্ত লোৱা হ'ব, যেতিয়ালৈকে অন্যথা বিশেষ ৰূপত বিধিবদ্ধ ভাৱে প্ৰদান কৰা নাথাকে। সভাপতিত্ব কৰা সভাপতি গৰাকী বা উপ-সভাপতিগৰাকী, যি গৰাকী নহওক, তেখেত ভোট দানৰপৰা বিৰত থাকিলে, এটা প্ৰশ্নৰ সপক্ষে বা বিপক্ষে থকা ভোটৰ সংখ্যা ঘোষণা কৰাৰ আগেয়ে তেখেতে ভোট প্ৰদান কৰিব আৰু ভোটৰ সমতাৰ ক্ষেত্ৰত, তেখেতে তেখেতৰ নিৰ্ণায়ক ভোট প্ৰদান কৰিব পাৰে।

(৭) গাঁও পঞ্চায়তৰ কোনো সদস্য, গাঁও পঞ্চায়তৰ বৈঠকত বিবেচনাৰ বাবে উত্থাপিত কোনো প্ৰশ্নৰ আলোচনাৰ ওপৰত ভোট দিব বা অংশগ্ৰহণ কৰিব নোৱাৰিব, যদিহে প্ৰশ্নটো এনেকুৱা যে তাত জনসাধাৰণৰ সাধাৰণ প্ৰয়োজনৰ উপৰিও, তেখেতৰ কোনো আৰ্থিক স্বাৰ্থ জড়িত থাকে, তেনে প্ৰশ্ন বিবেচনাৰ বৈঠকত তেখেতে সভাপতিত্ব কৰিব নোৱাৰিব।

(৮) যদি বৈঠকত উপস্থিত থকা কোনো সদস্যই আলোচ্য বিষয়ৰ সৈতে সভাপতিত্ব কৰা ব্যক্তি গৰাকীৰ তেনে কোনো আৰ্থিক স্বাৰ্থ জড়িত থকা বুলি বিশ্বাস কৰে আৰু যদি সেই উদ্দেশ্যৰ এটা প্ৰস্তাৱ দাঙি ধৰে, তেনে আলোচনাৰ সময়ত তেখেতে বৈঠকত সভাপতিত্ব কৰিব বা ভোটদান কৰিব বা ইয়াত অংশগ্ৰহণ কৰিব নোৱাৰিব। গাঁও পঞ্চায়তৰ কোনো সদস্যক এনে আলোচনা চলি থকাৰ সময়ত বৈঠকত সভাপতিত্ব কৰিবৰ বাবে বাচনি কৰিব পাৰে।

**গাঁও পঞ্চায়তৰ কৃত্যসমূহ**

১৯। চৰকাৰৰ দ্বাৰা সময়ে সময়ে নিৰ্দিষ্ট কৰি দিয়া চৰ্তসমূহৰ সাপেক্ষে, গাঁও পঞ্চায়তে নিম্নলিখিত কৃত্যসমূহ সম্পাদন কৰিব:-

**i। সাধাৰণ কৃত্য**

(১) গাঁও পঞ্চায়ত এলেকাৰ উন্নয়নৰ অৰ্থে বাৰ্ষিক পৰিকল্পনাসমূহৰ প্ৰস্তুতকৰণ।

(২) গাঁও পঞ্চায়তৰ বাৰ্ষিক বাজেটৰ প্ৰস্তুতকৰণ।

(৩) প্ৰাকৃতিক দুৰ্যোগত সাহাৰ্য্য সংহতকৰণ।

(৪) ৰাজহুৱা সম্পত্তিৰ ওপৰত বেদখল দূৰীকৰণ।

(৫) স্বেচ্ছামূলক শ্ৰমিক সংগঠিত কৰা আৰু সামূহিক কৰ্মৰ বাবে বৰঙণি আগবঢ়োৱা।

(৬) গাঁওসমূহৰ প্ৰয়োজনীয় পৰিসংখ্যা ৰক্ষণাবেক্ষণ ।

**ii। কৃষি সম্প্ৰসাৰণ সামৰি কৃষি**

(১) কৃষি, সমবায়, জলসিঞ্চন আৰু অন্যান্য সংশ্লিষ্ট বিভাগসমূহৰ কাৰিকৰী সহায় লৈ পঞ্চাশ হাজাৰ টকাৰ অধিক নোহোৱা গাঁও পঞ্চায়ত এলেকাৰ কৃষি উন্নয়নৰ বাবে বিভিন্ন কৃষি আঁচনিসমূহৰ চিনাক্তকৰণ আৰু ৰূপায়ণ।

(২) পতিত মাটিৰ উন্নয়ন।

(৩) গাঁও চৰণীয়া মাটিৰ উন্নয়ন আৰু সংৰক্ষণ আৰু সেইবোৰৰ অনাধিকাৰ হস্তান্তকৰণ আৰু ব্যৱহাৰৰ প্ৰতিবন্ধকৰণ।

**iii । পশুপালন, দুগ্ধপাম উন্নয়ন আৰু হাহঁ-কুকুৰা পালন :**

(১) পশু, হাহঁ-কুকুৰা আৰু অন্য পশুধনৰ বংশৰ উৎকৰ্ষ সাধন।

(২) দুগ্ধপাম, হাহঁ-কুকুৰা পালন আৰু গাহৰি পামৰ উন্নীতকৰণ।

(৩) তৃণভূমি উন্নয়ন।

**iv। মৎস পালন** :

(১) গাঁও সমূহত মৎস্যপালনৰ উন্নয়ন।

**v। সামাজিক আৰু পাম বনানীকৰণ/ ক্ষুদ্ৰ বন উপজাত দ্ৰব্য, ইন্ধন আৰু ঘাঁহ:**

(১) পথৰ কাষত আৰু ইয়াৰ নিয়ন্ত্ৰাধীন অন্য ৰাজহুৱা ভূমিত বৃক্ষৰোপণ আৰু সংৰক্ষণ।

(২) খৰি গছ ৰোপন আৰু ঘাহঁৰ উন্নয়ন।

(৩) পাম বনানীকৰণৰ বিকাশ সাধন।

(৪) সামাজিক বনানীকৰণৰ উন্নয়ন।

**vi । খাদী, গ্ৰাম্য আৰু কুটীৰ উদ্যোগ :**

(১) গ্ৰামীণ আৰু কুটীৰ উদ্যোগৰ বিকাশ সাধন।

(২) গাঁৱৰ ব্যক্তিসকলৰ হিতৰ বাবে সজাগতা শিবিৰ, অধ্যয়ণ চক্ৰ আৰু প্ৰশিক্ষণ কাৰ্যক্ৰম, কৃষি আৰু উদ্যোগিক প্ৰদৰ্শনীৰ আয়োজন।

**vii। গ্ৰামীণ আৱাস :**

(১) ইয়াৰ ক্ষেত্ৰাধিকাৰ অন্তৰ্গত আৱাসভূমিৰ বিতৰণ ।

(২) আৱাস সমূহ, ভূমি আৰু অন্য ব্যক্তিগত/ৰাজহুৱা সম্পত্তি সম্পৰ্কীয় নথি-পত্ৰ ৰক্ষণাবেক্ষণ।

**viiiI খোৱা পানী:**

(১) খোৱা পানীৰ নাদ, জলাশয় আৰু পুখুৰী আৰু দমকলসমূহৰ নিৰ্মাণ, মেৰামতি আৰু ৰক্ষণাবেক্ষণ।

(২) জল প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ।

(৩) গ্ৰাম্য পানী যোগান আঁচনিৰ ৰক্ষণাবেক্ষণ।

**ix I পথ, ঘৰ, পুল, দলং, পাৰঘাট, জলপথ আৰু যতায়তৰ অন্য মাধ্যমসমূহ ।**

(১) গাঁওৰ পথ, নলা আৰু পুলসমূহৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ।

(২) ইয়াৰ নিয়ন্ত্ৰণাধীন অথবা চৰকাৰ বা কোনো ৰাজহুৱা প্ৰাধিকাৰীৰ দ্বাৰা ইয়ালৈ হস্তান্তৰকৃত ঘৰসমূহৰ ৰক্ষণাবেক্ষণ।

(৩) নাওঁ, পাৰঘাট আৰু জলপথসমূহৰ ৰক্ষণাবেক্ষণ।

**x I গ্ৰামীণ বৈদ্যুতিকৰণ :**

বিদ্যুৎ বিতৰণৰ স্থানসমূহ চিনাক্তকৰণকে ধৰি, ৰাজহুৱা পথ আৰু অন্য ঠাইসমূহত পোহৰৰ যোগান আৰু ৰক্ষণাবেক্ষণ।

**xi I অপৰাম্পৰগত শক্তিৰ উৎস :**

(১) অপৰম্পৰাগত শক্তিৰ উৎসৰ বিকাশ সাধন আৰু উন্নয়ন।

(২) জৈৱ গেছ যোজনাকে সামৰি সামূহিক অপৰম্পৰাগত শক্তি উদ্ভাৱন যন্ত্ৰৰ ৰক্ষণাবেক্ষণ।

(৩) উন্নত চৌকা আৰু অন্য কাৰ্য্যদক্ষ শক্তি যন্ত্ৰসমূহৰ প্ৰসাৰ সাধন।

**xii I দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰম :**

(১) জন সজাগতা বৃদ্ধি কৰা আৰু সম্পূৰ্ণ কৰ্মসংস্থাপনৰ বাবে দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰমৰ ৰূপায়ণত অংশগ্ৰহণ আৰু সমাজৰ বাবে ফলদায়ক সম্পত্তি সৃষ্টি কৰা।

(২) গাঁওসভাৰ জৰিয়তে আই. আৰ. ডি. পি. কে সামৰি বিভিন্ন কাৰ্য্যক্ৰমৰ অধীনত হিতাধিকাৰীৰ বাচনি।

(৩) বিভিন্ন আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণত অংশগ্ৰহণ আৰু সেইবোৰৰ পৰ্য্যবেক্ষণ।

**xiiiI প্ৰাথমিক বিদ্যালয়ক সামৰি শিক্ষা :**

(১) জন সজাগতা বৃদ্ধি কৰা, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত অংশগ্ৰহণ কৰা।

(২) প্ৰাথমিক বিদ্যালয়ত সম্পূৰ্ণ নামভৰ্তি আৰু উপস্থিতি আৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ উপস্থিতিকে সামৰি ইয়াৰ পৰিচালনা নিশ্চিত কৰণ ।

**xivI প্ৰাপ্তবয়স্কআৰু অনানুষ্ঠানিক শিক্ষা**

(১) প্ৰাপ্তবয়স্ক সাক্ষৰতা বৃদ্ধি কৰা ।

**xv I পুথিভঁড়াল :**

(১) গ্ৰাম্য পুথিভঁড়াল আৰু অধ্যয়নকক্ষ ব্যৱস্থিত কৰা ।

**xvi I সাংস্কৃতিক কাৰ্য্যকলাপ :**

(১) সামাজিক আৰু সাংস্কৃতিক কাৰ্যকলাপৰ বিকাশ সাধন ।

**xvii I বজাৰ আৰু মেলা :**

(১) পশু মেলা আৰু উৎসৱকে সামৰি মেলাসমূহৰ নিয়ন্ত্ৰণ ।

**xviii I গ্ৰামীণ অনাময় ব্যৱস্থা :**

(১) সাধাৰণ অনাময় ব্যৱস্থা, শৱ-দাহ আৰু সমাধি ক্ষেত্ৰ ৰক্ষণাবেক্ষণ ।

(২) ৰাজহুৱা পথ, নলা, জলাশয়, পুখুৰী, নাদ আৰু অন্য ৰাজহুৱা স্থানসমূহৰ পৰিষ্কাৰকৰণ ।

(৩) দাহক আৰু সমাধিক্ষেত্ৰৰ ৰক্ষণাবেক্ষণ আৰু নিয়ন্ত্ৰণ।

(৪) ৰাজহুৱা শৌচাগাৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ ।

(৫) দাবীহীন মৃতদেহ আৰু জন্তুৰ মৰাশৰ দিহা লগোৱা ।

(৬) কাপোৰ ধোৱা আৰু গা-ধোৱা মাটিৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ।

**xix I জন স্বাস্থ্য আৰু পৰিয়াল কল্যাণ :**

(১) পৰিয়াল কল্যাণ কাৰ্যক্ৰমৰ ৰূপায়ণ।

(২) মহামাৰীৰ বিৰুদ্ধে প্ৰতিৰোধ আৰু প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ।

(৩) মাংস, মাছ আৰু অন্য পচনশীল খাদ্য সামগ্ৰীৰ বিক্ৰী নিয়ন্ত্ৰণ ।

(৪) মানুহ আৰু পশুৰ টীকাকৰণ কাৰ্য্যক্ৰমত অংশগ্ৰহণ ।

(৫) ভোজন আৰু আমোদ-প্ৰমোদৰ প্ৰতিষ্ঠানক অনুজ্ঞাপত্ৰ প্ৰদান ।

(৬) অনাই বনাই ঘূৰি ফুৰা কুকুৰবোৰক বিলোপন কৰা ।

(৭) ছাল আৰু চামৰাৰ শুদ্ধিকৰণ, কহঁ দি মৰা কাৰ্য্য আৰু ৰঞ্জিতকৰণ নিয়ন্ত্ৰণ।

(৮) অপৰাধমূলক আৰু বিপদজনক ব্যৱসায়ৰ নিয়ন্ত্ৰণ।

**xx । মহিলা আৰু শিশুৰ বিকাশ :**

(১) মহিলা আৰু শিশু কল্যাণ কাৰ্যক্ৰম ৰূপায়ণত অংশগ্ৰহণ ।

(২) বিদ্যালয়ৰ স্বাস্থ্য আৰু পুষ্টিসাধন কাৰ্যক্ৰমৰ বিকাশ সাধন ।

**xxi । বিকলাংগ আৰু মানসিক বিকাৰগ্ৰস্ত লোকৰ কল্যাণকে সামৰি সামাজিক কল্যাণ :**

(১) বিকলাংগ, মানসিকভাৱে বিকাৰগ্ৰস্ত আৰু নিৰাশ্ৰয় সকলৰ কল্যাণকে সামৰি, সামাজিক কল্যাণমূলক কাৰ্য্যক্ৰমৰ ৰূপায়ণত অংশগ্ৰহণ আৰু সমাজ কল্যাণ কাৰ্যক্ৰমত ভোজন সামগ্ৰী বিতৰণ।

(২) বৃদ্ধ আৰু বিধৱা পেঞ্চন আঁচনিসমূহৰ হিতাধিকাৰী বাচনি আৰু নিৰীক্ষণ।

**xxii । দুৰ্বল শ্ৰেণীৰ আৰু বিশেষভাৱে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ:**

(১) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু অন্য দুৰ্বল শ্ৰেণীসমূহৰ কল্যাণ সম্বন্ধীয় জন-সজাগতাৰ বিকাশ সাধন ।

(২) দুৰ্বল শ্ৰেণীৰ কল্যাণৰ বাবে কৰা নিৰ্দিষ্ট কাৰ্যক্ৰমৰ ৰূপায়ণত অংশগ্ৰহণ ।

**xxiii । সাৰ্বজনীন বিতৰণ প্ৰণালী :**

(১) অত্যাৱশ্যকীয় সামগ্ৰীৰ বিতৰণ সম্বন্ধীয় জন-সজাগতা বৃদ্ধি কৰা।

(২) ৰাজ্য চৰকাৰৰ দ্বাৰা আৱণ্টিত অত্যাৱশ্যকীয় সামগ্ৰীৰ সম্পূৰ্ণ আৰু ন্যায়সংগত বিতৰণক নিশ্চিত কৰিবলৈ কৰা ক্ষিপ্ৰ সতৰ্কতাকে সামৰি সাৰ্বজনীন বিতৰণ প্ৰণালীৰ নিৰীক্ষণ।

**xxiv । সামূহিক সম্পত্তিৰ ৰক্ষণাবেক্ষণ :**

(১) সামূহিক সম্পত্তিৰ ৰক্ষণাবেক্ষণ ।

(২) অন্য সামূহিক সম্পত্তিৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ ।

**xxv । ধৰ্মশালা আৰু তেনেধৰণৰ অনুষ্ঠানৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ।**

**xxvi । পশশালা ঘৰ আৰু গৰু গাড়ী ৰখা ঠাইৰ**

**xxvii । ৰাজহুৱা উদ্যান আৰু খেলপথাৰৰ ৰক্ষণাবেক্ষণ ।**

**xxviiiI কচাইখানাৰ নিৰ্মাণ আৰু**

**xxix । সাৰৰ ৰক্ষণাবেক্ষণ আৰু নিয়ন্ত্ৰণ।**

**xxx। তেনে অন্য কৃত্যসমূহ যি চৰকাৰৰ আদেশৰ দ্বাৰা সময়ে সময়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক ন্যস্ত কৰিব পাৰে।**

**কৃত্যসমূহৰ ন্যস্তকৰণ**

২০। (১) চৰকাৰে, অধিসূচনাৰ দ্বাৰা আৰু তাত নিৰ্দ্ধাৰিত এনে চৰ্তসমূহৰ সাপেক্ষে ,-

(ক) পঞ্চায়ত এলেকাত অৱস্থিত এখন অৰণ্যৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণ যিকোনো গাঁও পঞ্চায়তলৈ হস্তান্তৰ কৰিব পাৰে;

(খ) পঞ্চায়ত এলেকাত অৱস্থিত চৰকাৰৰ পতিত মাটি, চৰণীয়া মাটি বা খালী মাটিৰ পৰিচালনা গাঁও পঞ্চায়তলৈ দিব পাৰে:

(গ) পৰন্তু যেতিয়া দফা (ক) ৰ অধীনত এখন অৰণ্যৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব স্থানান্তৰ হয় চৰকাৰে নিৰ্দেশ দিব যে তেনে পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ বাবে আৱশ্যকীয় কোনো ধনৰ পৰিমাণ বা তেনে অৰণ্যৰ পৰা হোৱা আয়ৰ এক যথোচিত অংশ গাঁও পঞ্চায়তৰ অধীনত অৰ্পণ কৰিব।

(২) চৰকাৰে অধিসূচনাৰ দ্বাৰা এই ধাৰাত নিয়োজিত কোনো কৃত্য সাল-সলনি কৰিব পাৰে।

**গাঁও পঞ্চায়তৰ সাধাৰণ ক্ষমতা**

২১। এখন গাঁও পঞ্চায়তৰ ইয়াত ন্যস্ত, নিয়োজিত বা অৰ্পণ কৰা কৃত্যসমূহৰ নিৰ্বহনৰ বাবে প্ৰয়োজনীয় বা আনুষংগিক সকলো কাম কৰা ক্ষমতা থাকিব আৰু, বিশেষত:, পূৰ্ব্ৱৰ্তী ক্ষমতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এই অধিনিয়মত নিৰ্দ্ধাৰিত সকলো ক্ষমতা প্ৰয়োগ কৰিব।

**স্থায়ী সমিতি**

২২ । (১) প্ৰতিখন গাঁও পঞ্চায়তে গাঁও পঞ্চায়তৰ নিৰ্বাচিত সদস্য সকলৰ মাজৰ পৰা নিৰ্বাচনৰ দ্বাৰা নিম্নলিখিত স্থায়ী সমিটিসমূহ গঠন কৰিব—

(i) কৃষি উৎপাদন, পশু-পালন আৰু গ্ৰামোদ্যোগ আৰু দৰিদ্ৰতা দূৰীকৰণ কাৰ্যক্ৰমত জড়িত কৃত্যসমূহ নিৰ্বহনৰ বাবে উন্নয়ন সমিতি,

(ii) নিম্নলিখিত বিষয়সমূহৰ লগত জড়িত কৃত্যসমূহ সম্পাদনৰ বাবে সামাজিক ন্যায় সমিতি:-

(ক) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অন্য স্বাৰ্থ সমূহৰ উন্নীতকৰণ;

(খ) সামাজিক অন্যায় আৰু সকলো প্ৰকাৰৰ শোষণৰ পৰা তেনে জাতি আৰু শ্ৰেণীক সুৰক্ষা প্ৰদান;

(গ) নাৰী আৰু শিশুৰ কল্যাণ।

(iii) শিক্ষা, জনস্বাস্থ্য, ৰাজহুৱা কাম আৰু গাঁও পঞ্চায়তৰ অন্য কৃত্যৰ ক্ষেত্ৰত কৃত্যসমূহ সম্পাদনৰ বাবে সমাজ কল্যাণ সমিতি।

(২) (ক) সভাপতি বা উপ-সভাপতি গৰাকীক, যথাস্থিতি সামৰি অতি কমেও তিনিজন বা চাৰিজনতকৈ সংখ্যাধিক্য নোহোৱা সদস্যৰে প্ৰত্যেক সমিতি গঠন হ'ব। গাঁও পঞ্চায়তৰ সভাপতি গৰাকী তিনিওখন সমিতিৰে পদেন সদস্য আৰু অধ্যক্ষ হ'ব:

পৰন্তু সামাজিক ন্যায় সমিতিখন এগৰাকী মহিলা সদস্য আৰু এগৰাকী অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ, যথাস্থিতি, সদস্যৰে গঠিত হ'ব।

(খ) গাঁও পঞ্চায়তে, কৃষিভূমি পৰিচালনা সমিতি, মহিলা সমিতি, যুৱক সমিতি আৰু তেনে অন্য চৰকাৰৰ দ্বাৰা স্বীকৃত নিকায়ৰ, প্ৰত্যেক সমিতিৰ লগত সদস্যসকলক সহনিযুক্ত কৰিবৰ বাবে সক্ষম হ'ব। এনে সহনিযুক্তি গাঁও পঞ্চায়তে গৰিষ্ঠ সংখ্যকৰ সমৰ্থিত প্ৰস্তাৱৰ দ্বাৰা নিৰ্ণয় কৰিব।

(গ) পঞ্চায়ত এলেকাৰ সমবায় সমিতিৰ এজন প্ৰতিনিধিয়ে উন্নয়ন সমিতিৰ লগত সহনিযুক্ত কৰিব:

পৰন্তু সহনিযুক্ত সদস্যসকলৰ পৰ্য্যালোচনাত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব কিন্তু ভোটদানৰ অধিকাৰ নাথাকিব।

(৩) স্থায়ী সমিতিসমূহে, গাঁও পঞ্চায়তে তেওঁলোকৰ ওপৰত অৰ্পণ কৰা ক্ষমতাৰ পৰিসৰ পৰ্য্যন্ত ওপৰত উল্লেখিত কৃত্যসমূহ সম্পাদন কৰিব।

**গাঁও পঞ্চায়তৰ সম্পত্তি আৰু পুঁজি**

২৩। (১) এখন গাঁও পঞ্চায়তৰ সম্পত্তি অৰ্জন, ধাৰণ আৰু হস্তান্তৰকৰণৰ আৰু চুক্তি কৰাৰ ক্ষমতা থাকিব :

পৰন্তু গাঁও পঞ্চায়তৰ দ্বাৰা স্থাৱৰ সম্পত্তিৰ অৰ্জন আৰু হস্তান্তৰকৰণৰ সকলো বিষয়তে ই চৰকাৰৰ অনুমোদন ল'ব লাগিব।

(২) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰ বা এক স্থানীয় প্ৰাধিকাৰী বা অন্য কোনো গাঁও পঞ্চায়তে ৰক্ষণাবেক্ষণ দিয়া সম্পত্তিৰ বাহিৰে, ইয়াৰ পিছত এই ধাৰাত নিৰ্দিষ্ট কৰা ধৰণৰ, গাঁও পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ স্থানীয় সীমাৰ অন্তৰ্ভুক্ত সকলো সম্পত্তি, গাঁও পঞ্চায়তৰ অধীন আৰু অংশ হ'ব, আৰু যি প্ৰকৃতি বা প্ৰকাৰৰ নহওক কিয় অন্য সকলো সম্পত্তিৰ সৈতে গাঁও পঞ্চায়তৰ অধীনত ন্যস্ত হ'ব পাৰে আৰু ইয়াৰ নিৰ্দেশনা, পৰিচালনা আৰু নিয়ন্ত্ৰণ গাঁও পঞ্চায়তৰ অধীনত হ'ব, যেনে--

(ক) সকলো ৰাজহুৱা সম্পত্তি ;

(খ) মাটি, শিল আৰু ইয়াৰ অন্য পদাৰ্থকে সামৰি সকলো ৰাজহুৱা পথ আৰু সকলো নলা, দলং, পুল, বৃক্ষ, নিৰ্মাণ, ব্যৱহৃত সামগ্ৰী আৰু তেনে পথসমূহৰ বাবে যোগান ধৰা অন্য সামগ্ৰী ;

(গ) গাঁও পঞ্চায়তৰ খৰচত বা অন্য ধৰণেৰে বনোৱা, স্থাপন কৰা বা নিৰ্মাণ কৰা যি নহওক সকলো ৰাজহুৱা নলা, জলমাৰ্গ, নিজৰা, জলাশয়, ঘাট, জলাধাৰ, নাদ, নল, নিষ্কাশক আৰু অন্য পানীৰ কাম আৰু ইয়াৰ লগত সম্পৰ্কীয় আৰু জড়িত সকলো দলং, ঘৰ, ইঞ্জিন, কাম, পদাৰ্থ আৰু কোনো ৰাজহুৱা জলাশয়ৰ লগত জড়িত কোনো নিকটৱৰ্তী ভূমি (যি ব্যক্তিগত সম্পত্তি নহয়) :

পৰন্তু পানীৰ নল আৰু ইয়াৰ সৈতে জড়িত বা সম্পৰ্কীয় পানীৰ কামসমূহ যিবোৰ গাঁও পঞ্চায়তৰ সন্মতি লৈ কোনো কল, কলঘৰ, কাৰখানাৰ মালিকে বা তেনে অন্য কোনোৱে, মূলত: তেওঁলোকৰ কৰ্মচাৰীৰ ব্যৱহাৰৰ বাবে কোনো পথত স্থাপন কৰে বা পাতে সেইবোৰ ৰাইজৰ দ্বাৰা ব্যৱহৃত হোৱাৰ কাৰণত ৰাজহুৱা পানীৰ কাম বুলি গণ্য কৰা নহ'ব।

(ঘ) পথত জমা কৰা বা গাঁও পঞ্চায়তে পথ, শৌচাগাৰ, প্ৰস্বাৱ গৃহ, নলা বা অন্য ঠাইৰ পৰা সংগ্ৰহ কৰা সকলো পূতিজল, জাৱৰ আৰু অপ্ৰীতিকৰ বস্তু ;

(ঙ) সকলো ৰাজহুৱা বিজুলী চাকি, বিজুলীৰ খুঁটা আৰু ইয়াৰ সৈতে জড়িত বা সম্পৰ্কীয় সা-সৰঞ্জাম ; আৰু

(চ) গাঁও পঞ্চায়তৰ দ্বাৰা নিৰ্মিত সকলো ঘৰ আৰু কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে গাঁও পঞ্চায়তক হস্তান্তৰ কৰা বা দান, ক্ৰয় অথবা অন্য ধৰণেৰে স্থানীয় ৰাজহুৱা উদ্দেশ্যৰ বাবে অৰ্জন কৰা সকলো মাটি আৰু ঘৰ বা সম্পত্তি।

(৩) ৰাজ্য চৰকাৰে, কোনো পথ, দলং বা নলা এই অধিনিয়ম অথবা এই অধিনিয়মৰ কোনো নিৰ্দিষ্ট ধাৰাৰ কাৰ্যকৰণৰ পৰা বাদ দিব পাৰে :

পৰন্তু অন্য এজেঞ্চি/চৰকাৰে তেনে বস্তুবোৰৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ গাঁও পঞ্চায়তৰ পুঁজিৰ বাদে অন্য পুঁজিৰ পৰা কৰে।

উপৰন্তু এখন বৈঠকত গাঁও পঞ্চায়তৰ মতামতৰ বিবেচনাৰ ব্যতিৰেকে যদি নিৰ্মাণ কাৰ্যৰ খৰচ গাঁও পঞ্চায়তৰ পুঁজিৰ পৰা কৰা হয়, তেনে কাম এই অধিনিয়ম বা এই অধিনিয়মৰ কোনো নিৰ্দিষ্ট ধাৰাৰ কাৰ্যকৰণৰ পৰা বাদ দিব নোৱাৰিব।

(৪) চৰকাৰে ইয়াৰ স্থানীয় ক্ষেত্ৰাধিকাৰৰ ভিতৰত অৱস্থিত কোনো ৰাজহুৱা সম্পত্তি এখন গাঁও পঞ্চায়তলৈ আবণ্টন দিব পাৰে, আৰু তাৰ পাছত এনে সম্পত্তি গাঁও পঞ্চায়তৰ ওপৰত ন্যস্ত হ'ব আৰু ইয়াৰ নিয়ন্ত্ৰাধীন হ'ব।

**গাঁও পঞ্চায়তৰ পুঁজি**

২৪। (১) প্ৰতিখন গাঁও পঞ্চায়তৰ বাবে গাঁও পঞ্চায়তৰ নামেৰে গাঁও পঞ্চায়ত পুঁজি গঠন হ'ব লাগিব আৰু ইয়াত সঞ্চিত ৰাখিব লাগিব:-

(ক) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে আগবঢ়োৱা, কোনো, বৰঙণি আৰু অনুদান;

(খ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত বা অন্য কোনো স্থানীয় প্ৰাধিকাৰীয়ে আগবঢ়োৱা, কোনো বৰঙণি আৰু অনুদান;

(গ) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে মঞ্জুৰ কৰা কোনো ঋণ ;

(ঘ) ই আৰোপ কৰা কৰ, নিৰিখ আৰু মাছুলৰ সকলো ৰচিদ;

(ঙ) গাঁও পঞ্চায়তৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ অধীনত থকা বা নিৰ্মাণৰ দ্বাৰা হোৱা কোনো বিদ্যালয়, চিকিৎসালয়, ডাক্তৰখানা, ঘৰ, অনুষ্ঠান বা ন্যস্ত কৰা কামসমূহৰ সকলো ৰচিদ।

(চ) গাঁও পঞ্চায়তৰ সপক্ষে হোৱা কোনো ন্যাস বা স্থায়ী নিধিৰপৰা হোৱা সকলো আয় আৰু উপহাৰ বা বৰঙণি হিচাপে পোৱা সমুদায় ধন;

(ছ) এই অধিনিয়মৰ যথাবিহিত উপবন্ধসমূহৰ অধীনত ধাৰ্য্য বা সিদ্ধ হোৱা জৰিমনা আৰু অৰ্থদণ্ড ;

(জ) গাঁও পঞ্চায়তে বা অন্য গাঁও পঞ্চায়তৰ হকে গ্ৰহণ কৰা অন্য সমুদায় ধন।

(২) মজুৰি দিয়া আৰু আচবাব আৰু কাৰ্য্যালয়ৰ অন্য সামগ্ৰী আৰু লিখন সামগ্ৰীৰ ক্ৰয় আৰু বিদ্যুৎ, ডাক আৰু দূৰলিখন, পি. অ'. এল. ইত্যাদিৰ খৰচ পূৰাবলৈ আৰু অন্য আনুষংগিক খৰচকে সামৰি ইয়াৰ নিজৰ প্ৰশাসনীয় খৰচ পূৰাবৰ বাবে প্ৰয়োজনীয় তেনে পৰিমাণৰ ধন

প্ৰতিখন গাঁও পঞ্চায়তে আছুতীয়াকৈ ৰাখিব আৰু বাৰ্ষিক ভাৱে খৰচ কৰিব;

পৰন্তু এবছৰত সংস্থাপনৰ মুঠ ব্যয় গাঁও পঞ্চায়তৰ মুঠ ব্যয়ৰ এক –তৃতীয়াংশতকৈ অধিক হ'ব নোৱাৰিব।

(৩) প্ৰতিখন গাঁও পঞ্চায়তে এই অধিনিয়মৰ উদ্দেশ্য সাধনাৰ্থে উচিত বুলি বিবেচিত পৰিমাণৰ ধন ব্যয় কৰাৰ ক্ষমতা থাকিব ;

(৪) গাঁও পঞ্চায়তৰ পুঁজি গাঁও পঞ্চায়তক ন্যস্ত কৰা হ'ব আৰু পুজিত সঞ্চিত উদ্বৃত ধন গাঁও পঞ্চায়তৰ সচিব গৰাকীৰ অভিৰক্ষাত থাকিব।

**কৰাৰোপণ**

২৫। (১) ইয়াৰ হকে প্ৰস্তুত কৰা নিয়মাৱলীৰ সাপেক্ষে, এখন গাঁও পঞ্চায়তে বছৰি আৰোপ কৰিব :-

(ক) স্থানীয় সীমাৰ অন্তৰ্গত ঘৰ আৰু গাঁঠনিৰ ওপৰত কৰ;

(খ) ইয়াৰ ক্ষেত্ৰাধিকাৰৰ স্থানীয় সীমাৰ ভিতৰত চলা বা ধাৰণ কৰা বেপাৰ আৰু বৃত্তিৰ ওপৰত, এনে বেপাৰ বা বৃত্তিৰ পৰা হোৱা মুঠ বাৰ্ষিক আয়ৰ ওপৰত ভিত্তি কৰি হোৱা কৰ।

(২) ইয়াৰ হকে প্ৰস্তুত কৰা এনে নিয়মাৱলীৰ সাপেক্ষে, এখন গাঁও পঞ্চায়তে উদ্গ্ৰহণ কৰিব,

(ক) কোনো মনোৰঞ্জনৰ প্ৰৱেশৰ বাবে হোৱা সকলো আদায়ৰ ওপৰত অতিৰিক্ত মুদ্ৰাংক শুল্কৰ ৰূপত এক শুল্ক ;

(খ) চৰকাৰে নিৰ্দিষ্ট কৰা ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত কৰ্মশালা বা তীৰ্থপৰ্যটন, হাট আৰু মেলাৰ এনে ঠাই সমূহত অনাময় ব্যৱস্থাৰ বাবে, এক মাচুল;

(গ) গাঁও পঞ্চায়তৰ দ্বাৰা ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত খোৱা পানী, জলসিঞ্চন বা অন্য কোনো উদ্দেশ্যে পানী যোগানৰ ব্যৱস্থা কৰাৰ বাবে, এক পানীৰ নিৰিখ;

(ঘ) গাঁও পঞ্চায়তৰ দ্বাৰা ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত ৰাজহুৱা ৰাস্তা আৰু ঠাইসমূহত পোহৰৰ ব্যৱস্থা কৰাৰ বাবে, এক পোহৰৰ নিৰিখ;

(ঙ) গাঁও পঞ্চায়তৰ দ্বাৰা ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত ব্যক্তিগত শৌচাগাৰ, প্ৰস্ৰাৱগাৰৰ পৰিষ্কাৰকৰণৰ ব্যৱস্থাৰ বাবে, এক চাফাই নিৰিখ।

(৩) এই সম্পৰ্কে ৰচনা কৰা নিয়মাৱলীৰ আৰু উপবিধিৰ সাপেক্ষে, এখন গাঁও পঞ্চায়তে নিম্নলিখিত বিষয়সমূহৰ ওপৰত কৰ আৰোপ কৰিব পাৰে :-

(ক) খৰি আৰু উলু খেৰ, সংৰক্ষিত অঞ্চল আৰু কচাই খানাৰ বিক্ৰী;

(খ) ব্যক্তিগত হাট আৰু ব্যক্তিগত মীনমহল ;

(গ) দোকান, ঔষধালয়, চিলাইৰ দোকান, কাপোৰ ধোৱা দোকান, চুলিকটা প্ৰতিষ্ঠান, কাঠ মিস্ত্ৰিৰ কাম আৰু মটৰ গাড়ীৰ কাৰখানা, টি.ভি., ভি.চি.আৰ., ৰেডিঅ আৰু টেপৰেকৰ্ডাৰ মেৰামতি দোকান;

(ঘ) একেৰাহে দুটা বছৰ পতিত হৈ থকা ৰূপিত মাটি, য'ত মালিকৰ দ্বাৰা যৌথভাৱে বা পৃথক পৃথককৈ দিবলগীয়া হাৰ প্ৰতিবছৰত প্ৰতি বিঘাত পঁচিশ পইচাতকৈ অতিৰিক্ত নহয়।

(ঙ) উপকৰ বা মাচুল-

(i) স্থানীয় এলেকাৰ ভিতৰত বিক্ৰী হোৱা পশুৰ পঞ্জীয়নত;

(ii) চাহ দোকান, হোটেল, মিঠাই, মাংসৰ দোকান, ৰেস্তোঁৰা খুলিবৰ বাবে লগা অনুজ্ঞাপত্ৰত;

(iii) গাড়ী, বাহন, চাইকেল, নাও আৰু যিকোনো প্ৰকাৰৰ ৰিক্সাত;

(৪) এই কৰসমূহ, যথাবিহিত প্ৰকাৰে আৰু যথাবিহিত সময়ত আৰোপ, নিৰ্দ্ধাৰণ আৰু সিদ্ধ কৰিব।

(৫) কোনো ব্যক্তিয়ে কৰ বা মাচুলৰ নিৰ্দ্ধাৰণ, উদ্‌গ্ৰহণ বা আৰোপণত ক্ষুণ্ণ হ'লে আঞ্চলিক পঞ্চায়তত আপীল কৰিব পাৰে। আঞ্চলিক পঞ্চায়তৰ আদেশত ক্ষুণ্ণ হোৱা কোনো ব্যক্তিয়ে, জিলা পৰিষদত আপীল কৰিব পাৰে, যাৰ সিদ্ধান্ত এই ক্ষেত্ৰত চূড়ান্ত হ'ব।

(৬) ৰাজ্য চৰকাৰে, যিকোনো সময়ত কোনো কৰ বা মাচুলৰ উদ্‌গ্ৰহণ বা আৰোপণ স্থগিত কৰিব পাৰে আৰু এনে আৰোপণ জিলা পৰিষদৰ পৰামৰ্শমৰ্মে বাতিল কৰিব পাৰে।

(৭) গাঁও পঞ্চায়তৰ দ্বাৰা এই সম্পৰ্কে প্ৰস্তুত কৰা নিয়মাৱলীৰ সাপেক্ষে, এখন গাঁও পঞ্চায়তে নিৰ্দিষ্ট বেপাৰ আৰু বাণিজ্যৰ ওপৰত সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ অনুমোদন মৰ্মে এই নিৰ্দিষ্ট বেপাৰ আৰু বাণিজ্যৰ উন্নয়নৰ বাবে লগা সা-সুবিধাৰ উন্নতিৰ অৰ্থে সংগ্ৰহীত পুঁজিৰ ব্যৱহাৰৰ উদ্দেশ্যে কৰ উদ্‌গ্ৰহণ কৰিব পাৰে।

**গাঁও পঞ্চায়তলৈ বিত্তীয় সাহাৰ্য্য**

২৬। এই ধাৰাৰ উপবন্ধৰ সাপেক্ষে, প্ৰতিখন গাঁও পঞ্চায়তে এই অধিনিয়মৰ ধাৰা ১১৩ ৰ অধীনত গঠন হোৱা ৰাজ্যিক বিত্ত আয়োগৰ দ্বাৰা চুপাৰিছ কৰা ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা বিহিত কৰা ভূমি ৰাজহ আৰু স্থানীয় কৰ/সহায়ক অনুদানৰ অংশ গ্ৰহণ কৰিবলৈ যোগ্য হ'ব।

২৭। (১) প্ৰতিখন গাঁও পঞ্চায়তে, যথাবিহিত সময়ত আৰু ধৰণেৰে, প্ৰত্যেক বছৰত পৰৱৰ্তী বছৰৰ বাবে ইয়াৰ আনুমানিক প্ৰাপ্তি আৰু ব্যয়ৰ এখন বাজেট প্ৰস্তুত কৰিব আৰু গাঁও পঞ্চায়তৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা, আঞ্চলিক পঞ্চায়তত বাজেটখন দাখিল কৰিব।

(২) আঞ্চলিক পঞ্চায়তে যথা সময়ৰ ভিতৰত যথাবিহিত ভাৱে, হয় বাজেট খন অনুমোদন কৰিব অথবা ই নিৰ্দেশ দিয়া পৰিৱৰ্তনৰ বাবে গাঁও পঞ্চায়তলৈ ঘূৰাই পঠাব পাৰে। এনেদৰে পৰিৱৰ্তন কৰা বাজেটখন যথাবিহিত ভাৱে আঞ্চলিক পঞ্চায়তৰ অনুমোদনৰ বাবে যথা সময়ৰ ভিতৰত পুন: দাখিল কৰিব।

(৩) আঞ্চলিক পঞ্চায়তৰ দ্বাৰা বাজেটখন অনুমোদন নহ'লে কোনো ব্যয় বহন কৰা নহ'ব। যদি আঞ্চলিক পঞ্চায়তে এই উদ্দেশ্যৰ বাবে বিহিত কৰা সময়ৰ ভিতৰত ইয়াৰ অনুমোদন দিবলৈ ব্যৰ্থ হয়, বাজেট খন আঞ্চলিক পঞ্চায়তৰ দ্বাৰা অনুমোদন হোৱা বুলি গণ্য কৰিব লাগিব।

**গাঁওপঞ্চায়তৰ হিচাব-নিকাচ**

২৮। (১) প্ৰতিখন গাঁও পঞ্চায়তৰ আয় আৰু ব্যয়ৰ হিচাব যথাবিহিত পদ্ধতি আৰু ধৰণেৰে ৰাখিব লাগিব আৰু গাঁও পঞ্চায়তৰ সচিব গৰাকী পঞ্চায়তৰ হিচাব নিয়াৰিকৈ ৰখাৰ বাবে দায়বদ্ধ হ'ব।

(২) গাঁও পঞ্চায়তৰ সচিব গৰাকীয়ে গাঁও পঞ্চায়তৰ সভাপতি গৰাকীৰ অনুমোদন অবিহনে কোনো ব্যয় কৰিব নোৱাৰিব।

**হিচাব পৰীক্ষা**

২৯। (১) গাঁও পঞ্চায়তৰ হিচাব পৰীক্ষা চৰকাৰে যথাবিহিত কৰা প্ৰাধিকাৰীৰ দ্বাৰা সম্পন্ন হ'ব আৰু হিচাব পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰতিলিপি এখন হিচাব পৰীক্ষা সম্পূৰ্ণ হোৱাৰ এমাহৰ ভিতৰত গাঁও পঞ্চায়তলৈ প্ৰেৰণ কৰিব।

(২) উপ-ধাৰা (১) ত উল্লেখিত হিচাপ পৰীক্ষা প্ৰতিবেদনৰ প্ৰাপ্তিত, গাঁও পঞ্চায়তে হিচাপ পৰীক্ষাত আঙুলিয়াই দিয়া ত্ৰুটি বা অনিয়ম বোৰ হয় প্ৰতিকাৰ কৰিব আৰু তিনিমাহৰ ভিতৰত আঞ্চলিক পঞ্চায়ত আৰু অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ, সঞ্চালক গৰাকীলৈ প্ৰেৰণ কৰিব, উল্লেখিত নিৰ্দিষ্ট সময়ৰ ভিতৰত, এনেদৰে হৈ যোৱা প্ৰতিকাৰৰ বিদিতকৰণ অথবা, এনে ত্ৰুটিৰ বা অনিয়ম সম্বন্ধত, আঞ্চলিক পঞ্চায়ত আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালক গৰাকীক কোনো ওপৰঞ্চি কৈফিয়ৎ ইচ্ছা কৰিলে যোগান ধৰিব পাৰে।

**গাঁও পঞ্চায়তৰ কৰ্মচাৰীবৰ্গ**

৩০। (১) প্ৰতিখন গাঁও পঞ্চায়তত চৰকাৰৰ দ্বাৰা যথাবিহিত এজন সচিব, আৰু অন্য কৰ্মচাৰীবৰ্গ থাকিব যি ধাৰা ১৪০ (১) ৰ উপবন্ধ মতে নিযুক্ত হ'ব আৰু/বা চৰকাৰৰ দ্বাৰা প্ৰতিনিযুক্ত হ'ব। প্ৰাদেশীক কৰ্মচাৰীসকলৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালকগৰাকী নিয়োগ প্ৰাধিকাৰী হ'ব।

(২) সচিব গৰাকী গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া হ'ব আৰু এই অধিনিয়মৰ অধীনত, কোনো নিয়মাৱলী বা তাৰ অধীনত প্ৰণীত উপবিধিৰ দ্বাৰা তেওঁক ন্যস্ত আৰু অৰ্পণ কৰা সকলো ক্ষমতা আৰু কৰ্তব্য , প্ৰয়োগ আৰু সম্পাদন কৰিব।

(৩) গাঁও পঞ্চায়তৰ কৰ্মচাৰীসকলৰ দৰমহা আদি, ৰাজ্য চৰকাৰে যথাবিহিত কৰা ধৰণে দিব।

(৪) গাঁও পঞ্চায়তে কোনো ব্যক্তিক গাঁও পঞ্চায়তৰ কোনো পদত নিযুক্ত বা জড়িত কৰিব নোৱাৰিব।

(৫) নিয়মানুৱৰ্তিতা আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত, সচিব গৰাকীয়ে গাঁও পঞ্চায়তৰ সভাপতি গৰাকীৰ নিয়ন্ত্ৰণত সকলো বিষয়তে কাৰ্যনিৰ্বাহ কৰিব যাৰ জৰিয়তে তেখেত গাঁও পঞ্চায়তৰ ওচৰত দায়বদ্ধ হ'ব।

## অধ্যায় - ৫

### আঞ্চলিক পঞ্চায়ত স্থাপন আৰু গঠন

**আঞ্চলিক পঞ্চায়তৰ স্থাপন আৰু আঞ্চলিক পঞ্চায়ত এলেকা**

৩১। (১) এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে প্ৰত্যেক উন্নয়ন খণ্ডৰ বাবে সম্পূৰ্ণ উন্নয়ন খণ্ডৰ ক্ষেত্ৰাধিকাৰৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা এখন আঞ্চলিক পঞ্চায়ত থাকিব, খণ্ডৰ তেনে অংশক বাদ দি যি নগৰ সমিতিৰ অন্তৰ্ভুক্ত হয় আৰু যিবোৰ পৌৰ সভাৰ অন্তৰ্গত/অথবা পৌৰনিগম প্ৰাধিকাৰীৰ অধীন, এখন অন্নাময় বৰ্ড বা সেনানিবাস এলেকা অথবা তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত গঠিত এক অধিসূচিত এলেকা :

পৰন্তু সংলগ্ন নোহোৱা কিম্বা উমৈহতীয়া সীমা নথকা আৰু এক এলেকাৰ জৰিয়তে পৃথক হোৱা এনে গাঁও সমূহকলৈ এটা খণ্ড গঠিত হ'ব পাৰে, যি এলেকালৈ এই অধিনিয়ম বিস্তাৰিত নহয় বা য'ত এই অধিনিয়মৰ অৱশিষ্ট ধাৰাসমূহ বলবৎ হোৱা নাই।

(২) প্ৰতিখন আঞ্চলিক পঞ্চায়ত, শ্বাশ্বত উত্তৰাধিকাৰ আৰু এটা উমৈহতীয়া মোহৰ থকা আঞ্চলিক পঞ্চায়ত নামেৰে এক নিগম নিকায় হ'ব আৰু এই অথবা অন্য কোনো অধিনিয়মৰ অধীনত আৰোপ কৰা বাধা সাপেক্ষে, ইয়াৰ নিগম নিকায়ৰ নামত মামলা দায়েৰ কৰিব অথবা আইনত: প্ৰতিকাৰৰ ব্যৱস্থা কৰিব, ইয়াৰ প্ৰাধিকাৰ থকা এলেকাৰ পৰিসীমাৰ বাহিৰতে বা ভিতৰতে হওঁক, স্থাৱৰ বা অস্থাৱৰ সম্পত্তি আহৰণ, ধাৰণ আৰু হস্তান্তৰ কৰা, চুক্তি কৰাৰ সামৰ্থ্য থাকিব কিম্বা ইয়াক গঠন কৰাৰ উদ্দেশ্যৰ বাবে প্ৰয়োজনীয়, উপযুক্ত আৰু কালোচিত সকলো কাম কৰিব।

**আঞ্চলিক পঞ্চায়তৰ গঠন**

৩২। (১) প্ৰতিখন আঞ্চলিক পঞ্চায়ত নিম্ন লিখিত ধৰণেৰে গঠিত হ'ব :-

(ক) আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ অধীনৰ গাঁও পঞ্চায়ত সমূহৰ ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত প্ৰত্যেক গাঁও পঞ্চায়তৰ পৰা এজন সদস্য।

(খ) আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহৰ সভাপতিসকল।

(গ) আঞ্চলিক পঞ্চায়তখনৰ, সম্পূৰ্ণ অথবা আংশিকভাৱে অন্তৰ্ভুক্ত নিৰ্বাচন সমষ্টিসমূহ প্ৰতিনিধিত্ব কৰা লোকসভাৰ সদস্য আৰু ৰাজ্যৰ বিধানসভাৰ সদস্যসকল ।

(২) আঞ্চলিক পঞ্চায়তৰ বৈঠকত প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে বাচনি কৰা হওঁক বা নহওঁক প্ৰতিজন সদস্যৰে ভোটাধিকাৰ থাকিব।

**সদস্য সকলৰ নিৰ্বাচন**

৩৩। (১) আঞ্চলিক পঞ্চায়তলৈ এজন সদস্যৰ প্ৰত্যক্ষ নিৰ্বাচনৰ বাবে এখন গাঁও পঞ্চায়তৰ এলেকাৰে এটা নিৰ্বাচন সমষ্টি গঠন হ'ব।

(২) উপ-ধাৰা (১) ৰ অধীনত প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যৰ আসনৰ আবণ্টন সমগ্ৰ ৰাজ্যতে সৰ্বব্যাপী একে হ'ব।

**আসনৰ সংৰক্ষণ**

৩৪। (১) আঞ্চলিক পঞ্চায়ত এখনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষিত থাকিব; আৰু সেইদৰে সংৰক্ষিত আসনৰ সংখ্যা সেই আঞ্চলিক পঞ্চায়ত এলেকাৰ মুঠ জনসংখ্যাৰ সৈতে আঞ্চলিক পঞ্চায়ত খনৰ এলেকাৰ অনুসূচীত জাতিৰ জনসংখ্যাৰ যি অনুপাত অথবা সেই এলেকাৰ মুঠ জনসংখ্যাৰ সৈতে এলেকাটোৰ অনুসূচীত জনজাতিৰ জনসংখ্যাৰ যি অনুপাত, ঠিক সেই একে অনুপাতত সেই গাঁও পঞ্চায়ত এলেকাত প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে পূৰণ কৰিব লগীয়া আসনৰ মুঠ সংখ্যাৰ যথাসম্ভৱ নিকটতম আসন গাঁও পঞ্চায়ত খনৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকৰ বাবে

সংৰক্ষণ কৰা হ'ব আৰু তেনে আসনসমূহ আৱৰ্তনৰ দ্বাৰা গাঁও পঞ্চায়তৰ বিভিন্ন নিৰ্বাচন সমষ্টি সমূহত বিহিত পদ্ধতিৰে আবণ্টন দিয়া হ'ব।

(২) উপ-ধাৰা (১) ৰ অধীনত সংৰক্ষিত আসনৰ মুঠ সংখ্যাৰ [১][পঞ্চাশ শতাংশ] অনুসূচীত জাতি যথাস্থিতি অনুসূচীত জনজাতিৰ মহিলাসকলৰ বাবে সংৰক্ষিত থাকিব।

(৩) প্ৰতিখন আঞ্চলিক পঞ্চায়তত প্ৰত্যক্ষ নিৰ্বাচনৰ জড়িয়তে পূৰ্ণ কৰিব লগীয়া আসনৰ মুঠ সংখ্যাৰ [২][পঞ্চাশ শতাংশ], (অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাসকলৰ বাবে সংৰক্ষিত আসনৰ সংখ্যাক সামৰি) মহিলাৰ বাবে সংৰক্ষিত থাকিব আৰু সেইদৰে বিহিত পদ্ধতিৰে, এখন আঞ্চলিক পঞ্চায়তৰ বিভিন্ন ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিসমূহলৈ আৱৰ্তনৰ দ্বাৰা তেনে সংখ্যক আসন আবণ্টন দিব পাৰিব।

**আঞ্চলিক পঞ্চায়তৰ কালাৱধি**

৩৫। এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰতিখন আঞ্চলিক পঞ্চায়ত, ইয়াৰ প্ৰথম বৈঠকৰ বাবে নিৰ্দ্ধাৰিত তাৰিখৰ পৰা পাঁচ বছৰ অৱধিৰ বাবে চলি থাকিব।

**আঞ্চলিক পঞ্চায়তৰ নিৰ্বাচন প্ৰক্ৰিয়া**

৩৬। (১) এখন আঞ্চলিক পঞ্চায়ত গঠন কৰিবলৈ নিৰ্বাচন সম্পূৰ্ণ হ'ব-

(ক) ধাৰা ৩৫ ত নিৰ্দিষ্ট কৰা ইয়াৰ কালাৱধি উকলি যোৱাৰ পূৰ্বে;

(খ) ভংগ কৰাৰ ক্ষেত্ৰত, ইয়াক ভংগ কৰাৰ তাৰিখৰ পৰা ছয় মাহ কাল উকলি যোৱাৰ পূৰ্বে:

পৰন্তু য'ত ভংগ কৰি দিয়া আঞ্চলিক পঞ্চায়তখন নিৰ্দ্ধাৰিত সময়ৰ ছয়মাহৰ কম সময়ৰ বাবেহে বাহাল থাকিলেহেতেঁন, এই দফাৰ অধীনত সেই সময়ৰ বাবে আঞ্চলিক পঞ্চায়ত গঠন কৰিবলৈ কোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নাই।

(২) ইয়াৰ কালাৱধি উকলি যোৱাৰ পূৰ্বে ইয়াক ভংগ কৰি দিয়াত গঠিত আঞ্চলিক পঞ্চায়তখন মাত্ৰ অৱশিষ্ট সময়ৰ বাবেহে বাহাল থাকিব যিটো সময়ৰ বাবে ইয়াক ভংগ নকৰিলে ভংগ কৰি দিয়া আঞ্চলিক পঞ্চায়তখন ধাৰা (৩৫) ৰ অধীনত বাহাল থাকিলহেঁতেন।

---

১। ২০১১ চনৰ ৭নং অসম অধিনিয়মৰ দ্বাৰা "কমেও এক তৃতীয়াংশ" ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।
২।২০১১ চনৰ ৭নং অসম অধিনিয়মৰ দ্বাৰা "কমেও এক তৃতীয়াংশ" ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

**আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন**

৩৭। (১) জিলাখনৰ উপায়ুক্ত গৰাকীয়ে বিহিত ধৰণেৰে আহ্বান আৰু সভাপতিত্ব কৰা এখন বৈঠকত (যিখনক আঞ্চলিক পঞ্চায়তৰ প্ৰথম বৈঠক বুলি কোৱা হ'ব) আঞ্চলিক পঞ্চায়তৰ প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যসকলে সদস্যসকলৰ মাজৰ পৰা দুগৰাকী সদস্য আঞ্চলিক পঞ্চায়তখনৰ যথাক্ৰমে সভাপতি আৰু উপ-সভাপতি হিচাপে নিৰ্বাচন কৰিব। প্ৰথম শ্ৰেণীৰ ৰাজপত্ৰিত বিষয়াৰ পদমৰ্যাদাতকৈ তলৰ নোহোৱা কোনো বিষয়াক উপায়ুক্তগৰাকীয়ে তেনে বৈঠকত সভাপতিত্ব কৰাৰ ক্ষমতা আৰোপ কৰিব পাৰে।

(২) যদি সভাপতি অথবা উপ-সভাপতি পদৰ নৈমিত্তিক পদৰিক্ততা সৃষ্টি হয়, ইয়াৰ পিছত উল্লেখ কৰাৰ দৰে, সদস্যসকলে সদস্যসকলৰ মাজৰ পৰা অন্য সদস্য সভাপতি অথবা উপ-সভাপতি হিচাপে, যথাস্থিতি, বিহিত ধৰণে নিৰ্বাচন কৰিব:

পৰন্তু যদি পদৰিক্ততা এমাহতকৈ কম সময়ৰ বাবে হয় কোনো নিৰ্বাচন অনুষ্ঠিত কৰা নহ'ব।

**আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি পদৰ বাবে সংৰক্ষণ**

৩৮। (১) চৰকাৰে বিহিত ধৰণেৰে আসন সংৰক্ষণ কৰিব, -

(ক) জিলাখনত আঞ্চলিক পঞ্চায়ত সমূহৰ তেনে সংখ্যক সভাপতিৰ পদ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আৰু তেনে সংখ্যক পদে জিলাখনৰ মুঠ পদৰ যথাসম্ভৱ নিকটতম একে অনুপাত বহন কৰিব যি জিলাখনত অনুসূচীত জাতি অথবা অনুসূচীত জনজাতিয়ে জিলাখনৰ মুঠ জনসংখ্যাৰ লগত বহন কৰে;

(খ) জিলাখনত আঞ্চলিক পঞ্চায়ত সমূহৰ সভাপতি আৰু উপ-সভাপতি প্ৰত্যেকৰে মুঠ পদৰ সংখ্যাৰ [১] [পঞ্চাশ শতাংশ] অনুসূচীত জাতি, অনুসূচীত জনজাতি [২][আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে];

পৰন্তু বিভিন্ন আঞ্চলিক পঞ্চায়ত সমূহত এই উপ-ধাৰাৰ অধীনত পদসমূহ আৱৰ্তনৰ দ্বাৰা সংৰক্ষিত হ'ব:

উপৰন্তু এই উপ-ধাৰাৰ অধীনত পদসমূহৰ সংৰক্ষণৰ উদ্দেশ্যে আবৰ্তনৰ নীতি এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পিছত পাতিব লগীয়া প্ৰথমটো নিৰ্বাচনৰ পৰা আৰম্ভ হ'ব।

(২) এই অধিনিয়মৰ অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি গৰাকীয়ে আঞ্চলিক পঞ্চায়তৰ সদস্যসকলৰ দৰে কালাৱধিৰ বাবে পদ ধাৰণ কৰিব।

**আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি আৰু অন্য সদস্যসকলৰ ভাট্টা**

৩৯। (১) আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি আৰু সদস্যসকলৰ ভাট্টা যথাবিহিত হ'ব।

(২) সভাপতি আৰু উপ-সভাপতিৰ বাহিৰে আঞ্চলিক পঞ্চায়তৰ প্ৰতিজন সদস্যই যথাবিহিত বৈঠক ভাট্টা পোৱাৰ অধিকাৰী হ'ব।

---

১। ২০১১ চনৰ ৭নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। ২০১১ চনৰ ৭নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**আঞ্চলিক পঞ্চায়তৰ সভাপতিৰ ক্ষমতা, কৃত্য আৰু কৰ্তব্যসমূহ**

৪০। সভাপতিগৰাকীয়ে,

(ক) আঞ্চলিক পঞ্চায়তৰ বৈঠক আহ্বান, সভাপতিত্ব আৰু পৰিচালনা কৰিব;

(খ) এই অধিনিয়মৰ, আৰু ইয়াৰ অধীনত গঠিত নিয়মাৱলীৰ অধীনত তেওঁৰ ওপৰত আৰোপ কৰা সকলো কৰ্তব্য নিৰ্বহণ আৰু অৰ্পণ কৰা সকলো ক্ষমতা প্ৰয়োগ কৰিব আৰু চৰকাৰে সময়ে সময়ে তেওঁৰ ওপৰত ন্যস্ত কৰা কৃত্যসমূহ সম্পাদন কৰিব;

(গ) এই অধিনিয়ম, অথবা এই অধিনিয়মৰ অধীনত জাৰি কৰা কোনো সাধাৰণ বা বিশেষ নিৰ্দেশনাৰ উপবন্ধাৱলীৰ লগত অসংগত নোহোৱা আঞ্চলিক পঞ্চায়ত অথবা স্থায়ী সমিতি সমূহৰ প্ৰস্তাৱ বা সিদ্ধান্ত সমূহৰ ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে কাৰ্য্যবাহী বিষয়াক তদাৰক কৰিব;

(ঘ) আঞ্চলিক পঞ্চায়তৰ বিত্তীয় আৰু কাৰ্য্যবাহী প্ৰশাসনৰ সমূদায় তদাৰক কৰিব আৰু ইয়াৰ লগত জড়িত সকলো প্ৰশ্ন য'ত তেওঁৰ আদেশৰ প্ৰয়োজনীয়তা অনুভৱ হয় আঞ্চলিক পঞ্চায়তত উত্থাপন কৰিব আৰু এই উদ্দেশ্যে আঞ্চলিক পঞ্চায়তৰ নথি তলব কৰিব পাৰে।

**আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতিৰ ক্ষমতা, কৃত্য আৰু কৰ্তব্যসমূহ**

৪১। এখন আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি গৰাকীয়ে-

(ক) সভাপতি গৰাকীৰ অনুপস্থিতিত, আঞ্চলিক পঞ্চায়তৰ বৈঠকত সভাপতিত্ব কৰিব;

(খ) চৰকাৰে এই ক্ষেত্ৰত প্ৰস্তুত কৰা নিয়মাৱলীৰ সাপেক্ষে, সভাপতি গৰাকীয়ে সময়ে সময়ে এক লিখিত আদেশৰ দ্বাৰা তেওঁক অৰ্পণ কৰা আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকীৰ তেনে ক্ষমতা প্ৰয়োগ আৰু তেনে কৰ্তব্য সম্পাদন কৰিব; আৰু

(গ) সভাপতিৰ নিৰ্বাচন স্থগিত থাকিলে বা পঞ্চায়ত এলেকাৰ পৰা সভাপতিগৰাকীৰ অনুপস্থিতিৰ সময়ত অথবা ত্ৰিশ দিনৰ অধিক সময়ৰ বাবে লোৱা ছুটীত, সভাপতি গৰাকীৰ ক্ষমতা আৰু কৰ্তব্য সম্পাদন কৰিব।

[১][(ঘ) যদি সভাপতি গৰাকী অপসাৰিত হয় আৰু/বা মৃত্যু হয় বা পদত্যাগ কৰে ধাৰা ৩৭ ৰ উপ-ধাৰা (১) ৰ উপবন্ধসমূহৰ অধীনত যেতিয়ালৈকে এই ধৰণে সভাপতিৰ পদটো পূৰ্ণ নহয়, ধাৰা ৪০ ৰ উপ-ধাৰা (ক) ৰ পৰা (ঘ) ত উপবন্ধিত সভাপতিগৰাকীৰ সকলো ক্ষমতা প্ৰয়োগ আৰু সকলো কৰ্তব্য আৰু কৃত্য নিৰ্বহণ কৰিব। ]

**আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ পদত্যাগ আৰু অপসাৰণ**

৪২। (১) আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰা এজন সদস্যই সংশ্লিষ্ট জিলাৰ উপায়ুক্তক সম্বোধন কৰি যিকোনো সময়তে স্বহস্ত লিখনীৰ দ্বাৰা তেখেতৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে আৰু উপ-সভাপতি গৰাকীয়ে আঞ্চলিক পঞ্চায়তৰ সভাপতিক আৰু সভাপতিগৰাকীৰ অনুপস্থিতিত সংশ্লিষ্ট জিলাৰ উপায়ুক্তক সম্বোধন কৰি যিকোনো সময়তে স্বহস্ত লিখনীৰ দ্বাৰা তেখেতৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে।

(২) আঞ্চলিক পঞ্চায়তৰ প্ৰতিজন সভাপতি আৰু উপ-সভাপতিয়ে পদ ৰিক্ত কৰিব, যদি তেওঁ আঞ্চলিক পঞ্চায়তৰ সদস্য হৈ নাথাকে।

---

১। ১৯৯৭ চনৰ অসম অধিনিয়ম নং ১০ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

**আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ**

৪৩। (১) আঞ্চলিক পঞ্চায়তৰ প্ৰতিজন সভাপতি আৰু উপ-সভাপতিয়ে তেখেতৰ পদ অবিলম্বে ৰিক্ত হ'ব বুলি গণ্য কৰিব লাগিব, যদি তেখেতৰ ওপৰত আস্থাৰ অভাৱ বুলি ব্যক্ত কৰা প্ৰস্তাৱ আঞ্চলিক পঞ্চায়তৰ মুঠ সদস্যৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা পাৰিত হয়। তেনে এখন বৈঠক আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকীৰ অনুমোদন মৰ্মে বিশেষভাৱে আহ্বান কৰা হ'ব।এনে বৈঠকত যদি প্ৰস্তাৱটো উপ-সভাপতিৰ বিৰুদ্ধে হয় সভাপতিয়ে আৰু যদি প্ৰস্তাৱটো সভাপতিৰ বিৰুদ্ধে হয় উপ-সভাপতিয়ে সভাপতিত্ব কৰিব। যদিহে আঞ্চলিক পঞ্চায়তত এনে বৈঠক জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আহ্বান কৰা নহয়, আঞ্চলিক পঞ্চায়তৰ সচিব গৰাকীয়ে বিষয়টো জিলা পৰিষদৰ সভাপতি গৰাকীলৈ, উপায়ুক্ত গৰাকীলৈ সূচনাৰ সহিতে প্ৰেৰণ কৰিব। জিলা পৰিষদৰ সভাপতি গৰাকীয়ে তেতিয়া প্ৰাপ্ত সূচনাৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ ভিতৰত বৈঠকখন আহ্বান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

(২) যদিহে জিলা পৰিষদে পোন্ধৰ দিনৰ সময়ৰ ভিতৰত বৈঠক খন আহ্বান নকৰে আৰু সেইদৰে বিষয়টো নিষ্পত্তি নকৰে, সংশ্লিষ্ট উপায়ুক্ত গৰাকীয়ে বিষয়টো চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে আৰু চৰকাৰে সেইক্ষেত্ৰত সমুচিত কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব।

(৩) এনে এখন বিশেষ বৈঠকৰ ফৰ্মাচ আঞ্চলিক পঞ্চায়তৰ মুঠ সদস্যৰ কমেও এক-তৃতীয়াংশ ৰ দ্বাৰা স্বাক্ষৰিত হ'ব লাগিব আৰু উপায়ুক্তগৰাকীক অৱগত কৰি জিলা পৰিষদৰ সভাপতি গৰাকীলৈ প্ৰেৰণ কৰিব। জিলা পৰিষদৰ সভাপতি গৰাকীয়ে ফৰ্মাচ প্ৰাপ্তিৰ তাৰিখৰ পৰা সাত দিনৰ ভিতৰত, আঞ্চলিক পঞ্চায়তৰ এখন বৈঠক আহ্বান কৰিব। বৈঠকৰ জাননী জাৰি কৰা তাৰিখৰ পৰা পোন্ধৰদিনতকৈ পলম নোহোৱা এটা তাৰিখত বৈঠকখন অনুষ্ঠিত কৰিব।

(৪) আঞ্চলিক পঞ্চায়তৰ সভাপতি বা উপ-সভাপতি গৰাকীৰ অপসাৰণৰ ক্ষেত্ৰত, আঞ্চলিক পঞ্চায়তখনে ধাৰা-৩৭ ৰ উপ-ধাৰা (২) ৰ অধীনত দিয়াৰ ধৰণেৰে সদস্যসকলৰ মাজৰ পৰা এজন সভাপতি বা এজন উপ-সভাপতিৰ যথাস্থিতি নিৰ্বাচন কৰিব:

পৰন্তু এনে সদস্য আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে পদাৱধিৰ অৱশিষ্ট ম্যাদৰ বাবে সভাপতি আৰু উপ-সভাপতি হিচাপে পুন: নিৰ্বাচনৰ বাবে যোগ্য নহ'ব।

(৫) আঞ্চলিক পঞ্চায়তৰ প্ৰতিজন সভাপতি বা উপ-সভাপতি, তেখেতক শুনাৰ এটা সুযোগ দিয়াৰ পাছত, চৰকাৰৰ অনুমোদন মৰ্মে জিলা পৰিষদে পদৰ দায়িত্ব নিৰ্বহণ কৰোঁতে হোৱা দুৰাচাৰৰ বাবে, তেখেতৰ কৰ্তব্য নিৰ্বহণ কৰোঁতে নিৰন্তৰভাৱে হোৱা অসাৱধানতাৰ বাবে, তেখেতক সভাপতি বা উপ-সভাপতি হিচাপে পদৰপৰা অপসাৰিত কৰিব আৰু এনেদৰে অপসাৰিত হোৱা এগৰাকী সভাপতি বা উপ-সভাপতি সদস্যপদত থাকিব।

(৬) উপ-ধাৰা (৫) ৰ অধীনত তেখেতৰ পদৰপৰা অপসাৰিত হোৱা এগৰাকী সভাপতি বা উপ-সভাপতিক চৰকাৰে আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰপৰাও অপসাৰিত কৰিব পাৰে।

**আঞ্চলিক পঞ্চায়তৰ সদস্যসকলৰ পদত্যাগ**

৪৪।এখন আঞ্চলিক পঞ্চায়তৰ এগৰাকী সদস্যই আঞ্চলিক পঞ্চায়তৰ সভাপতিক সম্বোধি স্বাক্ষৰিত লিখনৰ দ্বাৰা তেখেতৰ সদস্যপদ ত্যাগ কৰিব পাৰে আৰু তেখেতৰ আসন তাৎক্ষণিকভাৱে ৰিক্ত হ'ব।

**আঞ্চলিক পঞ্চায়তৰ বৈঠক**

৪৫। (১) এখন আঞ্চলিক পঞ্চায়তে কাৰ্য্যসম্পাদন কৰাৰ অৰ্থে দুমাহত অতি কমেও এখন বৈঠক অনুষ্ঠিত কৰিব ( ইয়াৰ পিছত এই ধাৰাত সাধাৰণ বৈঠক বুলি কোৱা হৈছে) আৰু নিম্নলিখিত উপ-ধাৰাৰ উপবন্ধসমূহৰ সাপেক্ষে, ইয়াৰ বৈঠকৰ তাৰিখ, ঘণ্টা, জাননী, পৰিচালনা আৰু স্থগিতকৰণ আৰু সাধাৰণতে ইয়াত কাৰ্য্য সম্পাদন কৰাৰ সম্পৰ্কত এই

অধিনিয়মৰ উপবন্ধ সমূহৰ, অথবা ইয়াৰ অধীনত গঠিত কোনো নিয়মাৱলীৰ সৈতে অসংগত নোহোৱা বিনিয়ম প্ৰস্তুত কৰিব।

(২) আঞ্চলিক পঞ্চায়তৰ প্ৰতিখন বৈঠক সাধাৰণতে আঞ্চলিক পঞ্চায়তৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব।

(৩) প্ৰথম গঠন বা পুন:গঠনৰ পিছত, আঞ্চলিক পঞ্চায়তৰ প্ৰথম বৈঠক খনৰ তাৰিখ, জিলাখনৰ উপায়ুক্ত গৰাকীয়ে নিৰ্দ্ধাৰণ কৰিব আৰু প্ৰত্যেক পৰৱৰ্তী সাধাৰণ বৈঠকৰ তাৰিখ আঞ্চলিক পঞ্চায়তৰ পূৰ্বৱৰ্তী বৈঠকত নিৰ্দ্ধাৰণ কৰিব, পৰন্তু সভাপতি গৰাকীয়ে পৰ্য্যাপ্ত কাৰণত, বৈঠক খনৰ দিনটো পৰৱৰ্তী এটা তাৰিখলৈ সলনি কৰিব পাৰে। সভাপতিগৰাকীয়ে মুঠ সদস্য সংখ্যাৰ কমেও এক-তৃতীয়াংশ ৰ লিখিত অনুৰোধ ক্ৰমে আৰু এনে অনুৰোধ প্ৰাপ্তিৰপৰা পোন্ধৰ দিনৰ ভিতৰৰ এটা তাৰিখত,যেতিয়াই তেওঁ উচিত বুলি ভাৱে, এখন বিশেষ বৈঠক আহ্বান কৰিব। এনে অনুৰোধে প্ৰস্তাৱিত বৈঠকখনৰ বিষয়বস্তু নিৰ্দ্ধাৰণ কৰি দিব। যদি সভাপতি গৰাকীয়ে বিশেষ বৈঠক খন আহ্বান কৰাত ব্যৰ্থ হয়, উপ-সভাপতি গৰাকীয়ে বা মুঠ সদস্যসংখ্যাৰ এক-তৃতীয়াংশই এনে অনুৰোধ উপস্থাপনৰ পিছত পোন্ধৰ দিনৰ ভিতৰৰ এটা দিনত বিশেষ বৈঠকখন আহ্বান কৰিব পাৰে আৰু কাৰ্য্যবাহী বিষয়াগৰাকীয়ে সদস্যসকললৈ জাননী দিয়া আৰু বৈঠক খন আহ্বান কৰাৰ বাবে প্ৰয়োজনীয় তেনে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰাটো বিচাৰিব পাৰে ।

(৪) এখন সাধাৰণ বৈঠকৰ বাবে সম্পূৰ্ণ দহ দিনৰ জাননী আৰু এখন বিশেষ বৈঠকৰ বাবে সম্পূৰ্ণ সাতদিনৰ জাননীত বৈঠকখন অনুষ্ঠিত হ'ব লগীয়া সময় আৰু তাত সম্পাদন হ'ব লগীয়া কাৰ্য্য সুনিশ্চিত কৰি, সদস্য সকললৈ প্ৰেৰণ কৰিব আৰু আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয়ৰ সূচনা ফলকত আঠা লগাই দিব। এনে জাননীয়ে, বিশেষ বৈঠকৰ ক্ষেত্ৰত, এনে বৈঠকৰ বাবে প্ৰস্তুত কৰা লিখিত অনুৰোধত উল্লেখিত কোনো প্ৰস্তাৱ বা প্ৰস্তাৱিত কাৰ্য্য অন্তৰ্ভুক্ত কৰিব।

**আঞ্চলিক পঞ্চায়তৰ বৈঠকৰ থুল**

৪৬। (১) আঞ্চলিক পঞ্চায়তৰ বৈঠকত কাৰ্য্যসম্পাদন কৰাৰ অৰ্থে আঞ্চলিক পঞ্চায়তৰ মুঠ সদস্য সংখ্যাৰ এক-তৃতীয়াংশই থুল গঠন কৰিব। যদি বৈঠকৰ বাবে নিৰ্দ্ধাৰিত সময়ত এক থুল উপস্থিত নাথাকে, অধিষ্ঠাতা ব্যক্তিগৰাকীয়ে ত্ৰিশ মিনিট সময় অপেক্ষা কৰিব, আৰু যদি তেনে নিৰ্দ্ধাৰিত কালৰ ভিতৰত, থুল হয়, বৈঠক খন আগবঢ়াই নিব, কিন্তু যদি তেনে নিৰ্দ্ধাৰিত কালৰ ভিতৰত, থুল নহয়, অধিষ্ঠাতা ব্যক্তিগৰাকীয়ে তেওঁ স্থিৰ কৰিব পৰা ভৱিষ্যতৰ কোনো তাৰিখৰ তেনে সময়লৈ বৈঠকখন স্থগিত ৰাখিব। বৈঠকখন আৰম্ভ হোৱাৰ পাচত যিকোনো সময়তে থুলৰ অভাৱৰ প্ৰতি দৃষ্টি আকৰ্ষিত হ'লে তেওঁ বৈঠকখন একেদৰেই স্থগিত কৰিব। তেনেদৰে স্থগিত বৈঠকবোৰত, থুলৰ আৱশ্যক নহ'ব আৰু মূল বৈঠকত যিবোৰ বিষয় উত্থাপিত হ'লহেঁতেন, সেইবোৰ সম্পাদন কৰা হ'ব।

(২) প্ৰতিখন বৈঠকত সভাপতি গৰাকীয়ে সভাপতিত্ব কৰিব অথবা যদি তেখেত অনুপস্থিত থাকে, উপ-সভাপতিগৰাকীয়ে আৰু যদি দুয়ো গৰাকী অনুপস্থিত থাকে বা যদি সভাপতি গৰাকী অনুপস্থিত আৰু উপ-সভাপতি নাথাকে, উপস্থিত সদস্য সকলে তেওঁলোকৰ মাজৰ পৰা এজনক সভাপতিত্ব কৰিবলৈ নিৰ্বাচন কৰিব।

(৩) অন্যথা বিশেষৰূপে উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, সকলো প্ৰশ্ন উপস্থিত সদস্যসকলৰ গৰিষ্ঠ সংখ্যকৰ মতৰ দ্বাৰা সিদ্ধান্ত লোৱা হ'ব আৰু হাত ওপৰলৈ উঠাই মতদান সম্পন্ন কৰা হ'ব। সভাপতিত্ব কৰা সদস্যগৰাকীয়ে, যদিহে ভোটদানৰ পৰা বিৰত নাথাকে, এটা প্ৰশ্নৰ সপক্ষৰ আৰু বিপক্ষৰ মতৰ সংখ্যা ঘোষণা কৰাৰ আগতে মতদান কৰিব আৰু ভোটৰ সমতাৰ ক্ষেত্ৰত তেখেতে তেখেতৰ নিৰ্ণায়ক ভোট প্ৰদান কৰিব পাৰে।

(৪) আঞ্চলিক পঞ্চায়তৰ কোনো সদস্যই, আঞ্চলিক পঞ্চায়ত অথবা কোনো সমিতিৰ

বৈঠকত বিবেচনাৰ বাবে উত্থাপিত কোনো প্ৰশ্নৰ আলোচনাৰ ওপৰত ভোট দিব বা অংশগ্ৰহণ কৰিব নোৱাৰিব, যদিহে প্ৰশ্নটো ইয়াৰ জনসাধাৰণৰ মূল প্ৰয়োগৰ উপৰিও তেখেতৰ কোনো প্ৰত্যক্ষ আৰ্থিক স্বাৰ্থ জড়িত হয়।

(৫) যদি বৈঠকত উপস্থিত থকা কোনো সদস্যই আলোচ্য বিষয়ৰ সৈতে সভাপতিত্ব কৰা ব্যক্তিগৰাকীৰ কোনো আৰ্থিক স্বাৰ্থ জড়িত থকা বুলি বিশ্বাস কৰে, যদি সেই উদ্দেশ্যাৰ এটা প্ৰস্তাৱ উত্থাপিত হয়, তেনে আলোচনাৰ সময়ত তেখেতে বৈঠকত সভাপতিত্ব কৰিব, বা ভোটদান কৰিব, বা ইয়াত অংশগ্ৰহণ কৰিব নোৱাৰিব। আঞ্চলিক পঞ্চায়তৰ কোনো সদস্যাক এনে আলোচনা চলি থকাৰ সময়ত বৈঠকত সভাপতিত্ব কৰিবৰ বাবে বাচনি কৰিব পাৰে।

(৬) কোনো সাধাৰণ বৈঠকত প্ৰস্তাৱিত বিষয় আলোচনা কৰা নহ'ব যদিহে ইয়াক তেনে বৈঠক আহ্বান কৰা জাননীত অন্তৰ্ভুক্ত কৰা নহয় অথবা এখন বিশেষ বৈঠকৰ ক্ষেত্ৰত, তেনে বৈঠকৰ বাবে লিখিত অনুৰোধত উল্লেখ নাথাকে। এজন সদস্যই কাৰ্য্যসূচীত অন্তৰ্ভুক্ত বিষয়সমূহৰ লগত জড়িত বা আনুষংগিক কোনো প্ৰস্তাৱ উত্থাপন কৰিব পাৰে। সভাপতি গৰাকীয়ে যদি কোনো সদস্যই আপত্তি নকৰে তেনেহলে কাৰ্য্যসূচীত নথকা নিত্যকৰণীয় কোনো জৰুৰী বিষয় উত্থাপন কৰিব পাৰে। উপ-ধাৰা (৮) ত থকাৰ বাহিৰে কোনো প্ৰস্তাৱ গৃহীত হোৱাৰ তিনিমাহৰ ভিতৰত সলনি অথবা নাকচ কৰাৰ এটা প্ৰস্তাৱ বা প্ৰস্তাৱিত কাৰ্য্যৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰা নহ'ব। তেনে বৈঠকত কোনো কাৰ্য্য বা প্ৰস্তাৱিত কাৰ্য্য আগবঢ়াই নিয়াৰ আদেশ সভাপতিত্ব কৰা প্ৰাধিকাৰীয়ে থিৰাং কৰিব যিয়ে, কোনো সদস্যই নিৰ্দিষ্ট প্ৰস্তাৱ উত্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱাৰ ক্ষেত্ৰত, বৈঠকখনত প্ৰস্তাৱটো উত্থাপন কৰিব আৰু প্ৰস্তাৱৰ সপক্ষে অথবা বিপক্ষে থকা গৰিষ্ঠসংখ্যক ভোটৰ দ্বাৰা পৰিচালিত হ'ব।

(৭) যিকোনো সাধাৰণ বৈঠক, উপস্থিত সদস্যাৰ গৰিষ্ঠ সংখ্যকৰ সন্মতি লৈ, সময়ে সময়ে স্থগিত ৰাখিব পাৰে, কিন্তু কোনো স্থগিত বৈঠকত নিষ্পত্তি নোহোৱাকৈ ৰৈ যোৱা কাৰ্য্যৰ বাদে আন কাৰ্য্য সম্পাদন কৰা নহ'ব যিহৰ বাবে এই বৈঠক স্থগিতকৰণ কৰা হৈছিল।

(৮) আঞ্চলিক পঞ্চায়তৰ কোনো প্ৰস্তাৱ গৃহীত হোৱা ছয় মাহৰ ভিতৰত সলনি বা নাকচ কৰিব নোৱাৰিব এখন সাধাৰণ অথবা বিশেষ বৈঠকত মুঠ সদস্য সংখ্যাৰ কমেও অৰ্ধাংশ সদস্যৰ দ্বাৰা গৃহীত প্ৰস্তাৱৰ বাহিৰে, আৰু উপ-ধাৰা (৪) ৰ প্ৰয়োজনীয়খিনি পূৰণ কৰি ইয়াৰ জাননী দিয়া হ'ব আৰু এনে বৈঠকত সম্পূৰ্ণৰূপে সলনি বা নাকচ কৰাৰ বাবে উত্থাপিত প্ৰস্তাৱটো আৰু তেনে প্ৰস্তাৱৰ সাল-সলনি বা নাকচৰ বাবে প্ৰস্তাৱ বা প্ৰস্তাৱিত কাৰ্য্য সম্পূৰ্ণৰূপে প্ৰকাশ কৰিব।

**আঞ্চলিক পঞ্চায়তৰ বৈঠকৰ কাৰ্য্যবিৱৰণী আৰু আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যবিৱৰণী বহী**

৪৭। বৈঠকখনৰ পৰ্যালোচনাৰ পাচত তাৎক্ষণিকভাৱে কাৰ্য্যবিৱৰণী বহীত প্ৰতিখন বৈঠকৰ কাৰ্য্যবিৱৰণী নথিভুক্ত কৰিব আৰু বৈঠকৰ সভাপতিত্ব কৰা প্ৰাধিকাৰীয়ে পঢ়ি শুনোৱাৰ পাচত তেখেতে স্বাক্ষৰ কৰিব। আঞ্চলিক পঞ্চায়তৰ সিদ্ধান্তৰ ওপৰত গ্ৰহণ কৰা কাৰ্য্য খতিয়ান আঞ্চলিক পঞ্চায়তৰ পৰৱৰ্তী বৈঠকত দাখিল ধৰিব। কোনো পৰিস্থিতিতেই কাৰ্য্যবিৱৰণী বহীখন আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয়ৰ বাহিৰলৈ লৈ যাব নোৱাৰিব। কাৰ্য্যবাহী বিষয়াগৰাকী কাৰ্য্যবিৱৰণী বহীৰ অভিৰক্ষক হ'ব।

**আঞ্চলিক পঞ্চায়তৰ বৈঠকত চৰকাৰী বিষয়াৰ উপস্থিতি**

৪৮। আঞ্চলিক পঞ্চায়তে বৈঠকসমূহত চৰকাৰী বিষয়াৰ উপস্থিতি বিচাৰিব পাৰে। যদি এখন আঞ্চলিক পঞ্চায়তে আঞ্চলিক পঞ্চায়তৰ এখন বৈঠকত, এখন জিলা বা এখন জিলাতকৈ কম এলেকাৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা আৰু আঞ্চলিক পঞ্চায়ত খনৰ অধীনত কৰ্মৰত নোহোৱা, চৰকাৰৰ কোনো বিষয়াৰ উপস্থিতি বাঞ্চনীয় বুলি ভাৱে; কাৰ্য্যবাহী বিষয়াগৰাকীয়ে অভিপ্ৰেত বৈঠকখনৰ কমেও পোন্ধৰদিন আগতে তেনে বিষয়াক পত্ৰৰ দ্বাৰা সম্বোধি, বৈঠকত সেই বিষয়াগৰাকী উপস্থিত থাকিবলৈ অনুৰোধ কৰিব আৰু বিষয়াগৰাকীয়ে,

অসুস্থতা বা অন্য যুক্তিসংগত কাৰণে বাধা নাথাকিলে, বৈঠকত উপস্থিত থাকিব:

পৰন্তু বিষয়াগৰাকীয়ে তেনে পত্ৰৰ প্ৰাপ্তিত, যদি তেওঁ, উল্লেখিত কোনো কাৰণৰ বাবে, নিজেই তাত উপস্থিত থাকিবলৈ অপাৰগ হয়, তেওঁৰ উপ-পদাধিকাৰী বা অন্য যোগ্য অধীনস্থ প্ৰাধিকাৰীক বৈঠকত তেওঁক প্ৰতিনিধিত্ব কৰাৰ নিৰ্দেশ দিব পাৰে।

**আঞ্চলিক পঞ্চায়তৰ সাধাৰণ কৃত্যসমূহ**

৪৯। **(১) আঞ্চলিক পঞ্চায়তৰ সাধাৰণ কৃত্যসমূহ হ'ব-**

(ক) অধিনিয়মৰ আধাৰত ইয়াত ন্যস্ত কৰা আৰু জিলা পৰিষদ অথবা চৰকাৰৰ দ্বাৰা অৰ্পণ কৰা আঁচনিসমূহৰ সম্পৰ্কত বাৰ্ষিক পৰিকল্পনা প্ৰস্তুতকৰণ আৰু জিলা পৰিকল্পনাৰ সৈতে একত্ৰীকৰণৰ বাবে বিহিত সময়ৰ ভিতৰত জিলা পৰিষদত উপস্থাপন;

(খ) আঞ্চলিক পঞ্চায়তৰ অধীনৰ সকলো গাঁও পঞ্চায়তৰ বাৰ্ষিক পৰিকল্পনাসমূহৰ বিবেচনা আৰু একত্ৰীকৰণ আৰু জিলা পৰিষদত একত্ৰীকৃত আঁচনিৰ উপস্থাপন;

(গ) আঞ্চলিক পঞ্চায়তৰ বাৰ্ষিক বাজেটৰ প্ৰস্তুতকৰণ আৰু বিহিত সময়ৰ ভিতৰত জিলা পৰিষদত অনুমোদনৰ বাবে উপস্থাপন ;

(ঘ) জিলা পৰিষদ অথবা চৰকাৰৰ দ্বাৰা ন্যস্ত কৰা তেনে কৃত্যসমূহ সম্পাদন আৰু তেনে কাম কাৰ্য্যকৰীকৰণ;

(ঙ) প্ৰাকৃতিক দুৰ্যোগত সাহাৰ্য্য অভিযানত চৰকাৰক সহায় কৰা;

(২) **কৃষি সম্প্ৰসাৰণ সামৰি কৃষি –**

(ক) কৃষি, সমবায় আৰু জলসিঞ্চন ইত্যাদি বিভাগসমূহৰ কাৰিকৰী সহায় আৰু তদাৰকৰ সৈতে আঞ্চলিক পঞ্চায়ত এলেকাৰ কৃষি উন্নয়নৰ বাবে দুই লক্ষতকৈ অধিক আৰু পঞ্চাশ হাজাৰতকৈ কম নোহোৱা আঁচনি সমূহৰ চিনাক্তকৰণ আৰু ৰূপায়ণ;

(খ) কৃষি বীজ পাম আৰু উদ্যান পালন সম্বন্ধীয় বাৰীসমূহৰ ৰক্ষণাবেক্ষণ;

(গ) পতংগনাশক আৰু কীটনাশক দ্ৰব্যসমূহৰ সংৰক্ষণ আৰু বিতৰণ;

(ঘ) কৃষি উন্নত প্ৰণালীৰ প্ৰসাৰ;

(ঙ) শাক-পাচলি, ফল-মূল আৰু ফুলৰ বিক্ৰী আৰু খেতিৰ উন্নীতকৰণ;

(চ) খেতিয়কসকলৰ প্ৰশিক্ষণ আৰু কাৰ্য্যকলাপৰ সম্প্ৰসাৰণ।

(৩) **ভূমি বিকাশ আৰু ভূমি সংৰক্ষণ -**

(ক) চৰকাৰৰ ভূমি বিকাশ আৰু ভূমি সংৰক্ষণ কাৰ্য্যসূচীৰ ৰূপায়ণত চৰকাৰ আৰু জিলা পৰিষদক সহায়।

(৪) **ক্ষুদ্ৰ জলসিঞ্চন, জল ব্যৱস্থাপন, জলচ্ছেদ উন্নয়ন-**

(ক) ক্ষুদ্ৰ জলসিঞ্চন কাৰ্য্য নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণত চৰকাৰ আৰু জিলা পৰিষদক সহায়;

(খ) স্বয়ংক্ৰীয় জলসিঞ্চন কাৰ্য্যৰ ৰূপায়ণ;

(গ) ভূ-জলসম্পদৰ বিকাশ, আৰু জলচ্ছেদ বিকাশ কাৰ্য্যসূচীৰ আঁচনিসমূহৰ ৰূপায়ণত চৰকাৰ আৰু জিলা পৰিষদক সহায়।

**(৫)দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰম -**

(ক) দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰম আৰু আঁচনিসমূহৰ ৰূপায়ণৰ পৰিকল্পনা আৰু তদাৰক কৰা আৰু তাৰ বাবে পৰামৰ্শ দিয়া।

**(৬)পশুপালন, দুগ্ধপাম আৰু হাইঁ-কুকুৰা পালন –**

(ক) পশু চিকিৎসা আৰু পশুপালন সেৱাসমূহৰ ৰক্ষণাবেক্ষণ;

(খ) পশুৰ বংশ, হাইঁ-কুকুৰা আৰু অন্য পশুধনৰ উৎকৰ্ষ সাধন;

(গ) দুগ্ধপাম, হাইঁ-কুকুৰা পালন আৰু গাহৰি পামৰ উন্নীতকৰণ;

(ঘ) মহামাৰী আৰু সংক্ৰামক ৰোগসমূহৰ প্ৰতিৰোধ কৰণ;

**(৭)মীন মহল-**

(ক) মীন মহল উন্নয়নৰ উন্নীতকৰণ;

**(৮)খাদী, গ্ৰাম্য আৰু কুটিৰ উদ্যোগ –**

(ক) গ্ৰামীণ আৰু কুটিৰ উদ্যোগসমূহৰ উন্নীতকৰণ;

(খ) সন্মিলন, অধ্যয়নচক্ৰ আৰু প্ৰশিক্ষণ কাৰ্য্যক্ৰম, কৃষি আৰু উদ্যোগিক প্ৰদৰ্শনীৰ আয়োজন;

**(৯) গ্ৰামীণ আবাস -**

(ক) গাঁও সমূহত আবাস যোজনাৰ ৰূপায়ণ আৰু আবাস ভূমিৰ বিতৰণ-

**(১০)খোৱা পানী –**

(ক) গ্ৰাম্য পানী যোগান আঁচনিৰ স্থাপন, মেৰামতি আৰু ৰক্ষণাবেক্ষণ;

(খ) জল প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ;

(গ) গ্ৰাম্য অনাময় আঁচনিৰ ৰূপায়ণ;

**(১১) সামাজিক আৰু পাম বনানীকৰণ, ক্ষুদ্ৰ বনজাত দ্ৰব্য, ইন্ধন আৰু ঘাঁহ-**

(ক) পথৰ কাষত আৰু ইয়াৰ নিয়ন্ত্ৰণাধীন অন্য ৰাজহুৱা ভূমিত বৃক্ষৰোপণ আৰু সংৰক্ষণ;

(খ) ইন্ধনজাত বৃক্ষৰোপণ আৰু ঘাহঁ উন্নয়ন;

(গ) পাম বনানীকৰণৰ বিকাশ সাধন ;

**(১২)পথ, ঘৰ, দলং, পাৰঘাট, জলপথ আৰু যাতায়তৰ অন্য মাধ্যমসমূহ –**

(ক) চৰকাৰৰ অন্য কোনো স্থানীয় প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণাধীন নোহোৱা ৰাজহুৱা পথ, নলা, পুল আৰু যাতায়তৰ অন্য মাধ্যমসমূহৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ;

(খ) আঞ্চলিক পঞ্চায়তক অৰ্পণ কৰা ঘৰ অথবা অন্য সম্পত্তিৰ ৰক্ষণাবেক্ষণ;

(গ) চৰকাৰ বা অন্য কোনো স্থানীয় নিকায়ৰ অধীনত নথকা নাওঁ,পাৰঘাট আৰু জলপথসমূহৰ ৰক্ষণাবেক্ষণ;

**(১৩)অপৰম্পৰাগত শক্তিৰ উৎস :**

(ক) অপৰম্পৰাগত শক্তিৰ উৎসৰ বিকাশ সাধন আৰু উন্নয়ন।

**(১৪)প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহক সামৰি, শিক্ষা :**

(ক) প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বিকাশ সাধন।

(খ) প্ৰাথমিক বিদ্যালয়ৰ ঘৰসমূহৰ নিৰ্মাণ, মেৰামতি আৰু ৰক্ষণাবেক্ষণ।

(গ) যুৱ সংঘ আৰু মহিলা মণ্ডলীৰ জৰিয়তে সামাজিক শিক্ষাৰ বিকাশ সাধন।

**(১৫)কাৰিকৰী প্ৰশিক্ষণ আৰু বৃত্তিমূলক শিক্ষা :**

(ক) গ্ৰামীণ শিল্পী আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ বিকাশ সাধন।

**(১৬)প্ৰাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা :**

(ক) প্ৰাপ্তবয়স্ক স্বাক্ষৰতা কাৰ্য্যক্ৰমৰ ৰূপায়ণ।

**(১৭)সাংস্কৃতিক কাৰ্য্যকলাপ :**

(ক) সামাজিক আৰু সাংস্কৃতিক কাৰ্য্যকলাপৰ বিকাশ সাধন।

**(১৮)বজাৰ আৰু মেলা :**

(ক) বজাৰ, মেলা আৰু উৎসৱসমূহৰ ব্যৱস্থাপনা।

**(১৯)স্বাস্থ্য আৰু পৰিয়াল কল্যাণ :**

(ক) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ কাৰ্য্যক্ৰমৰ বিকাশ সাধন।

(খ) অসংক্ৰাম্যকৰণ আৰু টীকাকৰণ কাৰ্য্যক্ৰমৰ বিকাশ সাধন।

(গ) মেলা আৰু উৎসৱসমূহত স্বাস্থ্য আৰু অনাময় ব্যৱস্থা কৰা।

(২০)**মহিলা আৰু শিশুৰ বিকাশ :**

(ক) মহিলা আৰু শিশুৰ বিকাশ সম্বন্ধীয় কাৰ্য্যক্ৰমৰ বিকাশ সাধন।

(খ) বিদ্যালয়ৰ পাৰিপাৰ্শ্বিক আৰু পুষ্টিসাধন কাৰ্য্যক্ৰমৰ বিকাশ সাধন।

(গ) মহিলা আৰু শিশুৰ বিকাশ কাৰ্য্যক্ৰমত স্বেচ্ছাসেৱী সংগঠনৰ অংশগ্ৰহণৰ বিকাশ সাধন।

(২১)**দিব্যাংগ, মানসিক বিকাৰগ্ৰস্ত লোকৰ কল্যাণকে সামৰি সমাজ কল্যাণ :**

(ক) দিব্যাংগ, মানসিক বিকাৰগ্ৰস্ত আৰু নিৰাশ্ৰয় সকলৰ কল্যাণকে সামৰি সমাজ কল্যাণ কাৰ্য্যক্ৰমৰ বিকাশ সাধন; সমাজ কল্যাণ কাৰ্য্যক্ৰমত খাদ্য সামগ্ৰীৰ সংগ্ৰহ আৰু বিতৰণৰ তদাৰক।

(খ) বৃদ্ধ আৰু বিধৱা পেঞ্চন আৰু দিব্যাংগৰ পেঞ্চনৰ নিৰীক্ষণ।

(২২)**দুৰ্বল শ্ৰেণী আৰু বিশেষত: অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ :**

(ক) অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য দুৰ্বল শ্ৰেণীৰ কল্যাণৰ বিকাশ সাধন ।

(খ) তেনে জাতি আৰু শ্ৰেণীসমূহক সামাজিক অন্যায় আৰু শোষণৰ পৰা প্ৰতিৰোধ কৰা।

(২৩)**সামূহিক সম্পত্তিৰ ৰক্ষণাবেক্ষণ :**

(ক) চৰকাৰ বা কোনো স্থানীয় প্ৰাধিকাৰী বা সংস্থাৰ দ্বাৰা ইয়াত ন্যস্ত কৰা অথবা হস্তান্তৰ কৰা সকলো সামূহিক সম্পত্তিৰ ৰক্ষণাবেক্ষণ।

(খ) অন্য সামূহিক সম্পত্তিৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ।

(২৪)**সাৰ্বজনীন বিতৰণ প্ৰণালী :**

(ক) গাঁওসমূহত সুলভ মূল্যৰ দোকানৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰীৰ বিতৰণৰ বিকাশসাধন। পঞ্চায়তে অত্যাৱশ্যকীয় সামগ্ৰীৰ সুলভ আৰু ন্যায়সংগত বিতৰণৰ ওপৰত তীক্ষ্ণ নিৰীক্ষণ ৰাখিব। পঞ্চায়তে উপভোক্তাৰ অধিকাৰৰ ওপৰত ব্যক্তিসকলক শিক্ষিত কৰিব আৰু উপভোক্তাৰ অভিযোগ প্ৰতিকাৰৰ বাবে সহায় কৰিব।

(২৫)**গ্ৰামীণ বৈদ্যুতিকৰণ :**

(ক) গ্ৰামীণ বৈদ্যুতিকৰণৰ বিকাশ সাধন।

(২৬)**সমবায় :**

(ক) সমবায় কাৰ্য্যকলাপৰ বিকাশ সাধন।

(২৭)**পুথিভঁড়াল :**

(ক) পুথিভঁড়াল সমূহৰ বিকাশ সাধন।

(২৮)**চৰকাৰ বা জিলা পৰিষদে ন্যস্ত কৰিব পৰা তেনে অন্য কৃত্যসমূহ।**

**আঞ্চলিক পঞ্চায়তৰ সাধাৰণ ক্ষমতা**

৫০। আঞ্চলিক পঞ্চায়ত খনৰ ইয়াৰ ওপৰত ন্যস্ত বা অৰ্পণ কৰা কৃত্যসমূহ নিৰ্বহনৰ বাবে প্ৰয়োজনীয় বা আনুষংগিক সকলো কাম কৰাৰ ক্ষমতা থাকিব আৰু, বিশেষত: পূৰ্ব্ববৰ্তী ক্ষমতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এই অধিনিয়মত নিৰ্দ্ধাৰিত সকলো ক্ষমতা প্ৰয়োগ কৰিব।

**ক্ষমতাৰ অৰ্পণ**

৫১। আঞ্চলিক পঞ্চায়তে, এই অধিনিয়মৰ দ্বাৰা বা অধীনত প্ৰদান কৰা ক্ষমতাসমূহ জাননীৰ যোগে কাৰ্য্যবাহী বিষয়াগৰাকী বা অন্য কোনো বিষয়াক অৰ্পণ কৰিব পাৰে।

**আঞ্চলিক পঞ্চায়তৰ স্থায়ী সমিতিসমূহ**

৫২। (১) আঞ্চলিক পঞ্চায়তৰ নিম্নলিখিত স্থায়ী সমিতিসমূহ থাকিব:-

(ক) সাধাৰণ স্থায়ী সমিতি;

(খ) বিত্ত, হিচাব পৰীক্ষা আৰু পৰিকল্পনা সমিতি;

(গ) সামাজিক ন্যায় সমিতি।

(২) আঞ্চলিক পঞ্চায়তৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা ধৰণেৰে,আৰু আঞ্চলিক পঞ্চায়তৰ দ্বাৰা ইয়াৰ সদস্য সকলৰ মাজৰ পৰা বাচনি কৰা তেনে সংখ্যক সদস্যৰে, প্ৰত্যেক স্থায়ী সমিতি গঠিত হ'ব, যি অধ্যক্ষগৰাকীক সামৰি ছয়জনতকৈ অধিক নহয়।

(৩) আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকী সাধাৰণ স্থায়ী সমিতি আৰু বিত্ত, হিচাপ পৰীক্ষা আৰু পৰিকল্পনা সমিতিৰ অধ্যক্ষ হ'ব। আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি গৰাকী সামাজিক ন্যায় সমিতিৰ অধ্যক্ষ হ'ব।

(৪) আঞ্চলিক পঞ্চায়তৰ কোনো সদস্য এখনতকৈ অধিক স্থায়ী সমিতিত সেৱা আগবঢ়োৱাৰ বাবে যোগ্য নহ'ব আৰু সদস্য পদৰ অৱধি এবাৰত এবছৰতকৈ অধিক নহ'ব।

(৫) আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যবাহী বিষয়াগৰাকী প্ৰতিখন স্থায়ী সমিতিৰ পদেন সচিব হ'ব।

**স্থায়ী সমিতিৰ কৃত্য সমূহ**

৫৩। (১) সাধাৰণ স্থায়ী সমিতিখনে প্ৰতিষ্ঠান সম্পৰ্কীয় বিষয়সমূহ, যাতায়ত, ঘৰ, গ্ৰামীণ আৱাস, প্ৰাকৃতিক দুৰ্যোগত সাহাৰ্য্য প্ৰদান, পানী যোগান আৰু সকলো বিবিধ অৱশিষ্ট বিষয়সমূহৰ লগত সম্পৰ্কীয় কৃত্যসমূহ সম্পাদন কৰিব।

(২) বিত্ত, হিচাব পৰীক্ষা আৰু পৰিকল্পনা সমিতিখনে আঞ্চলিক পঞ্চায়তৰ বিত্ত, প্ৰশিক্ষণ, বাজেট, ৰাজহ বৃদ্ধিৰ প্ৰস্তাৱসমূহ নিৰীক্ষণ, ৰচিদ আৰু ব্যয়ৰ খতিয়ান পৰীক্ষণ, আঞ্চলিক পঞ্চায়তৰ বিত্তক প্ৰভাৱিত কৰা সকলো প্ৰস্তাৱ বিবেচনা আৰু আঞ্চলিক পঞ্চায়তৰ ৰাজহ আৰু ব্যয়ৰ সাধাৰণ তদাৰক আৰু আঞ্চলিক পঞ্চায়তৰ আঁচনিসমূহৰ পৰিকল্পনা একীকৃতকৰণ, সমবায়, ক্ষুদ্ৰ সঞ্চয় আঁচনি সম্পৰ্কীয় কৃত্যসমূহ আৰু আঞ্চলিক পঞ্চায়ত এলেকাৰ উন্নয়নৰ লগত জড়িত অন্য কোনো কৃত্য সম্পাদন কৰিব।

(৩) সামাজিক ন্যায় সমিতিয়ে নিম্নলিখিত বিষয়সমূহৰ লগত জড়িত কৃত্যসমূহ সম্পাদন কৰিব:-

(ক) অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অন্য স্বাৰ্থসমূহৰ বিকাশসাধন;

(খ) তেওঁলোকক সামাজিক অন্যায় আৰু অন্য সকলো প্ৰকাৰৰ শোষণৰপৰা সুৰক্ষা প্ৰদান কৰা;

(গ) অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ উন্নয়ন সাধন;

(ঘ) অনুসূচীত জাতি, অনুসূচীত জনজাতি, মহিলা আৰু সমাজৰ অন্য দুৰ্বল শ্ৰেণীসমূহৰ সামাজিক ন্যায় সুনিশ্চিতকৰণ।

(৪) স্থায়ী সমিতিসমূহে আঞ্চলিক পঞ্চায়তে তেওঁলোকৰ ওপৰত অৰ্পণ কৰা ক্ষমতাৰ পৰিসৰৰ ভিতৰত থাকি উপৰোল্লেখিত কৃত্যসমূহ সম্পাদন কৰিব।

**সমিতি সমূহৰ কাৰ্য্যপদ্ধতি**

৫৪। (১) আঞ্চলিক পঞ্চায়তে সমিতিসমূহৰ সদস্য বাচনি, তাত কাৰ্য্য সম্পাদন আৰু সেই সমূহৰ লগত জড়িত অন্য সকলো বিষয় সম্পৰ্কীয় বিনিয়ম প্ৰস্তুত কৰিব পাৰে।

(২) প্ৰতিখন সমিতিৰ অধ্যক্ষ গৰাকীয়ে, আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ৰ পৰা সমিতিৰ কাম সম্বন্ধীয়, কোনো তথ্য, কাৰ্য্য বিবৃতি, প্ৰবিবৰণ, হিচাপ অথবা প্ৰতিবেদনত তলব কৰিব পাৰিব আৰু সমিতিৰ কাম-কাজৰ লগত জড়িত চলি থকা কামত অথবা আঞ্চলিক পঞ্চায়তৰ কোনো স্থাৱৰ সম্পত্তিত প্ৰৱেশ কৰা আৰু নিৰীক্ষণ কৰাৰ অধিকাৰ থাকিব।

(৩) প্ৰত্যেক সমিতিয়ে সমিতিৰ কাম-কাজৰ লগত জড়িত আঞ্চলিক পঞ্চায়তৰ কোনো বিষয়াৰ, ইয়াৰ বৈঠকত উপস্থিতি বিচাৰিব পাৰে। পদেন সচিবগৰাকীয়ে, (ধাৰা-৫২ ৰ উপ-ধাৰা- (৫) ত উল্লেখ কৰা) সমিতিৰ নিৰ্দেশ মৰ্মে, জাননী জাৰি কৰিব আৰু বিষয়াগৰাকীৰ উপস্থিতি নিশ্চিত কৰিব।

**সম্পত্তি অৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰাৰ ক্ষমতা**

৫৫। (১) এখন আঞ্চলিক পঞ্চায়তৰ সম্পত্তি অৰ্জন, ধাৰণ আৰু নিস্পত্তি কৰা আৰু চুক্তি কৰাৰ ক্ষমতা থাকিব:

পৰন্তু স্থাৱৰ সম্পত্তিৰ অৰ্জন বা নিষ্পত্তিকৰণৰ সকলো ক্ষেত্ৰতে, আঞ্চলিক পঞ্চায়তে জিলা পৰিষদৰ জৰিয়তে চৰকাৰৰ পৰা আগতীয়া অনুমোদন ল'ব লাগিব।

(২) আঞ্চলিক পঞ্চায়তে ইয়াৰ নিজৰ পুঁজিৰে নিৰ্মাণ কৰা পথ, ঘৰ বা অন্য কাম সমূহ ইয়াৰ ওপৰতে ন্যস্ত থাকিব।

(৩) ৰাজ্য চৰকাৰে এখন আঞ্চলিক পঞ্চায়তক ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত অৱস্থিত কোনো ৰাজহুৱা সম্পত্তি আৱণ্টন দিব পাৰে, আৰু তাৰ পাচত এনে সম্পত্তি আঞ্চলিক পঞ্চায়তৰ ওপৰত ন্যস্ত হ'ব আৰু ইয়াৰ নিয়ন্ত্ৰণাধীন হ'ব।

(৪) এই অধিনিয়মৰ কোনো উদ্দেশ্য সাধনৰ বাবে য'ত এখন আঞ্চলিক পঞ্চায়তে ভূমিৰ প্ৰয়োজন অনুভৱ কৰে, উক্ত মাটিত চৰ্ত থকা ব্যক্তিসকলৰ সৈতে ই আপোচ কৰিব পাৰে, আৰু যদি ই এক চুক্তিত উপনীত হোৱাত ব্যৰ্থ হয়, ই জিলাৰ উপায়ুক্ত গৰাকীক ভূমি

অধিগ্ৰহণৰ বাবে দৰ্খাস্ত কৰিব পাৰে, যিগৰাকীয়ে, প্ৰাসংগিক ভূমি অধিগ্ৰহণ উপবন্ধৰ অধীনত ভূমি অধিগ্ৰহণ কৰিবলৈ আইনী পদক্ষেপ গ্ৰহণ কৰিব পাৰে, যদিহে তেওঁ সন্তুষ্ট হয় যে ৰাজহুৱা উদ্দেশ্যৰ বাবে ভূমিৰ প্ৰয়োজন আছে, আৰু তেনে ভূমি অধিগৃহিত আঞ্চলিক পঞ্চায়তৰ ওপৰত ন্যস্ত হ'ব।

**আঞ্চলিক পঞ্চায়তৰ পুজি**

৫৬। (১) প্ৰতিখন আঞ্চলিক পঞ্চায়তৰ বাবে, আঞ্চলিক পঞ্চায়ত খনৰ নামেৰে এক আঞ্চলিক পঞ্চায়ত পুজি গঠন কৰা হ'ব আৰু তাত জমাধন এই ধৰণে ৰখা হ'ব-

(ক) ৰাজ্যখনত সংগৃহীত ভূমি ৰাজহৰ চৰকাৰে নিৰ্দ্ধাৰণ কৰা তেনে অংশক সামৰি, কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে আগবঢ়োৱা, কোনো বৰঙণি আৰু অনুদান;

(খ) জিলা পৰিষদ অথবা অন্য কোনো স্থানীয় প্ৰাধিকাৰীয়ে আগবঢ়োৱা, কোনো বৰঙণি আৰু অনুদান;

(গ) কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰে গ্ৰাহ্য কৰা অথবা আঞ্চলিক পঞ্চায়তে ইয়াৰ সম্পত্তি বন্ধকত থৈ সংগ্ৰহ কৰা কোনো ঋণ;

(ঘ) ইয়াৰ দ্বাৰা উদ্‌গ্ৰহণ কৰা উপশুল্ক, নিৰিখ আৰু মাচুলৰ সকলো প্ৰাপ্তি ;

(ঙ) আঞ্চলিক পঞ্চায়তৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ অধীনত ন্যস্ত, নিৰ্মিত অথবা অৰ্পিত কোনো বিদ্যালয়, হস্পিতাল, ঔষধালয়, ঘৰ, অনুষ্ঠান বা কৰ্মৰ সকলো প্ৰাপ্তি ;

(চ) আঞ্চলিক পঞ্চায়তৰ বাবে গঠিত কোনো ন্যাস বা স্থায়ী নিধিৰ পৰা দান, বা বৰঙণি আৰু এক উপাৰ্জন হিচাপে পোৱা সকলো পৰিমাণৰ ধন;

(ছ) এই অধিনিয়মৰ উপবন্ধসমূহ, অথবা ইয়াৰ অধীনত গঠিত উপবিধিৰ অধীনত, যথাবিহিতভাৱে, আৰোপ আৰু সিদ্ধ কৰা তেনে জৰিমনা আৰু অৰ্থদণ্ড সমূহ, আৰু আঞ্চলিক পঞ্চায়তৰ হকে বা দ্বাৰা পোৱা সকলো অন্য পৰিমাণৰ ধন।

(২) প্ৰতিখন আঞ্চলিক পঞ্চায়তে বিষয়া আৰু কৰ্মচাৰী সকলৰ দৰমহা, ভাট্টা, ভৱিষ্যনিধি আৰু পাৰিতোষিক আদায় কৰাকে সামৰি ইয়াৰ নিজৰ প্ৰশাসনীয় খৰচ বহন কৰিবৰ বাবে বাৰ্ষিক ভাৱে তেনে পৰিমানৰ ধন আছুতীয়াকৈ ৰাখিব আৰু প্ৰয়োগ কৰিব। চৰকাৰৰ আগতীয়া অনুমোদন অবিহনে প্ৰতিষ্ঠানৰ ওপৰত কৰা মুঠ ব্যয় আঞ্চলিক পঞ্চায়তৰ মুঠ ব্যয়ৰ এক-তৃতীয়াংশতকৈ অধিক হ'ব নোৱাৰিব।

(৩) এই অধিনিয়মৰ উদ্দেশ্য সাধনৰ বাবে উচিত বুলি বিবেচনা কৰা তেনে পৰিমাণৰ ধন প্ৰতিখন আঞ্চলিক পঞ্চায়তে খৰচ কৰাৰ ক্ষমতা থাকিব।

(৪) আঞ্চলিক পঞ্চায়তৰ পুজি আঞ্চলিক পঞ্চায়তৰ ওপৰত ন্যস্ত হ'ব।

(৫) আঞ্চলিক পঞ্চায়তে সময়ে সময়ে প্ৰয়োগ কৰিব পৰা, তেনে সাধাৰণ নিয়ন্ত্ৰণ সাপেক্ষে, আঞ্চলিক পঞ্চায়তৰ পুজিৰ পৰা আদায় দিয়া সকলো আদেশ আৰু ধনাদেশত কাৰ্য্যবাহী বিষয়াগৰাকীয়ে চহী কৰিব।

**কৰসমূহ**

৫৭। (১) চৰকাৰে বিহিত কৰা সৰ্বোচ্চ নিৰিখ সাপেক্ষে, এখন আঞ্চলিক পঞ্চায়তে,

(ক) ইয়াৰ ওপৰত ন্যস্ত অথবা ইয়াৰ পৰিচালনাৰ অধীনত থকা কেঁচা ৰাস্তা বা কোনো দলঙৰ বাহিৰে যিকোনো পথত ই স্থাপন কৰা কোনো উপশুল্ক ডাঙত, ব্যক্তি, যান-বাহন বা পশু বা সিহতঁৰ যিকোনো শ্ৰেণীৰ ওপৰত উপশুল্ক উদ্‌গ্ৰহণ কৰিব পাৰে;

(খ) ইয়াৰ দ্বাৰা স্থাপন হোৱা, বা ইয়াৰ পৰিচালনাৰ অধীনত থকা কোনো পাৰঘাটৰ ক্ষেত্ৰত উপশুল্ক উদ্‌গ্ৰহণ কৰিব পাৰে;

(গ) ভূমি ৰাজহৰ প্ৰতি টকাত ০.০২ (দুই পইচা) হাৰত ওপৰঞ্চি কৰ উদ্‌গ্ৰহণ কৰিব পাৰে;

(ঘ) এখন আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত লোৱা লঘু জলসিঞ্চন কাম সমূহৰ মূল্য আদায়ৰ বাবে এক উপকৰ বা পানীৰ নিৰিখ আৰু তেনে কাম সমূহ তদাৰক আৰু মেৰামতিৰ উদ্দেশ্যৰ বাবে প্ৰয়োজন হোৱা তেনে উপকৰ উদ্‌গ্ৰহণ কৰিব পাৰে;

(ঙ) পানী যোগান আৰু আলোকিতকৰণৰ ওপৰত এক কৰ উদ্‌গ্ৰহণ কৰিব পাৰে ;

(চ) এই অধিনিয়মৰ কোনো উপবন্ধৰ অধীনৰ অথবা তৎসময় বলবৎ থকা কোনো অধিনিয়মৰ অধীনৰ উদ্‌গ্ৰহণৰ বাহিৰে বৃত্তি, বেপাৰ, ব্যৱসায়, শিল্পোদ্যোগ আৰু উৎপাদনৰ ওপৰত এক কৰ উদ্‌গ্ৰহণ কৰিব পাৰে।

(ছ) চিত্ৰগৃহ, ইটা বা টাইলচৰ ভাটি, কাঠ ফলা কল, কাঠৰ গুদাম, ধানকল আৰু হুলাৰ (চেকুৰা গুচোৱা মেচিন), মেলাৰ মিঠৈৰ দোকান, আৰু বেকাৰী, ব্যক্তিগত মীনমহল অথবা বাণিজ্যিক উদ্দেশ্যৰ স্বাৰ্থত ব্যৱহৃত শাক-পাচলিৰ উদ্যানসমূহৰ বাবে মাচুল উদ্‌গ্ৰহণ কৰিব পাৰে।

(২) কৰসমূহ যথাবিহিত ধৰণেৰে আৰু যথা সময়ত আৰোপিত, নিৰ্দ্ধাৰিত আৰু সিদ্ধ কৰা হ'ব;

(৩) কোনো কৰ বা মাচুলৰ নিৰ্দ্ধাৰণ, উদ্‌গ্ৰহণ বা আৰোপত ক্ষুণ্ণ কোনো ব্যক্তিয়ে জিলা পৰিষদৰ ওচৰত আপীল কৰিব পাৰে।

(৪) ৰাজ্য চৰকাৰে কোনো কৰ বা মাচুলৰ উদ্‌গ্ৰহণ বা আৰোপণ স্থগিত কৰিব পাৰে আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যিকোনো সময়তে সংশ্লিষ্ট পঞ্চায়তৰ পৰামৰ্শ মৰ্মে এনে আৰোপণ বাতিল কৰিব পাৰে।

(৫) উপশুল্ক, মাচুল বা নিৰিখৰ মাপকাঠী আৰু সেইবিলাকৰ আৰোপণৰ বাবে নিয়ম আৰু চৰ্তাৱলীসমূহ, উপবিধিৰ দ্বাৰা উপবন্ধিত কৰাৰ দৰে হ'ব।

এনে উপবিধিসমূহে কোনো শ্ৰেণীক বা বিষয়ত সকলো বা কোনো উপশুল্ক, মাচুল বা নিৰিখৰ পৰা ৰেহাই দিব পাৰে।

(৬) এখন আঞ্চলিক পঞ্চায়তে ইয়াৰ পক্ষে প্ৰস্তুত কৰা তেনে নিয়মাৱলীৰ সাপেক্ষে, জিলা পৰিষদৰ অনুমোদন সাপেক্ষে এক নিৰ্দিষ্ট বেপাৰ বা বাণিজ্যৰ উন্নয়নৰ বাবে সা-সুবিধা উন্নীতকৰণৰ অৰ্থে সংগ্ৰহ কৰা পুৰ্জিৰ ব্যৱহাৰৰ উদ্দেশ্যে সেই নিৰ্দিষ্ট বেপাৰ বা বাণিজ্যৰ ওপৰত কৰ উদ্‌গ্ৰহণ কৰিব পাৰে।

**ঋণ আৰু নিক্ষেপ নিধি**

৫৮। (১) এখন আঞ্চলিক পঞ্চায়তে, স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা তৎসময় বলবৎ হোৱা ঋণ উত্থাপন সম্পৰ্কীয় কোনো বিধিৰ উপবন্ধ সমূহৰ সাপেক্ষে সময়ে সময়ে চৰকাৰৰ অনুমোদন মৰ্মে, এই অধিনিয়মৰ উদ্দেশ্যে ঋণ উঠাব পাৰে আৰু এনে ঋণৰ পুন: আদায়ৰ বাবে এটা নিক্ষেপ নিধি গঠন কৰিব পাৰে।

(২) আঞ্চলিক পঞ্চায়তৰ দ্বাৰা এই উদ্দেশ্যৰ বাবে প্ৰস্তুত কৰা নিৰ্দিষ্ট আঁচনি সমূহৰ ভিত্তিত ইয়াৰ উদ্দেশ্য সমূহ আগবঢ়াই নিয়াৰ বাবে এখন আঞ্চলিক পঞ্চায়তে চৰকাৰৰ পৰা বা চৰকাৰৰ পূৰ্ব অনুমোদন সাপেক্ষে, বেংক বা অন্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা, টকা ধাৰ লব পাৰে।

**আঞ্চলিক পঞ্চায়তৰ বাজেট**

৫৯। (১) প্ৰতিখন আঞ্চলিক পঞ্চায়তে, যথা বিহিত ধৰণেৰে আৰু যথা সময়ত, প্ৰত্যেক বছৰত ইয়াৰ প্ৰাক্ কলন প্ৰাপ্তি আৰু পৰৱৰ্তী বছৰৰ বিতৰণ সমূহৰ এখন বাজেট প্ৰস্তুত কৰিব আৰু বাজেট খন জিলা পৰিষদত দাখিল কৰিব।

(২) জিলা পৰিষদে, যথা বিহিত কৰা সময়ৰ ভিতৰত, হয় বাজেট খন অনুমোদন জনাব বা ই নিৰ্দেশ দিয়াৰ দৰে পৰিবৰ্তনৰ বাবে আঞ্চলিক পঞ্চায়তলৈ ঘূৰাই প ঠাব পাৰে। তেনে পৰিৱৰ্তন কৰাৰ পাছত, জিলা পৰিষদে বিহিত কৰা তেনে সময়ৰ ভিতৰত বাজেট খন দাখিল কৰিব। যদি আঞ্চলিক পঞ্চায়তে বছৰৰ শেষ ৰ দিনটো লৈকে জিলা পৰিষদৰ অনুমোদন নাপায়, বাজেটখন জিলা পৰিষদৰ দ্বাৰা অনুমোদন হোৱা বুলি গণ্য কৰা হব।

(৩) জিলা পৰিষদৰ দ্বাৰা বাজেট খন অনুমোদন নহ'লে কোনো ব্যয়ৰ ভাৰ নল'ব।

(৪) আঞ্চলিক পঞ্চায়তে প্ৰত্যেক বছৰতে ইয়াৰ বাজেটৰ কোনো পৰিৱৰ্তনৰ বাবে এক আনুষংগিক হিচাপ প্ৰস্তুত কৰিব পাৰে আৰু যথা বিহিত ধৰণেৰে আৰু যথা সময়ৰ ভিতৰত জিলা পৰিষদৰ অনুমোদনৰ বাবে দাখিল কৰিব পাৰে।

**আঞ্চলিক পঞ্চায়তৰ হিচাপ**

৬০। এখন আঞ্চলিক পঞ্চায়তে হিচাপ পত্ৰ সমূহ যথাবিহিত ৰূপত ৰাখিব।

**হিচাপ পৰীক্ষা**

৬১। (১) চৰকাৰে যথাবিহিত কৰা প্ৰাধিকাৰীয়ে আঞ্চলিক পঞ্চায়তৰ হিচাপ পত্ৰসমূহৰ পৰীক্ষা সম্পন্ন কৰিব আৰু হিচাপ পৰীক্ষা সম্পূৰ্ণ কৰাৰ এমাহৰ ভিতৰত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰতিলিপি আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদ আৰু অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালক গৰাকীলৈ প্ৰেৰণ কৰিব।

(২) উপ-ধাৰা (১) ত উল্লেখ কৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদন প্ৰাপ্তিৰ পাছত, হিচাপ পৰীক্ষাত আঙুলিয়াই দিয়া ক্ৰটি বা অনিয়মসমূহ আঞ্চলিক পঞ্চায়তে তিনিমাহৰ ভিতৰত প্ৰতিকাৰ কৰিব আৰু তেনে কৰাৰ সূচনা, জিলা পৰিষদ আৰু অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালক গৰাকীলৈ প্ৰেৰণ কৰিব অথবা ই উচিত বুলি বিবেচনা কৰা তেনে ক্ৰটি বা অনিয়মসমূহৰ সম্পৰ্কে, উক্ত সময়ৰ ভিতৰত ইয়াত উল্লেখিত প্ৰাধিকাৰীসমূহক কোনো ওপৰঞ্চি কৈফিয়ৎ দাখিল কৰিব।

**আঞ্চলিক পঞ্চায়তৰ কৰ্মচাৰীবৰ্গ**

৬২। (১) এখন আঞ্চলিক পঞ্চায়ত এটা উন্নয়ন খণ্ডৰ লগত সমকালীন হোৱাৰ বাবে চৰকাৰে নিয়োগ কৰা এজন কাৰ্য্যবাহী বিষয়া থাকিব যিগৰাকী পদেন সচিব হ'ব।

পৰন্তু, চৰকাৰে নিয়োগ কৰা খণ্ড উন্নয়ন বিষয়াগৰাকী বা তেনে অন্য বিষয়াই আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যবাহী বিষয়া আৰু সচিবৰ পদ ধাৰণ কৰিব।

(২) আঞ্চলিক পঞ্চায়তৰ অন্য কৰ্মচাৰীবৰ্গক অধিনিয়মখনৰ ১৪০ ধাৰাত উপবন্ধিত থকাৰ দৰে নিযুক্তি দিয়া হ'ব। আঞ্চলিক পঞ্চায়তৰ অধীনত কৰ্মৰত প্ৰাদেশিকৃত পঞ্চায়ত কৰ্মচাৰীৰ ক্ষেত্ৰত, পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালক গৰাকী নিযুক্তি প্ৰাধিকাৰী হ'ব।

(৩) যদি সময়ে সময়ে প্ৰয়োজনীয় বুলি বিবেচনা কৰে, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ উপৰিও আঞ্চলিক পঞ্চায়তৰ অধীনত কাম কৰিবৰ বাবে চৰকাৰে কৰ্মচাৰীসমূহক নিযুক্ত/প্ৰেৰণ কৰিব পাৰে।

(৪) এই অধিনিয়ম বা তৎসময় বলবৎ কোনো বিধিত যিকোনো কথা থাকিলেও, সংশ্লিষ্ট জিলা পৰিষদৰ সৈতে পৰামৰ্শক্ৰমে চৰকাৰ অথবা অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণৰ, সঞ্চালক গৰাকীৰ, যথাস্থিতি, সংশ্লিষ্ট বিষয়াসকল আৰু প্ৰাদেশিকৃত কৰ্মচাৰী বৰ্গৰ বদলি ঘটোৱাৰ ক্ষমতা থাকিব।

**আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যবাহী বিষয়াৰ ক্ষমতা আৰু কৃত্যসমূহ**

৬৩। (১) এই অধিনিয়মৰ দ্বাৰা বা অধীনত অন্যথা স্পষ্টভাৱে উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, কাৰ্য্যবাহী বিষয়াগৰাকীয়ে,-

(ক) এই অধিনিয়ম, বা তৎসময় বলবৎ কোনো অন্য বিধিৰ দ্বাৰা বা অধীনত, তেওঁৰ ওপৰত বিশেষভাৱে আৰোপ কৰা বা অৰ্পণ কৰা সকলো ক্ষমতা প্ৰয়োগ কৰিব,

(খ) চৰকাৰৰ দ্বাৰা গঠিত নিয়ম অনুসৰি আঞ্চলিক পঞ্চায়তৰ অধীনত পদ ধাৰণ কৰা বিষয়া আৰু অধিকাৰীসকলৰ কৰ্তব্য বিহিত কৰিব আৰু কামৰ তদাৰক কৰিব,

(গ) আঞ্চলিক পঞ্চায়তৰ সকলো কাম সম্পাদনৰ তদাৰক আৰু নিয়ন্ত্ৰণ কৰিব;

(ঘ) আঞ্চলিক পঞ্চায়তৰ সকলো কাম আৰু উন্নয়ন আঁচনি সমূহৰ ক্ষিপ্ৰ সম্পাদনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব;

(ঙ) আঞ্চলিক পঞ্চায়তৰ বৈঠকৰ কাৰ্য্যবিৱৰণীৰ সৈতে জড়িত সকলো নথি-পত্ৰ আৰু দলিল সমূহৰ অভিৰক্ষাত থাকিব;

(চ) আঞ্চলিক পঞ্চায়তৰ পুঁজিৰ পৰা ধন উলিয়াব আৰু বিতৰণ কৰিব ; আৰু

(ছ) যথা বিহিত তেনে অন্য ক্ষমতা সমূহ প্ৰয়োগ কৰিব আৰু তেনে অন্য কৃত্য সমূহ নিৰ্বহণ কৰিব।

(২) কাৰ্য্যবাহী বিষয়াগৰাকী আঞ্চলিক পঞ্চায়তৰ প্ৰতিখন বৈঠকত উপস্থিত থাকিব আৰু ইয়াৰ সমিতি সমূহৰ বৈঠকত উপস্থিত থকাৰ আৰু আলোচনাত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব কিন্তু কোনো প্ৰস্তাৱ উত্থাপন কৰাৰ অথবা ভোটদানৰ অধিকাৰ নাথাকিব। যদি কাৰ্য্যবাহী বিষয়াগৰাকীৰ অভিমত মতে আঞ্চলিক পঞ্চায়তৰ কোনো প্ৰস্তাৱে এই অধিনিয়মৰ উপবন্ধ সমূহৰ, অথবা অন্য কোনো বিধিৰ, অধীনত গঠিত নিয়ম কিম্বা আদেশৰ উলংঘন কৰে বা অসংগত হয়, ইয়াক আঞ্চলিক পঞ্চায়তৰ দৃষ্টিগোচৰ কৰাটো তেওঁৰ কৰ্তব্য হ'ব।

## অধ্যায় – ৬

### জিলা পৰিষদৰ স্থাপন আৰু গঠন

**জিলা পৰিষদৰ স্থাপন**

৬৪। (১) এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰতিখন জিলাৰ বাবে সম্পূৰ্ণ জিলাৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা, এখন জিলা পৰিষদ থাকিব, জিলাৰ তেনে অংশক বাদ দি যি পৌৰ সভা বা এখন পৌৰ নিগম, যথাস্থিতিৰ, অন্তৰ্ভুক্ত হয় অথবা নগৰ সমিতি বা অনাময় বোৰ্ড বা সেনানিবাস প্ৰাধিকাৰীৰ অধীনৰ এলেকা অথবা ইয়াৰ বিপৰীতে তৎসময়

বলবৎ থকা কোনো বিধিৰ অধীনৰ কোনো অধিসূচিত এলেকা:

পৰন্তু এখন জিলা পৰিষদৰ কাৰ্য্যালয় ওপৰত কোৱা জিলাখনৰ বাদ দিয়া অংশৰ কোনো এলেকাত আৰু চৰকাৰে তেনে কাৰ্য্যালয়ৰ বাবে অধিসূচিত কৰা তেনে এলেকাত হ'ব পাৰে আৰু ইয়াৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ অধীনৰ প্ৰতিষ্ঠান সমূহৰ ওপৰত ইয়াৰ ক্ষমতা আৰু কৃত্যসমূহ সম্পাদন কৰিব পাৰে।

(২) প্ৰতিখন জিলা পৰিষদ"...........................................জিলা পৰিষদ" নামেৰে শ্বাশ্বত উত্তৰাধিকাৰ আৰু এটা উমৈহতীয়া মোহৰ থকা এখন নিগম নিকায় হ'ব আৰু এইখন বা অন্য কোনো অধিনিয়মৰ অধীনত আৰোপিত বাধা সাপেক্ষে, ইয়াৰ নিগম নিকায়ৰ নামত মামলা দায়েৰ কৰিব আৰু আইনত : প্ৰতিকাৰৰ ব্যৱস্থা কৰিব পৰা, ইয়াৰ প্ৰাধিকাৰ থকা এলেকাৰ পৰিসীমাৰ বাহিৰত বা ভিতৰতেই হওঁক, স্থাৱৰ বা অস্থাৱৰ সম্পত্তি আহৰণ, ধাৰণ আৰু হস্তান্তৰ কৰা, চুক্তি কৰাৰ সামৰ্থ্যৰ সৈতে আৰু ইয়াক গঠন কৰাৰ উদ্দেশ্যৰ বাবে প্ৰয়োজনীয়, উপযুক্ত কিম্বা কালোচিত সকলো কাম কৰিব।

**জিলা পৰিষদৰ গঠন**

৬৫। (১) জিলা পৰিষদ গঠিত হ'ব:-

[১] [(i) জিলাখনৰ ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টি সমূহৰ পৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যসকলেৰে :

পৰন্তু ৰাজ্য চৰকাৰে জিলাখনৰ সমগ্ৰ জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি অতিকমেও ৩০ হাজাৰ জনসংখ্যাৰ বাবে এজনকৈ সদস্যৰ হাৰত জিলাখনত ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টি সমূহ নিৰ্দ্ধাৰণ কৰিব আৰু সেই প্ৰত্যেক ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিয়ে প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে বিহিত ধৰণে জিলা পৰিষদলৈ এজনকৈ সদস্য নিৰ্বাচিত কৰিব:

উপৰন্তু প্ৰতিটো বিধান সভাৰ নিৰ্বাচন সমষ্টিত চাৰিটা ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টি থাকিব আৰু যদি ৩০ হাজাৰতকৈ কম জনসংখ্যাৰ বিধান সভাৰ নিৰ্বাচন সমষ্টিৰ এটা অংশ জিলাখনৰ ভিতৰত পৰে, তেতিয়াহ'লে এই অংশটোৱে এটা ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টি গঠন কৰিব] :

[২] [অধিকন্তু পৌৰসভা বা পৌৰনিগম, যথাস্থিতি অথবা নগৰসমিতি বা অনাময় বৰ্ড বা সেনানিৱাস এলেকাৰ প্ৰাধিকাৰীৰ অধীনত থকা কিম্বা তৎসময় বলৱৎ থকা কোনো বিধিৰ অধীনত নগৰীয় এলেকা বুলি ভৱা কোনো অধিসূচিত এলেকা অন্তৰ্ভুক্ত হোৱা বিধান সভাৰ নিৰ্বাচন সমষ্টিটো যাৰ নগৰীয় জনসংখ্যা, চাৰিটা ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিতকৈ কম হ'ব পাৰে আৰু যদি এই বিধান সভাৰ সমষ্টিটোৰ গ্ৰাম্য জনসংখ্যা ৩০ হাজাৰতকৈ কম হয়, ই এটা ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টি গঠন কৰিব পাৰে।]

(ii) আঞ্চলিক পঞ্চায়তসমূহৰ সভাপতিসকলেৰে ;

(iii) জিলাখনৰ অন্তৰ্ভুক্ত হোৱা নিৰ্বাচন সমষ্টিসমূহৰ সম্পূৰ্ণ বা আংশিকভাৱে জিলাখনক প্ৰতিনিধিত্ব কৰা লোকসভাৰ সদস্য আৰু ৰাজ্যিক বিধানসভা সদস্যসকলেৰে।

---

১। ১৯৯৭ চনৰ অসম অধিনিয়ম নং ১০ৰ দ্বাৰা অন্ত:স্থাপিত।
২। ১৯৯৭ চনৰ অসম অধিনিয়ম নং ২৩ৰ দ্বাৰা প্ৰতি:স্থাপিত।

[1] [(২) অনাস্থা প্ৰস্তাৱ য'ত কেৱল প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যসকল আৰু চৰকাৰৰ মনোনীত সদস্যসকলেহে এনে অধিকাৰ প্ৰয়োগ কৰিব, তাৰ বাহিৰে সকলো সদস্যৰে ভোটাধিকাৰ থাকিব]

**অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষণ**

৬৬। (১) প্ৰতিখন জিলা পৰিষদত অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষণ কৰিব আৰু সেই জিলা পৰিষদ এলেকাৰ মুঠ জনসংখ্যাৰ সৈতে সেই জিলা পৰিষদ এলেকাৰ অনুসূচীত জাতিৰ জনসংখ্যা অথবা অনুসূচীত জনজাতিৰ জনসংখ্যাৰ যি অনুপাত, যথাসম্ভৱ নিকটতম ঠিক সেই একেই অনুপাতত সেই জিলা পৰিষদৰ প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যসকলৰ মাজৰ পৰা পূৰ্ণ কৰা মুঠ আসনৰ সংখ্যাৰ সৈতে সংৰক্ষিত আসনে বহন কৰিব আৰু সেইদৰে বিহিত পদ্ধতিৰে জিলা পৰিষদৰ বিভিন্ন নিৰ্বাচন সমষ্টি সমূহলৈ তেনে সংখ্যক আসন আৱৰ্তনৰ দ্বাৰা আৱণ্টন দিব পাৰিব।

**অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে আসন সংৰক্ষণ**

(২) উপ-ধাৰা (১) ৰ অধীনত সংৰক্ষিত মুঠ আসনৰ সংখ্যাৰ কমেও এক-তৃতীয়াংশ অনুসূচীত জাতি অথবা অনুসূচীত জনজাতিৰ, যথাস্থিতি, মহিলা সকলৰ বাবে সংৰক্ষণ কৰিব।

**মহিলা সকলৰ বাবে আসন সংৰক্ষণ**

৬৭। (১) ধাৰা-৬৬ৰ উপ-ধাৰা (২) ৰ অধীনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনৰ সংখ্যাক সামৰি, ধাৰা ৬৫ৰ উপ-ধাৰা (২)ৰ অধীনত প্ৰত্যক্ষভাৱে নিৰ্বাচিত সদস্যসকলৰ মাজৰপৰা পূৰ্ণ কৰিব লগীয়া আসনৰ মুঠ সংখ্যাৰ [2][পঞ্চাশ শতাংশ] মহিলাৰ বাবে সংৰক্ষিত থাকিব আৰু তেনে আসন সমূহ জিলা পৰিষদৰ অধীনত বিহিত পদ্ধতিৰে বিভিন্ন নিৰ্বাচন সমষ্টিসমূহলৈ আৱৰ্তনৰ দ্বাৰা আৱণ্টন দিব পাৰিব।

(২) যদি জিলা পৰিষদত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ পৰা আৰু সাধাৰণ শ্ৰেণীৰ পৰা মহিলাই প্ৰতিনিধিত্ব নকৰে, চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে তেনে শ্ৰেণীৰপৰা এগৰাকী সদস্য মনোনীত কৰিব পাৰে।

**জিলা পৰিষদৰ কাৰ্য্যকাল**

৬৮। অধিনিয়মত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰতিখন জিলা পৰিষদ প্ৰথমখন বৈঠক হোৱাৰ তাৰিখৰ পৰা পাঁচ বছৰৰ অধিক নোহোৱা এক কালৰ বাবে চলি থাকিব।

---

১। ১৯৯৭ চনৰ অসম অধিনিয়ম নং ১০ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। ২০১১ চনৰ অসম অধিনিয়ম নং ৭ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**জিলা পৰিষদ ভংগ কৰিবলৈ হোৱা নিৰ্বাচন**

৬৯। (১) জিলা পৰিষদ গঠন কৰিবলৈ হোৱা নিৰ্বাচন সম্পূৰ্ণ হ'ব-

(ক) ধাৰা-৬৮ ত নিৰ্দ্ধাৰিত মতে,ইয়াৰ কালাৱধি অৱসানৰ পূৰ্বে;

(খ) ভংগ কৰাৰ ক্ষেত্ৰত, ইয়াক ভংগ কৰা তাৰিখৰ পৰা ছয়মাহ উকলি যোৱাৰ পূৰ্বে:

পৰন্তু য'ত ভংগ কৰা জিলা পৰিষদখন নিৰ্দ্ধাৰিত সময়ৰ ছয়মাহৰ কম সময়ৰ বাবেহে বাহাল থাকিলেহেতেঁন, এই দফাৰ অধীনত তেনে সময়ৰ বাবে জিলা পৰিষদ গঠন কৰিবলৈ কোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নাই।

(২) ইয়াৰ নিৰ্দ্ধাৰিত সময় উকলি যোৱাৰ পূৰ্বে ভংগ কৰাত গঠিত এখন জিলা পৰিষদ মাত্ৰ অৱশিষ্ট নিৰ্দ্ধাৰিত কালৰ বাবেহে বাহাল থাকিব, ইয়াক ভংগ নকৰা হ'লে যিটো সময়ৰ বাবে জিলা পৰিষদখন উপ-ধাৰা (১) ৰ অধীনত বাহাল থাকিলহেতেঁন।

**জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন**

৭০। (১) যেতিয়া ধাৰা-৬৪ৰ অধীনত জিলা পৰিষদ খন গঠন কৰা হয়, উপায়ুক্ত গৰাকীয়ে ধাৰা-[১][৬৫(১) (i)] ৰ অধীনত প্ৰত্যক্ষভাৱে নিৰ্বাচিত হোৱা সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজৰ পৰা এগৰাকী সভাপতি আৰু এগৰাকী উপ-সভাপতিৰ নিৰ্বাচনৰ বাবে জিলা পৰিষদৰ এখন বৈঠক আহ্বান কৰিব (যিখনক জিলা পৰিষদৰ প্ৰথম বৈঠক বুলি কোৱা হ'ব)।

(২) জিলা পৰিষদৰ সভাপতি অথবা উপ-সভাপতিৰ নিৰ্বাচন আৰু উক্ত পদৰ ৰিক্ততা পূৰণ কৰা আৰু তেনে নিৰ্বাচন সম্পৰ্কীয় বিবাদৰ নিষ্পত্তি ৰাজ্য চৰকাৰ/ৰাজ্যিক নিৰ্বাচন আয়োগৰ দ্বাৰা যথাবিহিত নিয়মাৱলী অনুসৰি হ'ব।

**[২][জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতি পদৰ বাবে সংৰক্ষণ**

৭০ ক। (১) যথাবিহিত কৰা তেনে ধৰণেৰে জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ তেনে সংখ্যক পদ, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষণ কৰিব আৰু তেনে সংখ্যক পদে ৰাজ্যখনৰ মুঠ পদৰ যথাসম্ভৱ নিকটতম একে অনুপাত বহন কৰিব যি ৰাজ্যখনত অনুসূচীত জাতি বা অনুসূচীত জনজাতিয়ে ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ লগত বহন কৰে। .

(২) উপ-ধাৰা (১)ৰ অধীনত সংৰক্ষিত মুঠ পদৰ সংখ্যাৰ [৩][পঞ্চাশ শতাংশ] অনুসূচীত জাতি অথবা অনুসূচীত জনজাতি, যথাস্থিতি মহিলাৰ বাবে সংৰক্ষণ কৰিব।

(৩) ৰাজ্যখনত জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ মুঠ পদৰ সংখ্যাৰ (অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত পদৰ সংখ্যাক সামৰি) [৪][পঞ্চাশ শতাংশ] মহিলাৰ বাবে সংৰক্ষণ কৰিব আৰু যথাবিহিত ধৰণেৰে তেনে পদ আৱৰ্তনৰ জৰিয়তে বিভিন্ন জিলা পৰিষদক আবণ্টন দিব পাৰে।]

---

১। ১৯৯৭ চনৰ ১০নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। ২০০১ চনৰ ১৬ নং অসম অধিনিয়মৰ দ্বাৰা স্থাপিত।

৩। ২০১১ চনৰ ৭নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৪।২০১১ চনৰ ৭নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**সভাপতি আৰু উপ-সভাপতিৰ ভাট্টা আৰু সদস্যৰ বৈঠক মাচুল আৰু ভাট্টা**

৭১। (১) সভাপতি আৰু উপ-সভাপতিৰ ভাট্টা চৰকাৰে যথাবিহিত কৰাৰ দৰে হ'ব।

(২) সভাপতি আৰু উপ-সভাপতিৰ বাদে জিলা পৰিষদৰ প্ৰতিজন সদস্যই, চৰকাৰে যথাবিহিত কৰা তেনে বৈঠক মাচুল আৰু ভাট্টাৰ দাবীদাৰ হ'ব।

**সভাপতি আৰু উপ-সভাপতিৰ পদত্যাগ বা অপসাৰণ**

৭২। (১) জিলা পৰিষদৰ সভাপতি হিচাপে পদ ধাৰণ কৰি থকা সদস্য গৰাকীয়ে যিকোনো সময়তে লিখিতৰূপে তেখেতৰ পদৰ পৰা পদত্যাগ কৰিব আৰু ইয়াক উপায়ুক্তৰ জৰিয়তে চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে আৰু জিলা পৰিষদৰ উপ-সভাপতি গৰাকীয়ে যিকোনো সময়তে লিখিতৰূপে তেখেতৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে আৰু জিলা পৰিষদৰ সভাপতি গৰাকীলৈ আৰু সভাপতিৰ অনুপস্থিতিত, উপায়ুক্ত গৰাকীৰ জৰিয়তে চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে আৰু তেনে পদত্যাগৰ তাৰিখৰ পৰা পোন্ধৰদিন উকলাত পদটো ৰিক্ত হ'ব যদিহে উক্ত পোন্ধৰদিনৰ ভিতৰত তেখেতে লিখিতৰূপে তেনে পদত্যাগ প্ৰত্যাহাৰ আৰু ইয়াক সভাপতিৰ ক্ষেত্ৰত চৰকাৰলৈ আৰু উপ-সভাপতিৰ ক্ষেত্ৰত সভাপতিলৈ, যথাস্থিতি, প্ৰেৰণ নকৰে।

(২) জিলা পৰিষদৰ প্ৰতিজন সভাপতি বা উপ-সভাপতিয়ে পদ ৰিক্ত কৰিব যদি তেওঁ জিলা পৰিষদৰ সদস্য হৈ নাথাকে।

**জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ**

৭৩। (১) জিলা পৰিষদৰ প্ৰতিজন সভাপতি আৰু উপ-সভাপতিৰ পদ অবিলম্বে ৰিক্ত হ'ব বুলি গণ্য কৰিব লাগিব যদি এই উদ্দেশ্যে বিশেষভাৱে আহ্বান কৰা এখন বৈঠকত তেখেতৰ ওপৰত আস্থাৰ অভাৱ বুলি ব্যক্ত কৰা প্ৰস্তাৱ জিলা পৰিষদৰ সদস্য হিচাবে প্ৰত্যক্ষভাৱে নিৰ্বাচিত মুঠ সদস্যৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা পাৰিত হয় আৰু যদি প্ৰস্তাৱটো সভাপতিৰ বিৰুদ্ধে হয় উপ-সভাপতিয়ে সভাপতিত্ব কৰিব আৰু যদি প্ৰস্তাৱটো উপ-সভাপতিৰ বিৰুদ্ধে হয় তেনে বৈঠকত জিলা পৰিষদৰ সভাপতি গৰাকীয়ে সভাপতিত্ব কৰিব।

(২) যদি উপ-সভাপতি নাথাকে উপস্থিত সদস্য সকলে তেওঁলোকৰ মাজৰ পৰা এজনক তেনে বৈঠকত সভাপতিত্ব কৰিবলৈ বাচনি কৰিব:

পৰন্তু মুঠ সদস্য সংখ্যাৰ এক-তৃতীয়াংশই তেনে এটা প্ৰস্তাৱৰ বাবে জাননীত স্বাক্ষৰ প্ৰদান কৰিব আৰু ইয়াক সভাপতি গৰাকীক দিব আৰু সভাপতি গৰাকীয়ে জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা সাত দিনৰ ভিতৰত বৈঠক আহ্বান কৰিব। বৈঠকৰ জাননী জাৰি কৰাৰ তাৰিখৰ পৰা পোন্ধৰদিনৰ পলম নোহোৱা এটা দিনত বৈঠকখন অনুষ্ঠিত কৰিব।যদি সভাপতি গৰাকীয়ে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত বৈঠকখন আহ্বান কৰাত ব্যৰ্থ হয়, সদস্যসকলে উদ্দেশ্যটোৰ বাবে উপায়ুক্ত গৰাকীক অনুৰোধ জনাব, যিয়ে জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকীক বৈঠকখন আহ্বান কৰাৰ নিৰ্দেশ দিব।

[১][উপৰন্তু উপায়ুক্ত গৰাকীয়ে সদস্যসকলৰ অনুৰোধ প্ৰাপ্তিৰ তাৰিখৰপৰা সাত দিনৰ ভিতৰত মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীক বৈঠক আহ্বান কৰিবলৈ নিৰ্দেশ দিব আৰু মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীয়ে নিৰ্দেশনা প্ৰাপ্তিৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ ভিতৰত বৈঠক আহ্বান কৰিব। উপায়ুক্ত গৰাকীয়ে তেনে বৈঠকত সভাপতিত্ব কৰিব। তেখেত অসমৰ্থ হ'লে, উপায়ুক্ত গৰাকীয়ে অতিৰিক্ত উপায়ুক্ত পদবীৰ নিম্ন নোহোৱা বিষয়া সকলৰ এজনক তেনে বৈঠকত সভাপতিত্ব কৰিবলৈ প্ৰতিনিযুক্ত কৰিব।

১। ১৯৯৭ চনৰ অসম অধিনিয়ম নং ১০ ৰ দ্বাৰা স্থাপিত।

যদি উপ-ধাৰা (১) ৰ অধীনত, সদস্যসকলে জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতি দুয়োগৰাকীৰ ওপৰত একে সময়তে আস্থাৰ অভাৱ প্ৰকাশ কৰে আৰু জাননী প্ৰেৰণ কৰে, জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীয়ে জাননী প্ৰাপ্তিৰ তাৰিখৰপৰা তিনি দিনৰ ভিতৰত বিষয়টো সংশ্লিষ্ট উপায়ুক্তগৰাকীক অৱগত কৰিব আৰু সংশ্লিষ্ট উপায়ুক্ত গৰাকীয়ে জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীক নিৰ্দেশনা প্ৰাপ্তিৰ তাৰিখৰপৰা পোন্ধৰ দিনৰ ভিতৰত বৈঠকখন পৃথককৈ আহ্বান কৰিবলৈ, প্ৰথমে সভাপতি গৰাকীৰ বিৰুদ্ধে থকা প্ৰস্তাৱ বিবেচনা কৰিবলৈ আৰু পিছদিনা উপ-সভাপতি গৰাকীৰ বিৰুদ্ধে থকা প্ৰস্তাৱ বিবেচনা কৰিবলৈ নিৰ্দেশ দিব আৰু তেনে বৈঠকত সভাপতিত্ব কৰিব। সভাপতিত্ব কৰিবলৈ অসমৰ্থ হ'লে, উপায়ুক্ত গৰাকীয়ে তেখেতৰ অধীনস্থ অতিৰিক্ত উপায়ুক্ত পদৱীৰ নিম্ন নোহোৱা বিষয়াসকলৰ এগৰাকীক প্ৰতিনিযুক্ত কৰিব: ]

[১][ অধিকন্তু যদি তেনে বৈঠক বা বৈঠকসমূহত যথাস্থিতি প্ৰয়োজনীয় সংখ্যাৰ সদস্য অনুপস্থিত পৰিস্থিতিৰ বাবে বৈঠকখন অনুষ্ঠিত কৰাটো সম্ভৱ নহয়, অনাস্থা প্ৰস্তাৱটো স্বয়ংক্ৰিয় ভাৱে বাতিল হ'ব আৰু, প্ৰস্তাৱটো বিফল হোৱা বুলি গণ্য কৰা হ'ব, যি স্থিতিত তেনে কোনো প্ৰস্তাৱক আগন্তুক ছয় মাহৰ ভিতৰত অনুমতি দিয়া নহ'ব।]

**জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ অপসাৰণ**

৭৪। (১) এই অধিনিয়মৰ অধীনত উপবন্ধৰ প্ৰতিকূলভাৱাপন্নৰ অবিহনে জিলা পৰিষদৰ এজন সভাপতি বা এজন উপ-সভাপতি বা এজন সদস্য তেখেতৰ কৰ্তব্য নিৰ্বহনত দুৰাচাৰ বা অৱমাননা অথবা তেখেতৰ কৰ্তব্য সম্পাদন কৰাৰ অসামৰ্থ্যতা বা নিৰ্বহন কৰোঁতে নিৰন্তৰ ভাৱে হোৱা অসাৱধানতাৰ বাবে অথবা মৰ্য্যদা হানিকৰ কোনো আচৰণৰ বাবে জগৰীয়া হ'লে ৰাজ্য চৰকাৰে পদৰপৰা অপসাৰিত কৰিব পাৰে। এবাৰ এইদৰে অপসাৰিত হোৱা সভাপতি, উপ-সভাপতি বা সদস্য গৰাকী তেনে জিলা পৰিষদৰ সভাপতি, উপ-সভাপতি বা সদস্য হিচাপে পদৰ অৱশিষ্ট ম্যাদৰ বাবে নিৰ্বাচিত হোৱাৰ যোগ্য নহ'ব :

পৰন্তু এখন জিলা পৰিষদৰ এনে সভাপতি, উপ-সভাপতি বা সদস্যক ৰাজ্য চৰকাৰে কৈফিয়ৎ দিয়াৰ বাবে যুক্তিযুক্ত সুযোগ নিদিয়াকৈ তেখেতৰ পদৰ পৰা অপসাৰিত কৰিব নোৱাৰে।

(২) উপ-ধাৰা (১) ৰ অধীনত পদৰপৰা অপসাৰিত কৰা এগৰাকী সভাপতি বা উপ-সভাপতিক চৰকাৰে তেখেতক কৈফিয়ৎৰ বাবে যুক্তিযুক্ত সুযোগ দিয়াৰ পিছত জিলা পৰিষদৰ সদস্য পদৰ পৰাও অপসাৰিত কৰিব পাৰে।

১। ১৯৯৭ চনৰ অসম অধিনিয়ম নং ১০ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

**জিলা পৰিষদৰ বৈঠক**

৭৫। জিলা পৰিষদে ইয়াৰ পূৰ্ববৰ্তী বৈঠকত নিৰ্দ্ধাৰণ কৰা ধৰণে, তেনে সময়ত আৰু সংশ্লিষ্ট জিলাখনৰ স্থানীয় সীমাৰ ভিতৰৰ তেনে স্থানত, প্ৰতিখন জিলা পৰিষদে প্ৰতি তিনি মাহত অন্তত এবাৰকৈ বৈঠক অনুষ্ঠিত কৰিব:

পৰন্তু নতুনকৈ গঠিত জিলা পৰিষদৰ প্ৰথমখন বৈঠক, ৰাজ্য চৰকাৰে নিৰ্দ্ধাৰণ কৰা ধৰণে তেনে সময়ত আৰু সংশ্লিষ্ট জিলাৰ স্থানীয় সীমাৰ ভিতৰৰ তেনে স্থানত অনুষ্ঠিত হ'ব :

উপৰন্তু, জিলা পৰিষদৰ এক তৃতীয়াংশ সদস্যৰ লিখনিত যেতিয়া সভাপতি গৰাকীয়ে এখন বৈঠক আহ্বান কৰাৰ আৱশ্যক হয়, ১০ (দহ) দিনৰ ভিতৰত তেনে কৰিব, যিটোত ব্যৰ্থ হ'লে উক্ত সদস্যসকলে, চৰকাৰক সূচিত কৰি আৰু জিলা পৰিষদৰ সভাপতি আৰু অন্য সদস্যসকলক পূৰ্ণ ৭ (সাত) দিনৰ জাননী দিয়াৰ পিছত বৈঠক আহ্বান কৰিব পাৰে।

**জিলা পৰিষদৰ বৈঠকৰ থুল**

৭৬। (১) জিলা পৰিষদৰ এখন বৈঠকত কাৰ্য্য সম্পাদন কৰাৰ অৰ্থে জিলা পৰিষদৰ মুঠ সদস্যৰ এক তৃতীয়াংশই থুল গঠন কৰিব।

(২) এখন সাধাৰণ বৈঠকৰ বাবে কমেও দহ দিন পূৰ্বে আৰু এখন বিশেষ বৈঠকৰ বাবে কমেও সাত দিন পূৰ্বে জাননীত বৈঠক অনুষ্ঠিত হ'ব লগীয়া সময় আৰু তাত সম্পাদন হ'ব লগীয়া কাৰ্য্য সুনিশ্চিত কৰি সদস্যসকললৈ প্ৰেৰণ কৰিব আৰু জিলা পৰিষদৰ কাৰ্য্যালয়ৰ সূচনাফলকত আঠা লগাই দিব। এনে জাননীয়ে, বিশেষ বৈঠকৰ ক্ষেত্ৰত এনে বৈঠকৰ বাবে প্ৰস্তুত কৰা লিখিত অনুৰোধত উল্লেখিত কোনো প্ৰস্তাৱ বা প্ৰস্তাৱিত কাৰ্য্য অন্তৰ্ভুক্ত কৰিব।

(৩) যদি বৈঠকৰ বাবে নিৰ্দ্ধাৰিত সময়ত, থুল উপস্থিত নাথাকে, অধিষ্ঠাতা ব্যক্তি গৰাকীয়ে, ত্ৰিশ মিনিট সময় অপেক্ষা কৰিব আৰু যদি তেনে নিৰ্দ্ধাৰিত কালৰ ভিতৰত থুল হয় বৈঠকখন আগবঢ়াই নিব কিন্তু যদি তেনে নিৰ্দ্ধাৰিত কালৰ ভিতৰত থুল নহয়, অধিষ্ঠাতা ব্যক্তিগৰাকীয়ে ত্ৰিশ দিনৰ অধিক নোহোৱা ভৱিষ্যতৰ কোনো তাৰিখৰ তেনে সময়লৈ বৈঠকখন স্থগিত ৰাখিব। বৈঠক খন আৰম্ভ হোৱাৰ পিছত যিকোনো সময়তে থুলৰ অভাৱৰ প্ৰতি দৃষ্টি আকৰ্ষিত হলে তেওঁ বৈঠকখন একেদৰে স্থগিত কৰিব। তেনেদৰে স্থগিত বৈঠকবোৰত থুলৰ আৱশ্যক নাই আৰু মূল বৈঠকত যিবোৰ বিষয় উত্থাপিত হ'লহেঁতেন সেইবোৰ সম্পাদন কৰা হ'ব।

(৪) এখন সাধাৰণ অথবা বিশেষ বৈঠকত মুঠ সদস্য সংখ্যাৰ অতি কমেও আধা অংশৰ দ্বাৰা গৃহীত প্ৰস্তাৱৰ বাহিৰে জিলা পৰিষদৰ কোনো প্ৰস্তাৱ গৃহীত হোৱাৰ ছয় মাহৰ ভিতৰত সলনি বা নাকচ কৰিব নোৱাৰিব। উপ-ধাৰা (২)ৰ আৱশ্যকীয় খিনি পূৰণ কৰি আৰু তেনে বৈঠকত সম্পূৰ্ণৰূপে সলনি অথবা নাকচ কৰাৰ বাবে উত্থাপিত প্ৰস্তাৱটো আৰু তেনে প্ৰস্তাৱৰ সলনি বা নাকচৰ বাবে প্ৰস্তাৱ অথবা প্ৰস্তাৱিত কাৰ্য্য সম্পূৰ্ণৰূপে প্ৰকাশ কৰি ইয়াৰ জাননী দিয়া হ'ব।

(৫) বৈঠকখনৰ পৰ্য্যালোচনাৰ পাছত তাৎক্ষণিকভাৱে কাৰ্য্যবিৱৰণী বহীত প্ৰতিখন বৈঠকৰ কাৰ্য্যবিৱৰণী নথিভুক্ত কৰিব আৰু বৈঠকৰ অধ্যক্ষ গৰাকীয়ে পঢ়ি শুনোৱাৰ পাছত তেখেতে স্বাক্ষৰ কৰিব। জিলা পৰিষদৰ সিদ্ধান্তৰ ওপৰত গ্ৰহণ কৰা কাৰ্য্যৰ খতিয়ান জিলা পৰিষদৰ পৰৱৰ্তী বৈঠকত দাখিল ধৰিব। কাৰ্য্যবিৱৰণী বহীখন সকলো উপযুক্ত সময়ত জিলা পৰিষদৰ যিকোনো সদস্যৰ নিৰীক্ষণৰ বাবে মুকলি থাকিব। কাৰ্য্যবিৱৰণী বহীখন সদায় জিলা পৰিষদৰ কাৰ্য্যালয়ত ৰাখিব লাগিব আৰু এইখন মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীৰ অভিৰক্ষাত থাকিব।

(৬) এখন বৈঠকত জিলা পৰিষদে পাৰিত কৰা প্ৰতিটো প্ৰস্তাৱৰ এটা প্ৰতিলিপি বৈঠকৰ তাৰিখৰপৰা দহ দিনৰ ভিতৰত চৰকাৰলৈ প্ৰেৰণ কৰিব।

(৭) জিলা পৰিষদত উত্থাপিত সকলো প্ৰশ্ন গৰিষ্ঠসংখ্যক ভোটৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হ'ব :

পৰন্তু, ভোটৰ সমতাৰ ক্ষেত্ৰত, সভাপতি বা সভাপতিত্ব কৰা সদস্যগৰাকীৰ এটা নিৰ্ণায়ক ভোট থাকিব।

(৮) প্ৰতিখন বৈঠকত সভাপতিগৰাকীয়ে সভাপতিত্ব কৰিব অথবা যদি তেখেত অনুপস্থিত থাকে উপ-সভাপতি গৰাকীয়ে সভাপতিত্ব কৰিব আৰু যদি সভাপতি আৰু উপ-সভাপতি উভয়ে অনুপস্থিত থাকে অথবা সভাপতি গৰাকী অনুপস্থিত থাকে আৰু কোনো উপ-সভাপতি নাথাকে, উপস্থিত সদস্য সকলে তেওঁলোকৰ মাজৰপৰা এজনক সভাপতিত্ব কৰিবলৈ নিৰ্বাচন কৰিব।

**জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ ক্ষমতা/কৃত্য আৰু কৰ্তব্যসমূহ**

৭৭। (১) সভাপতিগৰাকীয়ে –

(ক) এই অধিনিয়মৰ আৰু ইয়াৰ অধীনত গঠিত নিয়মাৱলীৰ অধীনত জিলা পৰিষদৰ ওপৰত ন্যস্ত কৰা সকলো কৰ্তব্য সম্পাদন আৰু অৰ্পণ কৰা সকলো ক্ষমতা প্ৰয়োগ কৰিব;

(খ) জিলা পৰিষদৰ বৈঠক আহ্বান, সভাপতিত্ব আৰু পৰিচালনা কৰিব;

(গ) মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকী আৰু তেওঁৰ জৰিয়তে, জিলা পৰিষদৰ ব্যৱস্থাকৰণত চৰকাৰে সেৱা ন্যস্ত কৰিব পৰা সকলো বিষয়া আৰু কৰ্মচাৰীসকলৰ প্ৰশাসনীয় তদাৰক কৰিব;

(ঘ) জিলা-পৰিষদে সাধাৰণ প্ৰস্তাৱৰ জৰিয়তে নিৰ্দেশ দিয়া, অথবা চৰকাৰে, এই ক্ষেত্ৰত গঠিত নিয়মাৱলীৰ দ্বাৰা বিহিত কৰাৰ দৰে তেনে অন্য ক্ষমতা প্ৰয়োগ, তেনে অন্য কৃত্য সম্পাদন আৰু তেনে অন্য কৰ্তব্য নিৰ্বহন কৰিব;

(ঙ) জিলা পৰিষদৰ বিত্তীয় আৰু কাৰ্য্যবাহী প্ৰশাসনৰ সমগ্ৰ তদাৰক কৰিব আৰু ইয়াৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তা দৃষ্টিগোচৰ হোৱা সকলোবোৰ প্ৰশ্ন তেওঁ জিলা পৰিষদত উত্থাপন কৰিব আৰু এই উদ্দেশ্যৰ বাবে জিলা পৰিষদৰ নথি তলব কৰিব পাৰে।

(২) উপ-সভাপতি গৰাকীয়ে,-

(ক) সভাপতিগৰাকীৰ অনুপস্থিতিত, জিলা পৰিষদৰ বৈঠকত সভাপতিত্ব কৰিব;

(খ) বিহিত নিয়মাৱলীৰ সাপেক্ষে, সভাপতিগৰাকীয়ে সময়ে সময়ে লিখিত আদেশৰ দ্বাৰা তেওঁক অৰ্পণ কৰা, সভাপতিগৰাকীৰ তেনে ক্ষমতা সমূহ প্ৰয়োগ আৰু তেনে কৰ্তব্য সমূহ সম্পাদন কৰিব ; আৰু

(গ) সভাপতিৰ নিৰ্বাচনৰ অপেক্ষাকালত বা জিলাখনত সভাপতিগৰাকীৰ অনুপস্থিতিৰ সময়ত, অথবা ৩০ (ত্ৰিশ) দিনৰ অধিক কালৰ বাবে লোৱা ছুটীৰ কাৰণে, সভাপতিগৰাকীৰ ক্ষমতা সমূহৰ প্ৰয়োগ আৰু কৰ্তব্য সমূহ সম্পাদন কৰিব।

**জিলা পৰিষদৰ বৈঠকত চৰকাৰী বিষয়াৰ উপস্থিতি**

৭৮। যদি এখন জিলা পৰিষদে জিলা পৰিষদৰ এখন বৈঠকত, জিলাখনৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা চৰকাৰৰ কোনো জিলা বিষয়াৰ উপস্থিতি বাঞ্চনীয় বুলি ভাৱে, মুখ্য কাৰ্য্যৱাহী বিষয়াগৰাকীয়ে, অভিপ্ৰেত বৈঠকখনৰ অতি কমেও পোন্ধৰদিন আগতে তেনে বিষয়াক পত্ৰৰ দ্বাৰা সম্বোধি, বৈঠকত সেই বিষয়া গৰাকীক উপস্থিত থাকিবলৈ অনুৰোধ কৰিব, আৰু বিষয়াগৰাকী যদিহে অন্য যুক্তিসংগত কাৰণত বাধা প্ৰাপ্ত নহয় বৈঠকত উপস্থিত থাকিব:

পৰন্তু বিষয়াগৰাকীয়ে তেনে পত্ৰৰ প্ৰাপ্তিত, যদি তেওঁ, উল্লেখিত কোনো কাৰণৰ বাবে নিজে তাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, তেওঁৰ উপ বা অন্য বিভাগীয় অধীনস্থ বিষয়াক বৈঠকত তেওঁক প্ৰতিনিধিত্ব কৰাৰ নিৰ্দেশ দিব পাৰে।

**জিলা পৰিষদৰ কৃত্যসমূহ**

৭৯। চৰকাৰে সময়ে সময়ে নিৰ্দিষ্ট কৰা এনে চৰ্তসমূহৰ সাপেক্ষে, জিলা পৰিষদে ধাৰা-৯০ ত নিৰ্দিষ্ট কৰি দিয়া কৃত্যসমূহ সম্পাদন কৰিব।

**জিলা পৰিষদৰ কৃত্যসমূহৰ দায়িত্ব**

৮০। (১) কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক দায়িত্ব দিয়া কৃত্যসমূহৰ ক্ষেত্ৰত অথবা চৰকাৰৰ কাৰ্য্যবাহী প্ৰাধিকাৰ বিস্তাৰিত হোৱা যিকোনো বিষয় সম্পৰ্কীয় কৃত্যসমূহৰ দায়িত্ব চৰকাৰে এখন জিলা পৰিষদক দিব পাৰে।

(২) এই ধাৰাৰ অধীনত দায়িত্ব দিয়া কৃত্যসমূহ চৰকাৰে অধিসূচনা যোগে প্ৰত্যাহাৰ বা সাল-সলনি কৰিব পাৰে।

**স্থায়ী সমিতি সমূহ**

৮১। জিলা পৰিষদৰ নিম্নলিখিত সমিতিসমূহ থাকিব, যেনে:-

(ক) সাধাৰণ স্থায়ী সমিতি,

(খ) বিত্ত আৰু হিচাপ পৰীক্ষা সমিতি,

(গ) সামাজিক ন্যায় সমিতি,

(ঘ) পৰিকল্পনা আৰু উন্নয়ন সমিতি।

**স্থায়ী সমিতিৰ অধ্যক্ষ**

৮২। (১) প্ৰত্যেক স্থায়ী সমিতি জিলা পৰিষদে নিৰ্দ্ধাৰিত কৰাৰ দৰে অধ্যক্ষ গৰাকীক সামৰি পাঁচজনতকৈ অধিক নোহোৱা তেনে সদস্য সংখ্যাৰে গঠিত হ'ব আৰু জিলা পৰিষদৰ সদস্যসকলে ইয়াৰ সদস্য সকলৰ মাজৰ পৰাই নিৰ্বাচিত কৰিব যাৰ কালাৱধি এবাৰত এবছৰ হ'ব।

(২) জিলা পৰিষদৰ সভাপতি গৰাকী সাধাৰণ স্থায়ী সমিতি আৰু বিত্ত আৰু হিচাপ পৰীক্ষা সমিতিৰ অধ্যক্ষ হ'ব।

(৩) অন্য স্থায়ী সমিতিসমূহে তেওঁলোকৰ সদস্যসকলৰ মাজৰ পৰা অধ্যক্ষগৰাকীক নিৰ্বাচিত কৰি ল'ব।

(৪) জিলা পৰিষদৰ কোনো সদস্যই দুখনতকৈ অধিক স্থায়ী সমিতিত সেৱা আগবঢ়োৱাৰ বাবে যোগ্য নহ'ব।

(৫) জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকী সাধাৰণ স্থায়ী সমিতি আৰু বিত্ত, হিচাপ পৰীক্ষা আৰু পৰিকল্পনা সমিতিৰ পদেন সচিব হ'ব আৰু তেখেতে অৱশিষ্ট প্ৰত্যেক স্থায়ী সমিতিৰ পদেন সচিব হিচাপে উপ-সচিব সমূহৰ এজনক মনোনীত কৰিব। মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীৰ সকলো স্থায়ী সমিতিৰ বৈঠকত উপস্থিত থকাৰ অধিকাৰ থাকিব।

**স্থায়ী সমিতিৰ কৃত্যসমূহ**

৮৩। (১) সাধাৰণ স্থায়ী সমিতিয়ে প্ৰতিষ্ঠানৰ বিষয়সমূহৰ সম্পৰ্কীয় কৃত্যসমূহ আৰু যোগাযোগ, ঘৰ, গ্ৰাম্য আৱাস, গাঁও প্ৰসাৰ, প্ৰাকৃতিক দুৰ্যোগত সাহাৰ্য্য, ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন কাৰ্য্যক্ৰম আৰু সংযুক্ত বিষয়সমূহ আৰু সকলো বিবিধ অৱশিষ্ট বিষয়সমূহৰ সম্পৰ্কীয় কৃত্যসমূহ সম্পাদন কৰিব।

(২) বিত্ত আৰু হিচাপ পৰীক্ষা সমিতিয়ে নিম্নলিখিত কৃত্যসমূহ সম্পাদন কৰিব-

(ক) জিলা পৰিষদৰ বিত্ত, বাজেট প্ৰস্তুত, ৰাজহ বৃদ্ধিৰ প্ৰস্তাৱসমূহৰ নিৰীক্ষণ, প্ৰাপ্তি আৰু ব্যয়ৰ পৰীক্ষণ, জিলা পৰিষদৰ বিত্তক প্ৰভাৱিত কৰা প্ৰস্তাৱসমূহৰ বিবেচনা আৰু জিলা পৰিষদৰ ৰাজহ আৰু ব্যয়ৰ সাধাৰণ তদাৰক কৰা;

(খ) পৰিকল্পনাক অগ্ৰাধিকাৰ, উন্নয়নত বিনিয়োগৰ বিতৰণ/বণ্টন, অনুভূমিক আৰু উধাৰ্ধৰ সংযোজন, চৰকাৰে জাৰি কৰা নিৰ্দেশাৱলীৰ ৰূপায়ণ, পৰিকল্পনা কাৰ্য্যক্ৰমসমূহৰ নিয়মিত পৰ্য্যালোচনা, গুৰুত্বপূৰ্ণ কাৰ্য্যক্ৰম আৰু ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ মূল্যাংকন কৰা।

(৩) সামাজিক ন্যায় সমিতিয়ে নিম্নলিখিত কৃত্যসমূহ সম্পাদন কৰিব-

(ক) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অন্যান্য স্বাৰ্থৰ উন্নীতকৰণ;

(খ) তেওঁলোকক সামাজিক অন্যায় আৰু সকলো অন্যধৰণৰ শোষণৰ পৰা সুৰক্ষা দিয়া;

(গ) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ উন্নতি সাধন;

(ঘ) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি, মহিলা আৰু সমাজৰ অন্যান্য দুৰ্বল শ্ৰেণীসমূহৰ সামাজিক ন্যায় সুনিশ্চিত কৰা।

(৪) পৰিকল্পনা আৰু উন্নয়ন সমিতিয়ে নিম্নলিখিত কৃত্যসমূহ সম্পাদন কৰিব-

(ক) জিলা পৰিষদৰ সকলো শৈক্ষিক কাৰ্য্যকলাপৰ ভাৰপ্ৰাপ্ত হ'ব;

(খ) ৰাষ্ট্ৰীয় নীতি আৰু ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰিকল্পনাৰ আধাৰত জিলাত শিক্ষাৰ পৰিকল্পনা হাতত ল'ব;

(গ) জিলা পৰিষদৰ শৈক্ষিক কাৰ্য্যকলাপৰ জৰীপ আৰু মূল্যায়ন কৰিব;

(ঘ) জিলা পৰিষদে ইয়াক অৰ্পণ কৰিব পৰা শিক্ষা, প্ৰাপ্তবয়স্ক স্বাক্ষৰতা আৰু সাংস্কৃতিক কাৰ্য্যকলাপৰ লগত জড়িত তেনে অন্য কৰ্তব্য সমূহ সম্পাদন কৰিব;

(ঙ) স্বাস্থ্য সেৱা, চিকিৎসালয়, পানী যোগান, পৰিয়াল কল্যাণ আৰু অন্য সংযুক্ত বিষয়সমূহ;

(চ) কৃষিজাত উৎপাদন, পশুপালন, সমবায়, সমউচ্চ বান্ধ আৰু পুনৰুদ্ধাৰ ;

(ছ) গ্ৰাম্য আৰু কুটিৰ উদ্যোগ;

(জ) জিলাখনত ঔদ্যোগিক উন্নয়নৰ উন্নীতকৰণ।

**স্থায়ী সমিতি সমূহক অৰ্পণ কৰা ক্ষমতা আৰু কৃত্যসমূহ**

৮৪। (১) জিলা পৰিষদে তেওঁলোকক অৰ্পণ কৰা ক্ষমতা সমূহৰ পৰিসৰলৈকে স্থায়ী সমিতি সমূহে ধাৰা-৮৩ ৰ উপ-ধাৰা (১), (২), (৩) আৰু (৪) ত উল্লেখিত কৃত্যসমূহ সম্পাদন কৰিব।

(২) সমিতিসমূহে, তেওঁলোকক দায়িত্ব দিয়া বিষয়সমূহৰ ক্ষেত্ৰত, তেনে বিহিত অতিৰিক্ত কৰ্তব্য সম্পাদন কৰিব।

**সমিতিসমূহৰ কাৰ্য্য পদ্ধতি**

৮৫। (১) জিলা পৰিষদে সমিতিসমূহৰ সদস্যসকলৰ নিৰ্বাচন, তাত সম্পাদন কৰিবলগীয়া কাৰ্য্য সম্পৰ্কে, আৰু তেওঁলোকৰ সম্পৰ্কীয় সকলো অন্য বিষয়ত বিনিয়ম গঠন কৰিব।

(২) প্ৰতিখন সমিতিৰ অধ্যক্ষজনে সেই সমিতিখনৰ কামৰ ক্ষেত্ৰত জিলা পৰিষদৰ পৰা কোনো তথ্য, প্ৰবিৱৰণ, বিবৃত্তি বা প্ৰতিবেদন তলব আৰু জিলা পৰিষদৰ কোনো স্থাৱৰ সম্পত্তি বা সংশ্লিষ্ট সমিতিখনৰ চলি থকা কোনো কামত প্ৰৱেশ আৰু পৰিদৰ্শন কৰাৰ অধিকাৰ থাকিব।

(৩) প্ৰত্যেক সমিতিয়ে সমিতিখনৰ কামৰ লগত জড়িত জিলা পৰিষদৰ কোনো বিষয়াৰ উপস্থিতি ইয়াৰ বৈঠকত বিচৰাৰ অধিকাৰ থাকিব। সমিতিখনৰ নিৰ্দেশমৰ্মে মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীয়ে,জাননী জাৰি কৰিব আৰু বিষয়াগৰাকীৰ উপস্থিতি সুনিশ্চিত কৰিব।

**মুখ্য কাৰ্য্যবাহী বিষয়া আৰু অন্য বিষয়াসমূহক ক্ষমতা অৰ্পণ**

৮৬। এই অধিনিয়মৰ দ্বাৰা বা অধীনত, জিলা পৰিষদক প্ৰদান কৰা ক্ষমতাৰ যিকোনো জিলা পৰিষদে অধিসূচনাৰ জৰিয়তে মুখ্য কাৰ্য্যবাহী বিষয়া বা অন্যান্য বিষয়াসকলক অৰ্পণ কৰিব পাৰে।

**সম্পত্তি আহৰণ, ধাৰণ আৰু নিষ্পত্তি কৰাৰ ক্ষমতা**

৮৭। (১) এখন জিলা পৰিষদৰ সম্পত্তি আহৰণ, ধাৰণ আৰু নিষ্পত্তি কৰা বা চুক্তি কৰাৰ ক্ষমতা থাকিব:

পৰন্তু স্থাৱৰ সম্পত্তিৰ আহৰণ বা নিষ্পত্তিকৰণৰ সকলো ক্ষেত্ৰতে, জিলা পৰিষদে চৰকাৰৰ পৰা আগতীয়া অনুমোদন ল'ব লাগিব।

(২) এখন জিলা পৰিষদে ইয়াৰ নিজৰ পুজিঁৰে নিৰ্মাণ কৰা পথ, ঘৰ বা অন্য কাম সমূহ ইয়াৰ ওপৰতে ন্যস্ত থাকিব।

(৩) চৰকাৰে এখন জিলা পৰিষদক ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত অৱস্থিত কোনো ৰাজহুৱা সম্পত্তি আবণ্টন দিব পাৰে আৰু তাৰ পাছত এনে সম্পত্তি জিলা পৰিষদৰ ওপৰত ন্যস্ত হ'ব আৰু ইয়াৰ নিয়ন্ত্ৰণাধীন হ'ব।

(৪) এই অধিনিয়মৰ কোনো উদ্দেশ্য সাধনৰ বাবে য'ত এখন জিলা পৰিষদক ভূমিৰ প্ৰয়োজন হয়, উক্ত মাটিত স্বত্ব থকা ব্যক্তি বা ব্যক্তিসকলৰ সৈতে ই আপোচ আলোচনা কৰিব পাৰে, আৰু যদি এক চুক্তিত উপনীত হোৱাত ব্যৰ্থ হয়, ই জিলাৰ উপায়ুক্ত গৰাকীক ভূমি অধিগ্ৰহণৰ বাবে দৰ্খাস্ত দিব পাৰে আৰু উপায়ুক্ত গৰাকীয়ে, ৰাজহুৱা উদ্দেশ্যৰ বাবে মাটিখিনিৰ প্ৰয়োজন আছে বুলি যদি তেওঁ সন্তুষ্ট হয়, ভূমি অধিগ্ৰহণ অধিনিয়মৰ উপবন্ধৰ অধীনত মাটিখিনি আহৰণ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব পাৰে, আৰু তেনে মাটি, অধিগ্ৰহণত, জিলা পৰিষদৰ ওপৰত ন্যস্ত হ'ব।

**দিশ পৰিৱৰ্তন, ক্ৰমচ্ছেদ বা পথ বন্ধ কৰাৰ ক্ষমতা**

৮৮। জিলা পৰিষদৰ নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ অধীনত থকা অথবা ইয়াত ন্যস্ত থকা কোনো পথ জিলা পৰিষদে, অধিসূচনাৰ জৰিয়তে, বিপৰীতমুখী, দিশ পৰিৱৰ্তন, ক্ৰমচ্ছেদ বা স্থায়ীভাৱে বন্ধ কৰিব পাৰে।

**জিলা পৰিষদৰ সাধাৰণ ক্ষমতা**

৮৯। (১) জিলা পৰিষদৰ ইয়াৰ ওপৰত ন্যস্ত বা অৰ্পণ কৰা কৃত্যসমূহ নিৰ্বহনৰ বাবে প্ৰয়োজনীয় বা আনুসংগিক সকলো কাম কৰাৰ ক্ষমতা থাকিব আৰু বিশেষত: আৰু পূৰ্ব্বৱৰ্তী ক্ষমতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এই অধিনিয়মৰ অধীনত নিৰ্দ্ধাৰিত সকলো ক্ষমতা প্ৰয়োগ কৰিব।

(২) চৰকাৰৰ সাধাৰণ আৰু বিশেষ আদেশৰ সাপেক্ষে, এখন জিলা পৰিষদে-

(ক) ইয়াৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰত শিক্ষা বা চিকিৎসা সাহাৰ্য্যত ব্যয় কৰিব পাৰে;

(খ) জিলাৰ বাসিন্দাসকলৰ কল্যাণৰ অৰ্থে স্বাস্থ্য, সুৰক্ষা, শিক্ষা, উপভোগ, সুচল, সামাজিক বা অৰ্থনৈতিক অথবা সাংস্কৃতিক উৎকৰ্ষ সাধনৰ বাবে কোনো কাম বা ব্যৱস্থাৰ উপায় অৱলম্বন কৰিব পাৰে।

(গ) স্থানীয় স্বায়ত্ত্ব শাসনৰ উন্নয়নৰ লগত জড়িত সৰ্বভাৰতীয়, ৰাজ্যিক বা আন্ত:ৰাজ্যিক পৰ্য্যায়ৰ সংস্থাসমূহত বা জিলাখনৰ ভিতৰত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ কাৰ্য্যকলাপৰ লগত সম্পৰ্ক থকা প্ৰদৰ্শনী, গৱেষণাচক্ৰ আৰু সন্মিলনত বৰঙণি যোগাব পাৰে, আৰু

(ঘ) ৰাজ্যৰ কোনো কৃত্যৰ লগত সম্পৰ্ক থকা কোনো কাৰ্য্যকলাপৰ বাবে জিলাখনৰ কোনো ব্যক্তিক আৰ্থিক অথবা অন্য সহায় প্ৰদান কৰিব পাৰে।

**জিলা পৰিষদৰ ক্ষমতা আৰু কৃত্যসমূহ**

৯০। (১) এখন জিলা পৰিষদৰ কৃত্য হ'ব জিলাখনৰ অৰ্থনৈতিক উন্নতি আৰু সামাজিক ন্যায়ৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা আৰু নিম্ন তালিকাভুক্ত সমূহক সামৰি বিষয়সমূহৰ ক্ষেত্ৰত তেনে পৰিকল্পনাৰ সমন্বয়মূলক প্ৰয়োগ সুনিশ্চিত কৰা:

**(১) কৃষি:**

(i) কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ ব্যৱস্থাসমূহৰ উন্নীতকৰণ আৰু উন্নত কৃষি প্ৰয়োগৰ ব্যৱহাৰ জনপ্ৰিয় কৰা আৰু উন্নত কৃষি পদ্ধতি গ্ৰহণ;

(ii) কৃষিপাম আৰু বিপণন এজেন্সি/আন্ত:গাঁথনি আৰম্ভ কৰা আৰু ৰক্ষণাবেক্ষণ কৰা;

(iii) ভঁড়াল আৰু শীত গৃহ স্থাপন আৰু ৰক্ষণাবেক্ষণ;

(iv) কৃষি মেলা আৰু প্ৰদৰ্শনীসমূহ পৰিচালনা কৰা ;

(v) প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ কৃষি আৰু উদ্যান বিদ্যা প্ৰসাৰৰ ব্যৱস্থা কৰা;

(vi) কৃষকৰ প্ৰশিক্ষণ;

(vii) ভূমি উন্নয়ন আৰু ভূমি সংৰক্ষণ;

**(২) জলসিঞ্চন, ভূ-জলসম্পদ আৰু জলচ্ছেদ উন্নয়ন :**

(i) ক্ষুদ্ৰ জলসিঞ্চন কাৰ্য্য আৰু উত্তোলক জলসিঞ্চনৰ নিৰ্মাণ, নবীকৰণ, ৰক্ষণাবেক্ষণ;

(ii) জিলা পৰিষদৰ নিয়ন্ত্ৰণাধীন জলসিঞ্চন আঁচনিসমূহৰ অধীনত পানীৰ যথা সময়ত

আৰু নিৰপেক্ষ বিতৰণ আৰু সম্পূৰ্ণ ব্যৱহাৰৰ উপবন্ধ কৰা;

(iii) ভূ-জলসম্পদৰ উন্নয়ন;

(iv) পানী তোলা যন্ত্ৰৰ স্থাপন;

(v) জলচ্ছেদ উন্নয়ন কাৰ্য্যক্ৰম।

**(৩) উদ্যান বিদ্যা :**

(i) গ্ৰামীণ উদ্যান আৰু বাগিছাসমূহ ;

(ii) ফল-মূল আৰু শাক-পাচলিৰ খেতি;

(iii) পামসমূহ।

**(৪) পৰিসংখ্যা :**

(i) গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ কাৰ্য্যকলাপ সম্পৰ্কীয় পৰিসাংখ্যিকীয় আৰু অন্য তথ্য প্ৰকাশ;

(ii) গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ কাৰ্য্যকলাপৰ বাবে প্ৰয়োজনীয় পৰিসংখ্যা আৰু অন্য তথ্যৰ সমন্বয় আৰু ব্যৱহাৰ;

(iii) আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ওপৰত ন্যস্ত কৰা যোজনা আৰু কাৰ্য্যক্ৰমৰ পৰ্য্যায়ক্ৰমে তদাৰক আৰু মূল্যায়ন।

**(৫) গ্ৰামীণ বৈদ্যুতিকৰণ :**

গ্ৰামীণ বৈদ্যুতিকৰণ আঁচনিসমূহ প্ৰয়োগ আৰু ৰক্ষণাবেক্ষণ কৰাত সহায় কৰা।

**(৬) ভূমি সংৰক্ষণ :**

(i) ভূমি সংৰক্ষণৰ ব্যৱস্থাসমূহ;

(ii) ভূমি পুনৰুদ্ধাৰ আৰু ভূমি উন্নয়ন কাৰ্য্যসমূহ।

**(৭) বিক্ৰী :**

(i) বিনিয়মিত বজাৰসমূহ আৰু বিপণন প্ৰাংগনসমূহৰ উন্নয়ন;

(ii) কৃষি উৎপাদনসমূহৰ গুণগত শ্ৰেণী বিভাজন আৰু গুণগত বৈশিষ্ট্য নিয়ন্ত্ৰণ কৰা ।

**(৮) সামাজিক বনানীকৰণ :**

(i) বৃক্ষৰোপণৰ বাবে প্ৰচাৰ অভিযান অনুষ্ঠিত কৰা;

(ii) বৃক্ষৰ পৰিকল্পনা আৰু ৰক্ষণাবেক্ষণ;

**(৯) পশু-পালন আৰু দুগ্ধপাম :**

(i) পশু চিকিৎসালয় আৰু ঔষধালয় স্থাপন;

(ii) ভ্ৰাম্যমান ৰোগ নিদান আৰু ৰোগ নিৰূপণ গৱেষণাগাৰ;

(iii) গৰু আৰু গাহৰিৰ প্ৰজনন পাম;

(iv) হাঁহ-কুকুৰা, হাঁহ আৰু ছাগলীৰ পামসমূহ;

(v) দুগ্ধপাম, হাঁহ-কুকুৰা পাম আৰু মীন মহলৰ উৎপাদিত দ্ৰব্যৰ বাবে সমূহীয়া শীতলীকৃত ভড়াঁলৰ সা-সুবিধা;

(vi) দানা-পানী উন্নয়ন কাৰ্য্যক্ৰম;

(vii) দুগ্ধপাম, হাঁহ-কুকুৰা পাম আৰু গাহৰি পামৰ বিকাশ সাধন;

(viii) মহামাৰী আৰু সংক্ৰামক ৰোগৰ প্ৰতিৰোধ।

**(১০) ক্ষুদ্ৰ বন উপজাত দ্ৰব্য, ইন্ধন আৰু ঘাঁহ :**

(i) সামাজিক আৰু পাম বনানীকৰণ, ইন্ধনজাত বৃক্ষৰোপণ আৰু ঘাঁহ উন্নয়নৰ বিকাশ সাধন;

(ii) সমূহীয়া ভূমিৰ বন সমূহৰ ক্ষুদ্ৰ বন উপজাত দ্ৰব্যসমূহৰ পৰিচালনা;

(iii) পতিত মাটিৰ উন্নয়ন।

**(১১) মীন মহল :**

(i) মাছৰ পোণা উৎপাদন আৰু বিতৰণ;

(ii) ব্যক্তিগত আৰু সমূহীয়া জলাশয় বিলাকত মীনমহলৰ উন্নয়ন;

(iii) অৰ্ন্তদেশীয় মীনমহলৰ উন্নয়ন;

(iv) মৎস্য সংৰক্ষণ আৰু শুকোৱা;

(v) পৰম্পৰাগত মাছ ধৰা কাৰ্য্যত সহায় কৰা;

(vi) মৎস্য বিপণন সমবায় সংগঠিত কৰা;

(vii) মাছমৰীয়াসকলৰ সৰ্বাংগীন উন্নতি আৰু উন্নয়নৰ বাবে কল্যাণমূলক আঁচনি।

**(১২) গৃহস্থালী আৰু লঘু উদ্যোগ**
(খাদ্য সংসাধিতকৰণকে সামৰি):

(i) স্থানীয় পৰম্পৰাগত কৌশলসমূহৰ চিনাক্তকৰণ আৰু গৃহস্থালী উদ্যোগসমূহৰ উন্নতি সাধন ;

(ii) যথাসময়ত যোগান সুনিশ্চিত কৰিবলৈ কেঁচা সামগ্ৰীৰ আৱশ্যকতা পূৰণ ;

(iii) উপভোক্তাৰ পৰিৱৰ্তিত চাহিদাৰ লগত খাপ খোৱা চানেকি আৰু উৎপাদন ;

(iv) হস্তশিল্পী আৰু শিল্পীসকলৰ প্ৰশিক্ষণ কাৰ্য্যক্ৰম অনুষ্ঠিত কৰা ;

(v) এই কাৰ্য্যক্ৰমৰ বাবে বেংকৰ জমা ধন লাভ কৰাৰ বাবে যোগাযোগ ;

(vi) সম্পূৰ্ণ নিৰ্মিত সামগ্ৰী জনপ্ৰিয় আৰু বিক্ৰী কৰা ;

(vii) ঔদ্যোগিক সা-সম্পত্তি ;

(viii) খাদী, হস্ততাঁত, হস্তশিল্প আৰু গ্ৰাম্য আৰু কুটিৰ উদ্যোগ সংগঠিত কৰা।

**(১৩) গ্ৰামীণ পথ আৰু আভ্যন্তৰীণ জলপথ :**

(i) ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজপথৰ বাহিৰে অন্যান্য পথসমূহৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ ;

(ii) ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজপথৰ বাহিৰে অন্যান্য পথৰ অধীনত অহা দলং আৰু পুলসমূহ ;

(iii) জিলা পৰিষদৰ কাৰ্য্যালয় নিৰ্মাণ আৰু সংৰক্ষণ ;

(iv) বজাৰ, শিক্ষানুষ্ঠান, স্বাস্থ্যকেন্দ্ৰসমূহৰ মূল সংযোগী পথ চিনাক্তকৰণ ;

(v) নতুন পথ আৰু বিদ্যমান পথসমূহৰ পৰিসৰ বৃদ্ধিৰ বাবে স্বেচ্ছামূলক ভূমি সমৰ্পণৰ ব্যৱস্থা কৰা।

**(১৪) স্বাস্থ্য আৰু স্বাস্থ্যবিজ্ঞান :**

(i) অসামৰিক চিকিৎসালয়, চিকিৎসা মহাবিদ্যালয়, যক্ষ্মা স্বাস্থ্যনিবাস, কুষ্ঠৰোগ চিকিৎসালয় আৰু মানসিক চিকিৎসালয়ৰ বাহিৰে চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু ঔষধালয় স্থাপন আৰু সংৰক্ষণ ;

(ii) ৰোগ সংক্ৰমণৰ প্ৰতিৰোধ আৰু টীকাকৰণ কাৰ্য্যক্ৰমৰ ৰূপায়ণ ;

(iii) স্বাস্থ্য শিক্ষাৰ কাৰ্য্যকলাপ ;

(iv) প্ৰসূতি আৰু শিশু স্বাস্থ্যৰ কাৰ্য্যকলাপ ;

(v) পৰিয়াল কল্যাণ কাৰ্য্যকলাপ ;

(vi) আঞ্চলিক আৰু গাঁও পঞ্চায়তসমূহৰ সৈতে স্বাস্থ্য শিৱিৰ অনুষ্ঠিত কৰা ;

(vii) পৰিৱেশ প্ৰদূষণৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ।

**(১৫) গ্ৰামীণ আৱাস :**

(i) গৃহহীন পৰিয়ালসমূহ চিনাক্তকৰণ ;

(ii) জিলাখনত গৃহ নিৰ্মাণ কাৰ্য্যক্ৰমৰ ৰূপায়ণ ;

(iii) কম খৰচী আৱাস জনপ্ৰিয় কৰা ।

**(১৬) শিক্ষা :**

(i) প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহৰ স্থাপন আৰু ৰক্ষণাবেক্ষণকে সামৰি শৈক্ষিক কাৰ্য্য-কলাপৰ বিকাশ সাধন ;

(ii) প্ৰাপ্তবয়স্ক শিক্ষা আৰু পুথিভড়ালৰ সা-সুবিধা কাৰ্য্যক্ৰমৰ পৰিকল্পনা ;

(iii) গ্ৰাম্যাঞ্চললৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সম্প্ৰসাৰণ ;

(iv) শৈক্ষিক কাৰ্য্য-কলাপসমূহৰ জৰীপ আৰু মূল্যাংকন ;

(v) সাধাৰণ আৱাস, আশ্ৰম, বিদ্যালয় আৰু অনাথ আশ্ৰমৰ স্থাপন আৰু ৰক্ষণাবেক্ষণ।

**(১৭) সমাজ কল্যাণ আৰু দুৰ্বল শ্ৰেণীসমূহৰ কল্যাণ :**

(i) কিতাপ আৰু অন্যান্য উপসাধকসমূহৰ উদ্দেশ্যে বৃত্তি, ভাত্তা, ছাত্ৰাৱাস, অনুদান আৰু অন্যান্য অনুদান আগবঢ়াই অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহলৈ শৈক্ষিক সা-সুবিধাসমূহৰ সম্প্ৰসাৰণ ;

(ii) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ হিতৰ বাবে ছাত্ৰাৱাস সমূহৰ পৰিচালনা ;

(iii) নিৰক্ষৰতা নিৰ্মূল আৰু সাৰ্বজনীন শিক্ষা প্ৰদান কৰাৰ বাবে শিশু বিদ্যালয়, শিশুগৃহ, উচ্চ মাধ্যমিক বিদ্যালয় আৰু পুথিভঁড়াল গঢ় দিয়া ;

(iv) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিক কুটিৰ আৰু গ্ৰাম্য উদ্যোগৰ প্ৰশিক্ষণ প্ৰদানৰ বাবে আদৰ্শ কল্যাণ কেন্দ্ৰ আৰু শিল্প কেন্দ্ৰসমূহ পৰিচালনা কৰা ;

(v) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আৱাসিক বুনিয়াদী বিদ্যালয় সমূহ পৰিচালনা কৰা ;

(vi) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সদস্যসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ বাবে ব্যৱস্থা কৰা ;

(vii) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সমবায় সমিতিসমূহ গঠন কৰা ;

(viii) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সৰ্বাংগীন উন্নতি আৰু উন্নয়নৰ বাবে অন্যান্য কল্যাণমূলক আঁচনি ।

**(১৮) দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰম :**

(i) দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰমৰ পৰিকল্পনা, তদাৰক, পৰ্য্যবেক্ষণ আৰু ৰূপায়ণ।

**(১৯) সমাজ সংস্কাৰ কাৰ্য্যক্ৰম :**

(i) মহিলা সকলৰ সংগঠন আৰু কল্যাণ ;

(ii) স্থানীয় মগনীয়াক সাহাৰ্য্য ;

(iii) শিশুসকলৰ সংগঠন আৰু কল্যাণ ;

(iv) দৰিদ্ৰ গৃহ, অনাথ আশ্ৰম, আশ্ৰয় শিবিৰৰ দৰে সমাজ কল্যাণ সংস্থাসমূহৰ ৰক্ষণাবেক্ষণ ;

(v) বিধৱা, বৃদ্ধ আৰু দিব্যাংগ, নিৰাশ্ৰয় সকলৰ বাবে পেঞ্চন আৰু নিবনুৱা আৰু যত এটা পক্ষ অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ সদস্যৰে হোৱা অসবৰ্ণ বিবাহৰ দম্পত্তি সকলক ভাত্তা মজুৰী আৰু বিতৰণ ;

(vi) অগ্নি দুৰ্য্যোগৰ নিয়ন্ত্ৰণ;

(vii) অন্ধবিশ্বাস, জাতিবাদ, অস্পৃশ্যতা, মদ্যপানাসক্তি, ব্যয়বহুল, বিবাহ, সামাজিক অনুষ্ঠান, যৌতুক আৰু অৰুচিপূৰ্ণ উপভোগৰ বিৰুদ্ধে প্ৰচাৰ অভিযান;

(viii) সামূহিক বিবাহ আৰু অসবৰ্ণ বিবাহক উৎসাহিত কৰা;

(ix) অৰ্থনৈতিক অপৰাধ যেনে চোৰাং-কাৰবাৰ, কৰফাঁকি, খাদ্য ভেজালকৰণৰ বিৰুদ্ধে সতৰ্কতা;

(x) ভূমিহীন শ্ৰমিকসকলক দিয়া মাটিৰ উন্নয়নৰ বাবে সহায় কৰা;

(xi) বন্ধুৱা শ্ৰমিক চিনাক্ত কৰা, মুক্ত কৰা আৰু পুন: সংস্থাপন কৰা;

(xii) সাংস্কৃতিক আৰু বিনোদনৰ কাৰ্য্যক্ৰম অনুষ্ঠিত কৰা;

(xiii) ক্ৰীড়া আৰু খেলসমূহক উৎসাহিত কৰা আৰু;

(xiv) পৰম্পৰাগত উৎসৱসমূহক নতুন ৰূপ আৰু সামাজিক তাৎপৰ্য্য প্ৰদান;

(xv) (বিক্ৰী) প্ৰতিষ্ঠানসমূহত ওজন আৰু জোখ-মাখৰ সত্যনিৰূপণ।

**(২০) মিতব্যয়িতা আৰু সঞ্চয়ক উদ্‌গণি ;**

(১) (ক) সঞ্চয় অভ্যাসক উদ্‌গণি ;

(খ) ক্ষুদ্ৰ সঞ্চয়ৰ প্ৰচাৰ অভিযান ;

(গ) অবৈধ টকা ধাৰে দিয়া বৃত্তি আৰু গ্ৰামীণ ঋণগ্ৰস্ততাৰ বিৰুদ্ধে যুঁজ।

(২) ইয়াৰ উপৰিও জিলা পৰিষদে –

(ক) জন উপযোগী কোনো কাম অথবা ইয়াৰ ওপৰত ন্যস্ত কৰা অথবা ইয়াৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাধীন কোনো অনুষ্ঠানৰ পৰিচালনা অথবা ৰক্ষণাবেক্ষণ কৰিব ;

(খ) গাঁওৰ হাট আৰু বজাৰসমূহ আহৰণ আৰু ৰক্ষণাবেক্ষণ কৰিব ;

(গ) আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসমূহলৈ অনুদান দিব ;

(ঘ) জিলাখনত আঞ্চলিক পঞ্চায়তে প্ৰস্তুত কৰা উন্নয়ন পৰিকল্পনা আৰু আঁচনিসমূহৰ সমন্বয় আৰু একত্ৰীকৰণ কৰা ;

(ঙ) দুৰ্দশাগ্ৰস্ত লোকসকলৰ সাহাৰ্য্যৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা ;

(চ) জিলাখনত আঞ্চলিক পঞ্চায়তৰ আনুমানিক বাজেটৰ সমীক্ষা আৰু অনুমোদন কৰা ;

(ছ) এটাতকৈ অধিক খণ্ডত বিস্তাৰিত কোনো আঁচনি হাতত লোৱা অথবা কাৰ্য্যকৰী কৰা ;

(জ) সহমত হোৱা তেনে চৰ্ত সাপেক্ষে ব্যক্তিগত স্বত্বাধিকাৰ অথবা অন্য কোনো প্ৰাধিকাৰীৰ মালিকানা স্বত্বত থকা কোনো গাৱঁলীয়া দলং, পুখুৰী, ঘাট, কুঁৱা, সুঁতি অথবা নলাৰ ৰক্ষণাবেক্ষণ আৰু নিয়ন্ত্ৰণৰ দায়িত্ব গ্ৰহণ কৰা।

(৪) কোনো অধিনিয়মৰ অধীনত চৰকাৰে উচিত বিবেচনা কৰা ধৰণে ৰাজ্য চৰকাৰে জিলা পৰিষদক তেনে ক্ষমতা ন্যস্ত কৰিব পাৰে।

(৫) দুই বা অধিক সংলগ্ন জিলাৰ জিলা পৰিষদে পৰস্পৰে সহমত হোৱা তেনে নিয়ম আৰু চৰ্ত সাপেক্ষে সন্মিলিত ভাৱে কোনো উন্নয়ন আঁচনি হাতত ল'ব আৰু কাৰ্য্যকৰী কৰিব পাৰে।

**জিলা পৰিষদৰ পুঁজি**

৯১। প্ৰতিখন জিলা পৰিষদৰে জিলা পৰিষদ পুঁজি নামেৰে এটা পুঁজি থাকিব আৰু নিম্নলিখিত বোৰ ইয়াৰ অংশ হ'ব অথবা জিলা পৰিষদ পুঁজিক আদায় দিব, যেনে:-

(i) ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা বিনিয়োজন পদ্ধতিৰে জিলা পৰিষদলৈ হস্তান্তৰ কৰা ধনৰ পৰিমাণ ;

(ii) চৰকাৰৰ সকলো অনুদান, আৰোপকৰণ, ঋণ আৰু বৰঙণি ;

(iii) এই অধিনিয়মৰ অধীনত জিলা পৰিষদৰ হকে বা জিলা পৰিষদে আৰোপ কৰা অথবা জিলা পৰিষদক আদায় দিয়া সকলো মাচুল আৰু জৰিমনা আৰু এই অধিনিয়মৰ অধীনত আৰোপ কৰা সকলো অৰ্থদণ্ড ;

(iv) জিলা পৰিষদৰ মাটি অথবা অন্য সম্পত্তিৰ পৰা পোৱা সকলো ভাড়া ;

(v) সাধাৰণ ব্যক্তি বা প্ৰতিষ্ঠানৰ পৰা পোৱা উপাৰ, অনুদান, আৰোপকৰণ অথবা হস্তান্তৰকৰণৰ দ্বাৰা আহৰণ কৰা সকলো সুদ, নাফা আৰু অন্য ধন।

(vi) জিলা পৰিষদে বিক্ৰী কৰা মাটিৰ সকলো সমুৎপন্ন ধন, জামানত আৰু অন্য সম্পত্তি ;

(vii) এই অধিনিয়মৰ বলত জিলা পৰিষদৰ হকে বা দ্বাৰা গ্ৰহণ কৰা মুঠ ধন :

পৰন্তু কোনো নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে দান হিচাপে পোৱা ধনে জিলা পৰিষদ পুঁজিৰ অংশ নহ'ব বা আদায় নিদিব ।

**জিলা পৰিষদ পুঁজিৰ অভিৰক্ষা আৰু বিনিয়োগ**

৯২। (১) পুঁজিৰ ৰাহি ধন ভাৰতীয় ষ্টেট বেংকৰ নিকটতম শাখা বা কোনো অন্য ৰাষ্ট্ৰীয়কৃত বেংক অথবা অসম কো-অপাৰেটিভ এপেক্স বেংকৰ চলিত হিচাপত জমা থ'ব।

(২) চৰকাৰৰ অনুমোদন সাপেক্ষে জিলা পৰিষদৰ বাবে, চলিত মূল্যৰ কাৰণে আৱশ্যকীয় নহ'ব পৰা হাতত থকা কোনো ওপৰঞ্চি পুঁজি ভাৰতীয় ষ্টেট বেংক বা কোনো অন্য ৰাষ্ট্ৰীয়কৃত বেংক অথবা ৰাজ্যখনৰ কো-অপাৰেটিভ এপেক্স বেংকত সুদত জমা কৰাটো আৰু ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ জামানত অথবা চৰকাৰে সময়ে সময়ে এই ক্ষেত্ৰত বিহিত কৰা তেনে অন্য জামানতত এনে পুঁজি বিনিয়োগ কৰিবলৈ একে ধৰণৰ মঞ্জুৰী আৰু তেনে জমানতৰ বিবাদৰ বাবে এনে বিনিয়োগ পৰিবৰ্তন কৰিবলৈ একে ধৰণৰ মঞ্জুৰী আইন সিদ্ধ হ'ব।

**জিলা পৰিষদৰ পুঁজি আৰু সম্পত্তিৰ নিয়োজন**

৯৩। (১) এই অধিনিয়মৰ উপবন্ধাৱলী আৰু তাৰ অধীনত গঠিত নিয়মাৱলী আৰু চৰকাৰে দিব পৰা এনে সাধাৰণ আৰু বিশেষ আদেশৰ সাপেক্ষে, সেই অধিনিয়মৰ অধীনত জিলা পৰিষদৰ নিজা, বা ইয়াৰ ওপৰত ন্যস্ত কৰা, সকলো সম্পত্তি আৰু ইয়াৰ দ্বাৰা প্ৰাপ্ত সকলো পুঁজি আৰু এই অধিনিয়মৰ উপবন্ধাৱলী বা তৎসময় বলবৎ কোনো অন্য বিধিৰ অধীনত ইয়াৰ সকলো ন্যায্য প্ৰাপ্তি ধন, ধাৰা ৯০ আৰু ধাৰা ৯২ (২) ত নিৰ্দ্ধাৰিত উদ্দেশ্যৰ বাবে প্ৰয়োগ কৰা হ'ব আৰু সকলো অন্য উদ্দেশ্যৰ বাবে যাৰ বাবে এই অধিনিয়ম বা তৎসময় বলবৎ কোনো অন্য বিধিৰ দ্বাৰা বা অধীনত জিলা পৰিষদৰ ওপৰত ক্ষমতা অৰ্পণ আৰু কৰ্তব্য ন্যস্ত কৰা হয় :

পৰন্তু চৰকাৰে বিহিত কৰা বিষয়সমূহৰ বাহিৰে, জিলা পৰিষদৰ পুঁজিৰ পৰা কোনো ব্যয় কৰিব নোৱাৰিব যদিহে বাজেটত উল্লেখ নাথাকে বা পুন: বিনিয়োজনৰ দ্বাৰা যথা অনুমোদিত পুঁজি প্ৰাপ্ত নহয়:

উপৰন্তু কল্যাণমূলক কাৰ্য্যকলাপৰ অভিপ্ৰায়েৰে পুঁজিৰ অতি কমেও বিশ শতাংশ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে ব্যৱহৃত হ'ব।

(২) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, আদায়ৰ বাবে জিলা পৰিষদৰ পুঁজি আৰু এই অধিনিয়মৰ অধীনত ধাৰণ কৰা বা জিলা পৰিষদত ন্যস্ত কৰা সকলো সম্পত্তি :-

(ক) চৰকাৰে ইয়াৰ পক্ষে প্ৰস্তুত কৰা নিয়মাৱলীৰ সাপেক্ষে, সভাপতি আৰু উপ-সভাপতিৰ ভাট্টা আৰু সভাপতি আৰু উপ-সভাপতিৰ জিলাৰ ভিতৰত বা বাহিৰত যাত্ৰাৰ বাবে ভ্ৰমণ আৰু দৈনিক ভাট্টা আৰু জিলা পৰিষদ বা তাৰ কোনো সমিতিৰ সদস্যসকলৰ ভ্ৰমণ আৰু দৈনিক ভাট্টাৰ বাবে ;

(খ) ৰাজ্যৰ একত্ৰীকৃত নিধিৰপৰা দৰমহা আৰু ভাট্টাপ্ৰাপ্তসকলৰ বাহিৰে ইয়াৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ দৰমহা আৰু ভাট্টা, পেঞ্চন আৰু পাৰিতোষিক আদিৰ বাবে ;

(গ) অধিনিয়মত নিৰ্দিষ্ট কৰা উদ্দেশ্যসমূহৰ বাবে ;

(ঘ) জিলা পৰিষদে লোৱা কোনো ঋণৰ দিব লগীয়া কোনো ধনৰ পৰিমাণৰ বাবে ;

ব্যৱহৃত হ'ব ;

(ঙ) এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলী আৰু বিনিয়ম, তৎসময় বলবৎ অন্য কোনো বিধিৰ দ্বাৰা বা অধীনত, সকলো অন্য উদ্দেশ্যৰ বাবে জিলা পৰিষদক ক্ষমতা অৰ্পণ বা কৰ্তব্য ন্যস্ত কৰা হয় ;

(চ) চৰকাৰৰ আগতীয়া মঞ্জুৰী লৈ, জনহিতাৰ্থে ব্যৱহাৰৰ প্ৰয়োজনীয় অন্য কোনো উদ্দেশ্যৰ বাবে সম্পত্তি বা পুঁজিৰ ব্যৱহাৰৰ বাবে :

পৰন্তু চৰকাৰ বা কোনো ব্যক্তি বা স্থানীয় প্ৰাধিকাৰীয়ে কোনো নিৰ্দিষ্ট কাম বা উদ্দেশ্যৰ বাবে জিলা পৰিষদক দিয়া অনুদানৰ কোনো পৰিমাণ বিশেষত: তেনে কাম বা উদ্দেশ্যৰ বাবে আৰু চৰকাৰে ইয়াৰ হকে দিয়া সাধাৰণ অথবা বিশেষ নিৰ্দেশনাৰ মতে ব্যৱহাৰ কৰিব।

**ভাড়া আৰু মাচুল**

৯৪। এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে আৰু ইয়াৰ পক্ষে গঠিত বিনিয়মৰ সাপেক্ষে, জিলা পৰিষদে এই অধিনিয়ম আৰু ইয়াৰ অধীনত গঠিত নিয়মাৱলীৰ অধীনত জাৰি কৰা কোনো অনুজ্ঞাপত্ৰ বা অনুমতিৰ বাবে মাচুল দাবী কৰিব পাৰে আৰু ইয়াৰ নিয়ন্ত্ৰণাধীন বা ইয়াত ন্যস্ত বা জিলা পৰিষদ পুঁজিৰ পৰা তদাৰক কৰা মাটি বা অন্য সম্পত্তি দখল বা ব্যৱহাৰৰ বাবে ভাড়া আৰু মাচুল উদ্‌গ্ৰহণ কৰিব পাৰে।

**কৰাৰোপণ**

৯৫। (১) চৰকাৰে বিহিত কৰা সৰ্বোচ্চ নিৰিখৰ সাপেক্ষে, জিলা পৰিষদে –

(ক) ইয়াৰ পৰিচালনাৰ অধীনত স্থাপন হোৱা কোনো পাৰঘাটৰ ক্ষেত্ৰত উপশুল্ক উদ্‌গ্ৰহণ কৰিব পাৰে ;

(খ) নিম্নোক্ত মাচুল আৰু নিৰিখ উদ্‌গ্ৰহণ কৰিব পাৰে, যেনে –

(i) নাওঁ বা যান-বাহনৰ পঞ্জীয়ন মাচুল ;

(ii) চৰকাৰে অধিসূচনাৰ জৰিয়তে নিৰ্দ্ধাৰণ কৰা ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত উপাসনা বা তীৰ্থপৰ্যটন, হাট আৰু মেলাৰ স্থানসমূহত অনাময় ব্যৱস্থাৰ বাবে মাচুল ;

(iii) হাট বা মেলাৰ অনুজ্ঞাপত্ৰৰ বাবে মাচুল;

(iv) জিলা পৰিষদে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত ৰাজহুৱা ৰাস্তা আৰু স্থানসমূহত পোহৰৰ ব্যৱস্থা কৰাৰ বাবে পোহৰৰ নিৰিখ আৰু

(v) জিলা পৰিষদে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত খোৱা পানী, জলসিঞ্চন বা অন্য কোনো উদ্দেশ্যে পানী যোগানৰ ব্যৱস্থা কৰাৰ বাবে, পানীৰ নিৰিখ।

(২) জিলা পৰিষদে কোনো যান-বাহন পঞ্জীয়নভুক্ত কৰিব বা তাৰ বাবে মাচুল উদ্‌গ্ৰহণ কৰিব নোৱাৰিব আৰু ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত উপাসনাস্থলী বা তীৰ্থপৰ্যটন ক্ষেত্ৰ, হাট আৰু মেলাত অনাময়ৰ ব্যৱস্থা বা তাৰ বাবে মাচুল উদ্‌গ্ৰহণ কৰিব নোৱাৰিব যদিহে তৎসময় বলবৎ কোনো বিধিৰ অধীনত এনে যান-বাহন অন্য কোনো প্ৰাধিকাৰীৰ দ্বাৰা ইতিমধ্যে

পঞ্জীয়নভুক্ত হৈ থাকে বা যদিহে কোনো অন্য স্থানীয় প্ৰাধিকাৰীয়ে অনাময় ব্যৱস্থা ইতিমধ্যেই সুনিশ্চিত কৰিছে।

(৩) উপশুল্ক, মাচুল আৰু নিৰিখৰ মাপ আৰু এইবোৰ আৰোপণৰ নিয়ম আৰু চৰ্তসমূহ, উপবিধিৰ উপবন্ধৰ মতে হ'ব লাগিব। এনে উপবিধিয়ে কোনো শ্ৰেণী বা বিষয়ৰ সকলো বা কোনো উপশুল্ক, মাচুল আৰু নিৰিখৰ পৰা ৰেহাই দিব পাৰে।

**জিলা পৰিষদৰ বাজেট**

৯৬। (১) প্ৰতিখন জিলা পৰিষদে যথাবিহিত ধৰণেৰে আৰু সময়ত, প্ৰত্যেক বছৰত ইয়াৰ প্ৰাক্কলন প্ৰাপ্তি আৰু পৰৱৰ্তী বছৰৰ বাবে বিতৰণসমূহৰ বাজেট প্ৰস্তুত কৰিব আৰু ইয়াক অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সঞ্চালকৰ জৰিয়তে চৰকাৰক দাখিল কৰিব।

(২) চৰকাৰে যথাবিহিত কৰা তেনে সময়ৰ ভিতৰত, হয় বাজেটখন অনুমোদন জনাব বা ই নিৰ্দেশ দিয়াৰ দৰে তেনে পৰিৱৰ্তনৰ বাবে জিলা পৰিষদলৈ ঘূৰাই পঠাব পাৰে। তেনে পৰিৱৰ্তন কৰাৰ পাছত, চৰকাৰৰ অনুমোদনৰ বাবে বিহিত সময়ৰ ভিতৰত বাজেটখন পুন: দাখিল কৰিব।

যদি দাখিল অথবা পুন: দাখিল, যথাস্থিতি, তাৰিখৰ পৰা ত্ৰিশদিনৰ ভিতৰত জিলা পৰিষদে চৰকাৰৰ অনুমোদন নাপায়, বাজেটখন চৰকাৰৰ দ্বাৰা অনুমোদন হোৱা বুলি গণ্য কৰা হ'ব।

(৩) চৰকাৰৰ দ্বাৰা বাজেটখন অনুমোদন নহ'লে কোনো ব্যয় বহন কৰা নহ'ব।

(৪) জিলা পৰিষদে প্ৰত্যেক বছৰতে ইয়াৰ বাজেটৰ কোনো সাল-সলনিৰ বাবে এক পৰিপূৰক হিচাপ প্ৰস্তুত কৰিব পাৰে আৰু যথাবিহিত সময়ৰ ভিতৰত আৰু ধৰণেৰে চৰকাৰৰ অনুমোদনৰ বাবে দাখিল কৰিব পাৰে।

**হিচাপ-নিকাচ**

৯৭। এখন জিলা পৰিষদে চৰকাৰে যথাবিহিত কৰা ধৰণেৰে হিচাপ-নিকাচ ৰাখিব।

**হিচাপ পৰীক্ষা**

৯৮। (১) চৰকাৰে যথাবিহিত কৰা প্ৰাধিকাৰীয়ে জিলা পৰিষদৰ হিচাপ-নিকাচ পৰীক্ষা কৰিব আৰু হিচাপ পৰীক্ষা সম্পূৰ্ণ কৰাৰ এমাহৰ ভিতৰত হিচাপ-পৰীক্ষাৰ টোকাৰ এটা প্ৰতিলিপি জিলা পৰিষদলৈ প্ৰেৰণ কৰিব।

(২) উপ-ধাৰা (১) ত উল্লেখ কৰা হিচাপ-পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰাপ্তিত, জিলা পৰিষদে হয় হিচাপ পৰীক্ষাত আঙুলিয়াই দিয়া কোনো ত্ৰুটি বা অনিয়ম প্ৰতিকাৰ কৰিব আৰু তিনি মাহৰ ভিতৰত চৰকাৰলৈ প্ৰেৰণ কৰিব বা এনেদৰে হৈ যোৱা প্ৰতিকাৰ বিদিত কৰিব অথবা উল্লেখিত নিৰ্দিষ্ট সময়ৰ ভিতৰত এনে ক্ৰটি বা অনিয়ম সম্বন্ধত কোনো ওপৰঞ্চি কৈফিয়ৎ বিহিত প্ৰাধিকাৰীক ইচ্ছা কৰিলে যোগান ধৰিব পাৰে।

**ঋণ লোৱা আৰু নিক্ষেপ নিধি গঠনৰ ক্ষমতা**

৯৯। জিলা পৰিষদে চৰকাৰৰ আগতীয়া অনুমোদন লৈ আৰু ইয়াৰ দ্বাৰা সময়ে সময়ে আৰোপ কৰা চৰ্ত সাপেক্ষে, কোনো কাৰ্য্য সম্পাদন কৰিবলৈ বা এই অধিনিয়মৰ কোনো উপবন্ধৰ উদ্দেশ্যে ঋণ লোৱা আৰু এনে ঋণ পৰিশোধৰ বাবে এটা নিক্ষেপ নিধি গঠন কৰিব পাৰে।

**বাজেটে সামৰি নোলোৱা ব্যয়ৰ নিষেধ**

১০০। ইয়াৰ পাছত উল্লেখ কৰা উপবন্ধৰ ব্যতিৰেকে, নিম্নলিখিত বিষয়কেইটাৰ বাহিৰে, জিলা পৰিষদৰ পুঁজিৰ পৰা যিকোনো পৰিমাণৰ ধন আদায় কৰা হ'ব যদিহে সেই ব্যয় বাজেট অনুদানে সামৰি লয়, যেনে:-

(ক) এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়ম আৰু বিনিয়মৰ অধীনত জিলা পৰিষদক কৰ্তৃত্ব দিয়া ধনৰ ফিৰৎ দিয়া ;

(খ) ঠিকাদাৰ সকলৰ অথবা অন্য ব্যক্তিৰ জমা কৰি ৰখা আৰু জিলা পৰিষদৰ পুঁজিত ভুলবশত: জমা কৰা ধনৰ আদায় ;

(গ) ক্ষতিপূৰণ হিচাপে আদায় দিবলৈ এই অধিনিয়মে জিলা পৰিষদক কৰ্তৃত্ব দিয়া বা প্ৰয়োজনীয় ধন;

(ঘ) আদায় দিবলগীয়া সম্পূৰ্ণ ধন-

(i ) চৰকাৰৰ আদেশৰ জৰিয়তে এই অধিনিয়মৰ অধীনত;

(ii) দেৱানী আদালতৰ ডিক্ৰী অথবা হুকুমৰ অধীনত ; আৰু,

(iii) কোনো মোকৰ্দমা বা অন্য আইনী প্ৰক্ৰিয়াৰ আপোচ মীমাংসা অথবা দাবীৰ অধীনত ।

**চৰকাৰৰ জিলা পৰিষদত অন্য সম্পত্তি ন্যস্ত কৰাৰ ক্ষমতা**

১০১। চৰকাৰে সময়ে সময়ে জাননী যোগে নিৰ্দেশ দিয়াটো আইনসংগত হ'ব যে কোনো পথ, পথসমূহ, দলং, নলা, ঘৰ বা অন্য স্থাৱৰ বা অস্থাৱৰ সম্পত্তি অথবা যিটো চৰকাৰৰ ওপৰত ন্যস্ত আৰু যিটো জিলাখনত অৱস্থিত, জিলা পৰিষদৰ সন্মতি মৰ্মে আৰু চৰকাৰে প্ৰস্তুত আৰু অৰ্পণ কৰা ব্যতিক্ৰম আৰু চৰ্তসাপেক্ষে, এই অধিনিয়মৰ উদ্দেশ্যে জিলা পৰিষদৰ নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ অধীনত ন্যস্ত কৰিব আৰু পৰিণামস্বৰূপে এনে পথ, নলা, ঘৰ, দলং আৰু অন্য সম্পত্তি, সেই বাবে প্ৰস্তুত কৰা বা আৰোপ কৰা সকলো ব্যতিক্ৰম আৰু চৰ্ত আৰু ইয়াক প্ৰভাৱিত কৰা সকলো মাচুল আৰু দায়িত্বৰ সাপেক্ষে জিলা পৰিষদৰ নিয়ন্ত্ৰণ আৰু প্ৰশাসনাধীন হ'ব:

পৰন্তু চৰকাৰে নিৰ্দ্ধাৰণ কৰা চৰ্তত উপ-ধাৰা (১) ৰ অধীনত এখন জিলা পৰিষদৰ নিয়ন্ত্ৰণৰ অধীনত ন্যস্ত কৰা কোনো সম্পত্তি চৰকাৰে জাননী যোগে উভতাই ল'ব পাৰে।

**জিলা পৰিষদৰ কৰ্মচাৰীবৰ্গ**

১০২। (১) চৰকাৰে এখন জিলাৰ অতিৰিক্ত উপায়ুক্তৰ পদমৰ্য্যাদাতকৈ তলৰ নোহোৱা এজন বিষয়াক জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া হিচাপে নিযুক্ত কৰিব।

(২) চৰকাৰে প্ৰত্যেকখন জিলা পৰিষদৰ বাবে এজন মুখ্য গাণনিক বিষয়া আৰু এজন মুখ্য পৰিকল্পনা বিষয়াও নিযুক্ত কৰিব ।

(৩) চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰা ৰাজ্য চৰকাৰৰ তেনে সংখ্যক অন্য বিষয়া (বিদ্যমান স্থানীয় প্ৰাধিকাৰীয়ে নিয়োগ কৰা ব্যক্তিসকলৰ মাজৰ পৰা এনে সেৱাৰ বাবে নিযুক্ত কোনো বিষয়াক সামৰি) প্ৰতিখন জিলা পৰিষদৰ অধীনত কাম কৰিবৰ বাবে চৰকাৰে সময়ে সময়ে নিযুক্ত কৰিব।

(৪) এই অধিনিয়ম বা তৎসময় বলৱৎ কোনো অন্য বিধিত যিকোনো কথা থকাৰ স্বত্বেও চৰকাৰ বা কোনো অন্য বিষয়া অথবা এই ক্ষেত্ৰত ইয়াৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত অন্য প্ৰাধিকাৰীৰ এনেদৰে নিয়োজিত বিষয়াসমূহক জিলাৰ ভিতৰত বা এখন জিলাৰ পৰা অন্য এখন জিলালৈ বদলি কাৰ্য্যকৰী কৰাৰ ক্ষমতা থাকিব।

(৫) চৰকাৰে বিহিত কৰা কৰ্মচাৰী নিয়োজনৰ আৰ্হি অনুযায়ী প্ৰতিখন জিলা পৰিষদৰ অধীনত কাৰিকৰী কৰ্মচাৰীক সামৰি তেনে সংখ্যক তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী থাকিব। ধাৰা ১৪০ (১) ৰ মতে জিলা পৰিষদৰ প্ৰথম শ্ৰেণীৰ পদ চৰকাৰৰ দ্বাৰা নিযুক্ত/প্ৰতি

নিযুক্ত কৰা হ'ব। প্ৰাদেশিক পঞ্চায়ত কৰ্মচাৰী সকলৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালক গৰাকী নিযুক্তি প্ৰাধিকাৰী হ'ব।

(৬) এই অধিনিয়ম বা তৎসময় বলবৎ কোনো অন্য বিধিত যিকোনো কথা থকাৰ স্বত্বেও এনেদৰে নিয়োজিত হোৱা প্ৰাদেশিক কৰ্মচাৰীসকলক অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সঞ্চালকগৰাকীৰ জিলাৰ ভিতৰত বা এখন জিলাৰ পৰা অন্য এখন জিলালৈ বদলি কাৰ্য্যকৰী কৰাৰ ক্ষমতা থাকিব।

(৭) এই অধিনিয়মখন বিধিবদ্ধ হোৱাৰ তাৎক্ষণিক পূৰ্বতে জিলাৰ অন্তৰ্ভুক্ত মহকুমা পৰিষদৰ স্থানত থকা কৰ্মচাৰীসকল উপ-খণ্ড (৫) আৰু (৬) ৰ অধীনত জিলা পৰিষদত নিবিষ্ট হ'ব।

(৮) চৰকাৰে প্ৰত্যেক জিলা পৰিষদৰ বাবে বিহিত এনে সেৱা সমূহ নিৰ্দ্ধাৰিত তাৰিখৰ পৰা আৰম্ভ কৰিব পাৰে।

**জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া আৰু অন্য বিষয়াৰ কৃত্যসমূহ**

১০৩। (১) এই অধিনিয়মৰ দ্বাৰা বা অধীনত স্পষ্টভাৱে উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, মুখ্য কাৰ্য্যবাহী বিষয়াজনে-

(ক) জিলা পৰিষদৰ নীতি আৰু নিৰ্দেশনা সম্পাদন আৰু জিলা পৰিষদৰ সকলো কাম আৰু উন্নয়নমূলক আচঁনিসমূহৰ দ্ৰুত কাৰ্য্যকৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব;

(খ) এই অধিনিয়ম বা ইয়াৰ অধীনত গঠিত নিয়ম আৰু বিনিয়মৰ দ্বাৰা বা অধীনত তেওঁৰ ওপৰত ন্যস্ত কৰ্তব্য নিৰ্বহণ কৰিব;

(গ) জিলা পৰিষদৰ সভাপতিৰ সাধাৰণ তত্ত্বাৱধানৰ অধীনত আৰু বিহিত নিয়মাৱলীৰ অধীনত জিলা পৰিষদৰ সকলো বিষয়া আৰু বিষয়ববীয়াৰ কামসমূহ তদাৰক কৰিব;

(ঘ) জিলা সম্পৰ্কীয় সকলো কাগজ-পত্ৰ আৰু দলিল পত্ৰৰ অভিৰক্ষাত থাকিব; আৰু

(ঙ) জিলা গ্ৰামোন্নয়ন পুঁজিৰপৰা ধন উলিয়াব আৰু বিতৰণ কৰিব আৰু বিহিত থকা অন্য ক্ষমতা প্ৰয়োগ আৰু অন্য কৃত্য সম্পাদন কৰিব।

(২) মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকী জিলা পৰিষদৰ পদেন সচিব হ'ব আৰু আলোচনাত অংশগ্ৰহণ কৰিব পাৰে কিন্তু প্ৰস্তাৱ উত্থাপন কৰা অথবা ভোটদান কৰাৰ অধিকাৰ নাথাকিব। যদি মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীৰ অভিমত মতে জিলা পৰিষদৰ কোনো প্ৰস্তাৱে এই অধিনিয়মৰ উপবন্ধ অথবা অন্য কোনো বিধি অথবা তাৰ অধীনত গঠিত নিয়মাৱলী বা আদেশ উলংঘা কৰে বা অসংগত হয়, এইটো জিলা পৰিষদৰ দৃষ্টিগোচৰ কৰাটো তেখেতৰ কৰ্তব্য হ'ব।

(৩) মুখ্য গাণনিক বিষয়া গৰাকীয়ে বিত্তীয় নীতিৰ বিষয়ত জিলা পৰিষদক পৰামৰ্শ আগবঢ়াব আৰু বাৰ্ষিক হিচাপ আৰু বাজেট প্ৰস্তুতিকে সামৰি জিলা পৰিষদৰ হিচাপ সম্পৰ্কীয় সকলো বিষয়ত দায়বদ্ধ হ'ব।

(৪) মুখ্য গাণনিক বিষয়া গৰাকীয়ে নিশ্চিত কৰিব যে এই অধিনিয়ম আৰু তাৰ অধীনত গঠিত নিয়মাৱলী আৰু বিনিয়ম অনুসৰি আৰু যথোচিত সন্মতিৰ বাদে কোনো খৰচ বহন কৰা নহ'ব আৰু তেখেতে এই অধিনিয়ম বা নিয়মাৱলী আৰু বিনিয়মে অনুমোদন নিদিয়া অথবা বাজেটত উল্লেখ নথকা কোনো খৰচৰ অনুমতি নিদিব।

(৫) মুখ্য পৰিকল্পনা বিষয়াগৰাকীয়ে জিলা পৰিষদক পৰিকল্পনা প্ৰস্তুতিত পৰামৰ্শ আগবঢ়াব আৰু জিলাৰ অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায় আৰু বাৰ্ষিক পৰিকল্পনাৰ প্ৰস্তুতিকে সামৰি জিলা পৰিষদৰ পৰিকল্পনা সম্পৰ্কীয় সকলো বিষয়তে দায়বদ্ধ হ'ব।

**নথি-পত্ৰ অধিগ্ৰহণৰ অধিকাৰ**

১০৪। (১) প্ৰতিজন ব্যক্তি যাৰ দখলত এখন গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ ধন, হিচাপ, নথি-পত্ৰ বা অন্য সম্পত্তি আছে, মুখ্য কাৰ্য্যবাহী বিষয়াজনৰ এই উদ্দেশ্যে দিয়া লিখিত অধিগ্ৰহণত, তৎক্ষণাত এনে ধন, অথবা এনে হিচাপ, নথি-পত্ৰ অথবা অন্য সম্পত্তি মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীক বা ইয়াক গ্ৰহণ কৰিবলৈ, অধিগ্ৰহণত কতৃত্বপ্ৰাপ্ত ব্যক্তিগৰাকীক হস্তান্তৰ কৰিব।

(২) বাকীদাৰ সকলৰ পৰা বকেয়া ভূমি ৰাজহ আদায়ৰ বাবে প্ৰাসংগিক ভূমি ৰাজহ অধিনিয়মত থকা উপবন্ধসমূহৰ সাপেক্ষে আৰু একে ধৰণেৰে মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকীয়েও এনে ব্যক্তিৰপৰা কোনো পাব লগা ধন আদায়ৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পাৰে, আৰু গাঁও পঞ্চায়ত বা অঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ সম্পৰ্কীয় হিচাপ, নথি-পত্ৰ বা অন্য সম্পত্তি আদায়ৰ উদ্দেশ্যে খানাতালাচী পাৰোৱানা জাৰি কৰিব পাৰে আৰু ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা (১৯৭৪ চনৰ কেন্দ্ৰীয় অধিনিয়ম – ২) ৰ অধ্যায়- VII ৰ উপবন্ধসমূহৰ অধীনত এজন দণ্ডাধীশে আইনসিদ্ধ ভাৱে সেই ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা সকলো ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

(৩) এখন গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ সম্পৰ্কীয় টকা, হিচাপ, নথি-পত্ৰ বা অন্য সম্পত্তি ক'ত লুকুৱাই থৈছে জনা প্ৰতিজন ব্যক্তিয়ে মুখ্য কাৰ্য্যবাহী বিষয়াজনক ইয়াৰ তথ্য দিবলৈ বাধ্য।

(৪) মুখ্য কাৰ্য্যবাহী বিষয়া গৰাকীৰ আদেশৰ বিৰুদ্ধে এই ধাৰাৰ অধীনত চৰকাৰৰ ওচৰত আপীল কৰিব।

## অধ্যায় - ৭

### হাট, ঘাট, পাৰঘাট ইত্যাদিৰ বন্দৱস্তী, আৰু সমুৎপন্ন ধনৰ বিতৰণ আৰু ইয়াৰ ৰক্ষণাবেক্ষণ আৰু নিয়ন্ত্ৰণ।

**আঞ্চলিক পঞ্চায়তৰ দ্বাৰা হাটসমূহৰ বন্দৱস্তী**

১০৫। (১) আঞ্চলিক পঞ্চায়তৰ সভাপতিয়ে ইয়াৰ কাৰ্য্যালয়ত নিবিদা আমন্ত্ৰণৰ জৰিয়তে আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ সকলো হাট বিহিত ধৰণে এটা পঞ্চায়ত বিত্তীয় বৰ্ষৰ অধিক নোহোৱা নিৰ্দ্ধাৰিত কালৰ বাবে বন্দৱস্তী কৰিব।

(২) নিবিদা আমন্ত্ৰণ আৰু দাখিল কৰাৰ বিস্তৃত কাৰ্য্যপদ্ধতি যথাবিহিতভাৱে হ'ব।

(৩) নিবিদাৰ পৰীক্ষা আৰু সঠিক স্বীকৃতিৰ ক্ষমতা ধাৰা-৫২ (১) (ক) ত উল্লেখ কৰা স্থায়ী সমিতিৰ ওপৰত ন্যস্ত কৰা হ'ব।

(৪) উপ-ধাৰা (৩) ৰ অধীনত কৰা সকলো বন্দৱস্তী জিলা পৰিষদৰ অনুমোদন সাপেক্ষে হ'ব:

পৰন্তু কোনো বিবাদৰ ক্ষেত্ৰত, আঞ্চলিক পঞ্চায়তে গোচৰটো চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে আৰু ক্ষুণ্ণ পক্ষই চৰকাৰৰ ওচৰত আপীল কৰিব পাৰে যাৰ সিদ্ধান্ত এই ক্ষেত্ৰত চূড়ান্ত হ'ব।

(৫) যথোচিত মূল্য নোপোৱাত কোনো হাটৰ বন্দৱস্তী দিয়াত ব্যৰ্থ হ'লে, জিলা পৰিষদে

নির্দ্ধাৰণ কৰা ধৰণে আঞ্চলিক পঞ্চায়ত খনে তেনে হাটৰ প্ৰত্যক্ষ পৰিচালনা নিজৰ ওচৰত ন্যস্ত কৰিব পাৰে।

(৬) হাটসমূহৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন সকলো ধন আঞ্চলিক পঞ্চায়তৰ পুৰ্জিত জমা কৰা হ'ব আৰু ইয়াৰ পাছত নির্দ্ধাৰিত কৰা ধৰণেৰে বিতৰণ কৰা হ'ব,-

(ক) হাট সমূহৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন সৰ্বমুঠ ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুৰ্জিলৈ হস্তান্তৰ কৰিব:

(খ) হাটসমূহৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন মুঠ ধনৰ চল্লিশ শতাংশ সম পৰিমাণৰ ধন আঞ্চলিক পঞ্চায়তখনৰ অধীনৰ সকলো গাঁও পঞ্চায়তসমূহত সমানে বিতৰণ কৰা হ'ব, অৱশিষ্ট চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ পুৰ্জিত ৰখা হ'ব:

পৰন্ত সংশ্লিষ্ট আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত থকা হাটসমূহৰ উন্নীতকৰণৰ বাবে পূৰ্বৰ মহকুমা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তে লোৱা ঋণ সূদৰ সৈতে পৰিশোধ কৰিবলৈ বাৰ্ষিক কিস্তিৰ কাৰণে যদি কোনো পৰিমাণৰ ধন দিবলগীয়া থাকে,আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়ত, যথাস্থিতি, লৈ হস্তান্তৰ কৰা হাটসমূহৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ চল্লিশ শতাংশ অংশৰপৰা পৰিশোধ কৰা হ'ব।

**ৰাজহুৱা পাৰঘাটৰ বন্দবস্তী আৰু ইয়াৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ বিতৰণ**

১০৬। (১) আঞ্চলিক পঞ্চায়তৰ সভাপতিয়ে ইয়াৰ কাৰ্য্যালয়ত নিবিদা আহ্বানৰ জৰিয়তে আঞ্চলিক পঞ্চায়ত ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ চৰকাৰী পাৰঘাটসমূহৰ বাহিৰে সকলো ৰাজহুৱা পাৰঘাট বিহিত ধৰণে এটা পঞ্চায়ত বিত্তীয় বৰ্ষৰ অধিক নোহোৱা নির্দ্ধাৰিত কালৰ বাবে বন্দৱস্তী কৰিব।

(২) নিবিদা আমন্ত্ৰণ আৰু দাখিল কৰাৰ বিতং কাৰ্য্যপদ্ধতি যথাবিহিতভাৱে হ'ব।

(৩) নিবিদাৰ পৰীক্ষা আৰু সঠিক স্বীকৃতিৰ ক্ষমতা ধাৰা ৫২ (১) (ক) ৰ অধীনত স্থায়ী সমিতিৰ ওপৰত ন্যস্ত কৰিব।

(৪) উপ-ধাৰা (৩) ৰ অধীনত কৰা সকলো বন্দৱস্তী জিলা পৰিষদৰ অনুমোদন সাপেক্ষে হ'ব:

পৰন্ত কোনো বিবাদৰ ক্ষেত্ৰত, আঞ্চলিক পঞ্চায়তে গোচৰটো চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে আৰু ক্ষুণ্ণ পক্ষই চৰকাৰৰ ওচৰত আপীল কৰিব পাৰে যাৰ সিদ্ধান্ত এই ক্ষেত্ৰত চূড়ান্ত হ'ব :

উপৰন্ত য'ত আৰু যেতিয়া প্ৰয়োজন বুলি বিবেচনা কৰা হয়, চৰকাৰে নিৰ্দিষ্ট বন্দৱস্তী বিষয়ত হস্তক্ষেপ কৰিব পাৰে আৰু এই ক্ষেত্ৰত ইয়াৰ সিদ্ধান্তই চূড়ান্ত হ'ব :

উপৰন্ত এখনতকৈ অধিক আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত এটা ৰাজহুৱা পাৰঘাটৰ বন্দৱস্তীৰ বাবে ৰাজ্য চৰকাৰে আঞ্চলিক পঞ্চায়তলৈ আদেশ জাৰি কৰিব পাৰে।

(৫) ৰাজহুৱা পাৰঘাটৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন সকলো ধন আঞ্চলিক পঞ্চায়তৰ পুৰ্জিত জমা কৰিব আৰু তাৰ পিছত যদি আন্ত:আঞ্চলিক পঞ্চায়তৰ ৰাজহুৱা পাৰঘাটৰ, কোনো সমুৎপন্ন ধন থাকে, সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তক ন্যায়সংগতভাৱে বিতৰণ কৰিব আৰু তাৰ পিছত এখন আঞ্চলিক পঞ্চায়তৰ পুৰ্জিত বৈ যোৱা সমুৎপন্ন ধন নিম্নলিখিত ধৰণেৰে বিতৰণ কৰিব :

(ক) ৰাজহুৱা পাৰঘাটৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ বিশ শতাংশ সম পৰিমাণৰ ধন জিলা পৰিষদৰ পুৰ্জি লৈ হস্তান্তৰ কৰিব;

(খ) ৰাজহুৱা পাৰঘাটৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ চল্লিশ শতাংশৰ সম পৰিমাণৰ ধন আঞ্চলিক পঞ্চায়তৰ পুঁজিত ৰখা হ'ব:

পৰন্তু ৰাজহুৱা পাৰঘাটৰ বিক্ৰীকৃত সমুৎপন্ন ধনৰ চল্লিশ শতাংশ প্ৰাপ্ত অংশৰ পৰা আঞ্চলিক পঞ্চায়তে ৰাজহুৱা পাৰঘাট সমূহৰ ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণৰ বাবে যদি কিবা খৰচ হয়, সকলো বহন কৰিব:

উপৰন্তু যদি কোনো আঞ্চলিক পঞ্চায়তে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত আন্ত: আঞ্চলিক পঞ্চায়ত ৰাজহুৱা পাৰঘাট অংশৰ উন্নীতকৰণত ব্যৰ্থ হয় অথবা ৰক্ষণাবেক্ষণক উপেক্ষা কৰে, ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণত হোৱা তেনে ব্যয় গাফিলতি কৰা আঞ্চলিক পঞ্চায়তৰ অংশৰ পৰা কৰ্তন কৰিব।

(গ) ৰাজহুৱা পাৰঘাটৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ চল্লিশ শতাংশৰ সম পৰিমাণৰ ধন আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত থকা গাঁও পঞ্চায়তসমূহৰ মাজত সমানে বিতৰণ কৰিব।

(৬) দুই বা তাতোধিক আঞ্চলিক পঞ্চায়তৰ ভিতৰৰ পৰা সকলো ৰাজহুৱা পাৰঘাটৰ বিক্ৰী প্ৰতিবছৰে আবৰ্তনৰ দ্বাৰা আঞ্চলিক পঞ্চায়তসমূহে পৰিচালনা কৰিব। দুখন আঞ্চলিক পঞ্চায়তৰ বিবাদৰ ক্ষেত্ৰত বিষয়টো জিলা পৰিষদ/চৰকাৰলৈ প্ৰেৰণ কৰিব,যাৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

**গাঁও পঞ্চায়তৰ দ্বাৰা ব্যক্তিগত হাট, ঘাট আৰু মীন মহল ইত্যাদিৰ বন্দৱস্তী**

১০৭। গাঁও পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ অধীনৰ হাট, ঘাট আৰু মীনমহল ইত্যাদিৰ বন্দবস্তীৰ ক্ষমতা ধাৰা-২২ ৰ উপ-ধাৰা (১) (i) ৰ অধীনত স্থায়ী সমিতিৰ ওপৰত ন্যস্ত কৰিব।

**গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তলৈ চৰকাৰী মীনক্ষেত্ৰসমূহৰ হস্তান্তৰকৰণ**

১০৮। (১) তৎসময় বলবৎ কোনো বিধিৰ অধীনত যিকোনো কথা থকা স্বত্বেও, ৰাজ্য চৰকাৰে বছৰত পচিঁশ হাজাৰ টকা বা কম আয় সংগ্ৰহ কৰা চৰকাৰী মীন মহল গাঁও পঞ্চায়তলৈ হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত মীনমহলটো অৱস্থিত :

পৰন্তু এই উপ-ধাৰাৰ অধীনত তেনে হস্তান্তৰ আয়ৰ পৰৱৰ্তী বৰ্ষৰ পৰা কাৰ্য্যকৰী হ'ব।

(২) চৰকাৰে বাৰ্ষিক বিক্ৰীকৃত মূল্য পচিঁশ হাজাৰতকৈ অধিক আৰু এক লাখ টকাতকৈ কম নোহোৱা চৰকাৰী মীনমহলসমূহ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ ক্ষমতাৰ সৈতে আঞ্চলিক পঞ্চায়তলৈ হস্তান্তৰ কৰিব যাৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত তেনে মীনমহল সমূহ অৱস্থিত।

**মীনমহলসমূহৰ বন্দৱস্তী আৰু সমুৎপন্ন ধনৰ বিতৰণ**

১০৯। (১) আঞ্চলিক পঞ্চায়তৰ সভাপতিয়ে ইয়াৰ কাৰ্য্যালয়ত নিবিদা আহ্বানৰ জৰিয়তে এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলীত, অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, এখন আঞ্চলিক পঞ্চায়তৰ সকলো মীনমহল আঞ্চলিক পঞ্চায়ত খনে বিহিত ধৰণে এটা পঞ্চায়ত বিত্তীয় বৰ্ষৰ অধিক নোহোৱা নিৰ্দ্ধাৰিত কালৰ বাবে বন্দবস্তী কৰিব।

(২) নিবিদা আহ্বান আৰু দাখিল কৰাৰ বিতং কাৰ্য্যপদ্ধতি যথাবিহিত ধৰণে হ'ব।

(৩) নিবিদা পৰীক্ষা আৰু সঠিক স্বীকৃতিৰ ক্ষমতা ধাৰা-৫২ (১) (ক) ত উল্লেখ কৰা স্থায়ী সমিতিখনৰ ওপৰত ন্যস্ত কৰিব।

(৪) উপ-ধাৰা (৩) ৰ অধীনত কৰা সকলো বন্দৱস্তী জিলা পৰিষদৰ অনুমোদন মৰ্মে হ'ব:

পৰন্তু কোনো বিবাদৰ ক্ষেত্ৰত, আঞ্চলিক পঞ্চায়তে গোচৰটো চৰকাৰলৈ প্ৰেৰণ কৰিব পাৰে আৰু ক্ষুণ্ণ পক্ষই চৰকাৰৰ ওচৰত আপীল কৰিব পাৰে যাৰ সিদ্ধান্ত এই ক্ষেত্ৰত চূড়ান্ত হ'ব :

উপৰন্তু য'ত আৰু যেতিয়া প্ৰয়োজন বুলি বিবেচনা কৰা হয়, চৰকাৰে নিৰ্দিষ্ট বন্দৱস্তী বিষয়ত হস্তক্ষেপ কৰিব পাৰে আৰু এই ক্ষেত্ৰত ইয়াৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(৫) ৰাজহুৱা মীনমহল সমূহৰ সকলো বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধন আঞ্চলিক পঞ্চায়তৰ পুঞ্জিত জমা কৰিব আৰু নিম্নলিখিত ধৰণেৰে বিতৰণ কৰিব:

(ক) আঞ্চলিক পঞ্চায়তৰ মীনমহলসমূহৰ মুঠ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ বিশ শতাংশ জিলা পৰিষদৰ পুঁজি লৈ হস্তান্তৰ কৰিব;

(খ) আঞ্চলিক পঞ্চায়তৰ মীনমহলসমূহৰ মুঠ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ পুঞ্জিত ৰখা হ'ব;

(গ) আঞ্চলিক পঞ্চায়তৰ মীনমহলসমূহৰ মুঠ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধনৰ চল্লিশ শতাংশ আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত থকা গাঁও পঞ্চায়ত সমূহৰ মাজত সমানে বিতৰণ কৰিব।

(৬) জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ কোনো আঞ্চলিক পঞ্চায়তৰ অধীনত থকা হাট, পাৰঘাট আৰু মীনমহলসমূহ, যাৰ বাৰ্ষিক বিক্ৰীকৃত মূল্য এক লাখৰ অধিক আৰু তিনি লাখৰ কম হয়, ধাৰা ১০৫, ১০৬ আৰু ১০৯ ৰ অধীনত বিহিত কৰা ধৰণেৰে এটা পঞ্চায়ত বিত্তীয় বৰ্ষৰ অধিক নোহোৱা নিৰ্দ্ধাৰিত কালৰ বাবে সংশ্লিষ্ট জিলা পৰিষদে বন্দবস্তী কৰিব। নিবিদা পৰীক্ষা আৰু সঠিক স্বীকৃতিৰ ক্ষমতা ধাৰা-৮১ (১) (ক) অধীনৰ দৰে স্থায়ী সমিতিখনৰ ওপৰত ন্যস্ত কৰিব। বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধন সমূহ উপৰোক্ত ধাৰা সমূহত বিহিত কৰা ধৰণেৰে বিতৰণ কৰা হ'ব।

**এখন গাঁও পঞ্চায়তৰপৰা বাদ দিয়া আৰু নগৰ সমিতি অথবা পৌৰসভাৰ অন্তৰ্ভুক্ত এলেকাত অৱস্থিত হাটসমূহ**

১১০। (১) অসম পৌৰসভা অধিনিয়ম, ১৯৫৬ ত যিকোনো কথা থকা স্বত্বেও, এই অধিনিয়ম প্ৰাৰম্ভৰ পিছত গাঁও পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ পৰা বাদ পৰা আৰু নগৰ সমিতি অথবা পৌৰসভাৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্ভুক্ত হোৱা এলেকাত অৱস্থিত কোনো হাটৰ বিক্ৰীৰ দ্বাৰা সমুৎপন্ন ধন, ৰাজ্য চৰকাৰে এলেকাটো হস্তান্তৰ হোৱা বৰ্ষটোৰ পৰা পৰৱৰ্তী তিনিটা বৰ্ষৰ বাবে সমান অংশ হিচাপে ভগাই দিব।

(২) নগৰ সমিতি অথবা পৌৰসভাৰ ক্ষেত্ৰাধিকাৰৰ পৰা বাদ পৰা এলেকাত অৱস্থিত এখন হাটৰ উন্নীতকৰণৰ অৰ্থে স্থানীয় প্ৰাধিকাৰীয়ে লোৱা ঋণৰ বাবে, চৰকাৰৰ আদেশৰ অধীনত, তেনে ঋণৰ দায়িত্ব অথবা সূতসহ পৰিশোধ কৰাটো, নগৰ সমিতি অথবা পৌৰসভালৈ হস্তান্তৰ কৰিব।

## অধ্যায় – ৮

## জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি, উপ-সভাপতি আৰু সদস্যৰ অৰ্হতাহীনতা ।

**অৰ্হতাহীনতা সমূহ**

১১১। (১) কোনো ব্যক্তি জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি, উপ-সভাপতি বা সদস্য হৈ নাথাকিব আৰু নিৰ্বাচিত বা সহ-নিযুক্ত নহ'ব যদিহে তেখেত –

(ক) নৈতিক পতনৰ অপৰাধত দোষী সাব্যস্ত হৈছে বা ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ৰ ধাৰা ১১০ ৰ অধীনত ভদ্ৰ আচৰণৰ হেতু প্ৰত্যাভূতি দিয়াৰ বাবে আদেশ জাৰি হৈছে, অন্যথা দণ্ডাজ্ঞা বা কাৰাবাসৰ ক্ষেত্ৰত আৰু দোষী সাব্যস্ত হোৱা তাৰিখৰপৰা কাৰাবাসৰ বাহিৰে দণ্ডাজ্ঞাৰ ক্ষেত্ৰত তেখেতৰ মুক্তিৰ দিনৰপৰা নিৰ্বাচন পতাৰ নিৰ্দ্ধাৰিত তাৰিখলৈ চাৰি বছৰ কাল অতিবাহিত হোৱা নাই ; বা

(খ) নৈতিক পতন জনিত কৰ্ম কৰাৰ বাবে চৰকাৰী সেৱাৰ পৰা বৰ্খাস্ত হৈছে যদিহে তেখেতৰ বৰ্খাস্তকৰণৰ দিনৰপৰা নিৰ্বাচন পতাৰ নিৰ্দ্ধাৰিত তাৰিখলৈ পাঁচবছৰ কাল অতিবাহিত হোৱা নাই ; বা

(গ) অপ্ৰমাণিত দেউলীয়া বা অনুন্মুক্ত দেউলীয়া বুলি ঘোষণা কৰাৰ বাবে আবেদন কৰে ; বা

(ঘ) আইনজীৱি অধিনিয়মসমূহৰ অধীনত দালাল বুলি ঘোষণা কৰা হৈছে ; বা

(ঙ) চৰকাৰৰ অধীনত লাভৰ সেৱাত নিযুক্ত হয় (বা চৰকাৰৰ পৰা অনুদান প্ৰাপ্ত আৰু স্বীকৃত কোনো শিক্ষানুষ্ঠান ) বা জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ অধীনত পাৰিশ্ৰমিকপ্ৰাপ্ত পদত নিযুক্ত হয় বা চৰকাৰৰ অধীনত বা উপৰোক্ত কোনো নিকায়ৰ অধীনত চুক্তিবদ্ধ হয় ; বা

(চ) নিৰ্বাচনৰ তাৰিখৰ তাৎক্ষণিক পূৰ্বৰ চাৰি বছৰত লোক প্ৰতিনিধিত্ব অধিনিয়ম, ১৯৫১ ৰ ধাৰা ১৩৫, বা খণ্ড (ক) বা ধাৰা ১৩৬ ৰ উপ-ধাৰাৰ (২) অধীনৰ শাস্তিযোগ্য অপৰাধত দোষী সাব্যস্ত হয় অথবা ক্ষমতাসম্পন্ন প্ৰাধিকাৰীৰ দ্বাৰা ভ্ৰষ্ট আচৰণ গ্ৰহণ কৰাৰ প্ৰমাণ পোৱাত ভাৰতবৰ্ষৰ কোনো বিধানসভালৈ বা কোনো স্থানীয় নিকায়লৈ তেখেতৰ নিৰ্বাচন ৰদ কৰা হয় ; বা

(ছ) এই অধিনিয়মৰ উপবন্ধসমূহ আৰু ইয়াৰ অধীনত গঠিত নিয়মাৱলীসমূহৰ অধীনত আৰোপ কৰা কোনো নিৰিখ, কৰ, উপকৰ বা মাচুলৰ অথবা সমবায় সমিতিৰ কোনো ঋণ আদায়ৰ বাকীদাৰ হয় ;

(জ) যিকোনো পৰ্য্যায়ৰ এখন পঞ্চায়ত নিকায়ৰ এজন সদস্যৰ কোনো অনৰ্হতাক লৈ যদি এই ধাৰাৰ অধীনত কোনো প্ৰশ্নৰ উদ্ভৱ হয়, চৰকাৰে বিধিৰ দ্বাৰা উপবন্ধিত ধৰণেৰে প্ৰশ্নটো তেনে কোনো প্ৰাধিকাৰীৰ সিদ্ধান্তৰ বাবে প্ৰেৰণ কৰিব ;

(ঝ) এখন পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচিত কোনো ব্যক্তি যদি লোকসভা, ৰাজ্য বিধানসভাৰ সদস্য অথবা পৌৰসভাৰ কাউন্সিলৰ আৰু পৌৰ নিগমৰ কাউন্সিলৰ বা এখন নগৰ সমিতিৰ সদস্য হয়, তেতিয়া লোকসভা, ৰাজ্য বিধানসভা বা পৌৰনিগম বা পৌৰসভাৰ কাউন্সিলৰ বা নগৰ সমিতিৰ সদস্যপদ বা কালৰ প্ৰাৰম্ভৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ ভিতৰত, পঞ্চায়তত তেখেতৰ পদ ৰিক্ত হ'ব যদিহে তেখেতে লোকসভা, ৰাজ্য বিধানসভা অথবা পৌৰসভা বা পৌৰনিগম বা নগৰ সমিতিৰ, যথাস্থিতি, আসনৰ পৰা পূৰ্বতে পদত্যাগ নকৰে ;

[১][(এ) কোনো ব্যক্তি তেওঁৰ বয়স পচিঁশ বছৰৰ কম হোৱাত অযোগ্য নহ'ব যদিহে তেওঁৰ বয়স একৈশ বছৰ হৈছে।]

[২][(২) কোনো ব্যক্তি জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি, উপ-সভাপতি বা সদস্য হৈ নাথাকিব আৰু নিৰ্বাচিত বা সহ-নিযুক্ত নহ'ব যদিহে তেখেত,-

(ক) যাৰ এক বা একাধিক সংগীৰপৰা দুজনতকৈ অধিক সন্তান থাকে :

পৰন্তু এই অধিনিয়ম প্ৰাৰম্ভৰ পূৰ্বে দুজনতকৈ অধিক সন্তান থকা ব্যক্তিসকলৰ ক্ষেত্ৰত এই উপবন্ধ প্ৰযোজ্য নহ'ব ;

(খ) গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে, যি জনে শিক্ষানুষ্ঠানৰপৰা ষষ্ঠ শ্ৰেণী উত্তীৰ্ণ হোৱা নাই :

পৰন্তু অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্য পিছপৰা শ্ৰেণী (অ,বি,চি) আৰু অন্য অধিক পিছপৰা শ্ৰেণীৰ (এম,অ,বি,চি) প্ৰাৰ্থীৰ ক্ষেত্ৰত, গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে নিৰ্বাচিত হ'বলৈ বা প্ৰতিদ্বন্দ্বিতাৰ বাবে নিম্নতম শিক্ষাগত অৰ্হতাৰ অভাৱ প্ৰতিবন্ধক নহ'ব ;

(গ) গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে যি গৰাকীয়ে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে, যথাস্থিতি, স্বীকৃতি প্ৰদান কৰা কোনো পৰিষদ বা বৰ্ডৰ অধীনত এইচ, এচ, এল, চি (হাইস্কুল শিক্ষান্ত) বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা নাই :

পৰন্তু অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্য পিছপৰা শ্ৰেণী (অ,বি,চি) আৰু অন্য অধিক পিছপৰা শ্ৰেণীৰ (এম,অ,বি,চি) প্ৰাৰ্থীৰ ক্ষেত্ৰত, নিম্নতম শিক্ষাগত অৰ্হতা এখন শিক্ষানুষ্ঠানৰপৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব ;

(ঘ) জিলা পৰিষদৰ সদস্য পদৰ বাবে যি গৰাকীয়ে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে, যথাস্থিতি, স্বীকৃতি প্ৰদান কৰা কোনো পৰিষদ বা বৰ্ডৰ অধীনত এইচ, এচ, এচ, এল, চি (উচ্চতৰ মাধ্যমিক শিক্ষান্ত) বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা নাই :

পৰন্তু অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্য পিছপৰা শ্ৰেণী (অ,বি,চি) আৰু অন্য অধিক পিছপৰা শ্ৰেণীৰ (এম,অ,বি,চি) প্ৰাৰ্থীৰ ক্ষেত্ৰত, নিম্নতম শিক্ষাগত অৰ্হতা কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে, যথাস্থিতি, স্বীকৃতি প্ৰদান কৰা কোনো পৰিষদ বা বৰ্ডৰ অধীনত এইচ, এচ, এল, চি (হাইস্কুল শিক্ষান্ত) বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব ;

(ঙ) যাৰ বাসগৃহত কাৰ্য্যক্ষম অনাময় শৌচাগাৰ নাথাকে।]

---

১। ১৯৯৭ চনৰ ১০ নং অসম অধিনিয়মৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। ২০১৮ চনৰ ৩ নং অসম অধিনিয়মৰ দ্বাৰা অন্তঃস্থাপিত।

## অধ্যায় – ৯

## ৰাজ্য চৰকাৰৰ নিৰ্দেশনা, তদাৰক আৰু নিয়ন্ত্ৰণৰ সাধাৰণ ক্ষমতাসমূহ

**চৰকাৰৰ সাধাৰণ ক্ষমতা**

১১২। (১) ইয়াৰ হকে চৰকাৰে ক্ষমতা প্ৰদান কৰা বিষয়াসকলৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ প্ৰশাসনীয় কৰ্তব্যসমূহৰ সম্পাদনৰ পৰিদৰ্শন, তদাৰকৰ সাধাৰণ ক্ষমতা থাকিব আৰু ওপৰত উল্লেখ কৰা ক্ষমতাৰ ব্যাপকতাৰ প্ৰতিকূল ভাৱাপন্ন নহ'লে-

(ক) এখন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত বা গাঁও পঞ্চায়তৰ নিৰ্দেশনাৰ অধীনত চলি থকা কোনো কামত অথবা দখলত থকা বা নিয়ন্ত্ৰণত থকা কোনো স্থাৱৰ সম্পত্তিত প্ৰৱেশ আৰু পৰিৰ্দশন কৰিব পাৰে;

(খ) এই অধিনিয়মৰ উদ্দেশ্যে, এখন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত বা গাঁও পঞ্চায়তৰ দখলত বা নিয়ন্ত্ৰণত থকা কোনো নথি-পত্ৰ বিচাৰিব আৰু পৰীক্ষা কৰিব পাৰে ;

(গ) এক লিখিত আদেশ যোগে এখন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ পৰা উপযুক্ত বুলি ভবা বিবৃত্তি, হিচাপ-নিকাচ, প্ৰতিবেদন, কাৰ্য্যবিৱৰণী বিচাৰিব পাৰে;

(ঘ) প্ৰশাসনীয় কাম, কৰ্তব্য আৰু কাৰ্য্যবিৱৰণীৰ ক্ষেত্ৰত প্ৰয়োজনীয় বুলি ভৱা লিখিত উপদেশ দিব, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ সকলো কাৰ্য্যবিৱৰণী বিধিৰ সৈতে সামঞ্জস্য আছে নে চাব আৰু বিধিৰ সৈতে সামঞ্জস্য নথকা কোনো কাৰ্য্যবিৱৰণী ৱাতিল কৰিব আৰু তেনে সামঞ্জস্য বজাই ৰাখিবলৈ প্ৰয়োজনীয় সকলো কাম কৰিব পাৰে ;

(ঙ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ লগত জড়িত কোনো বিষয়ৰ ক্ষেত্ৰত তদন্ত কৰিব পাৰে আৰু কোনো কাম বা কৰ্তব্যচ্যুতি শুধৰাব পাৰে।

## অধ্যায় – ১০

## পঞ্চায়ত নিকায়সমূহৰ বাবে বিত্ত আয়োগ আৰু ৰাজ্যিক নিৰ্বাচন আয়োগৰ গঠন

**বিত্ত আয়োগ**

১১৩। (১) সংবিধান (ত্ৰিসপ্ততিতম সংশোধন), ১৯৯২ৰ প্ৰাৰম্ভৰ তাৰিখৰপৰা ৰাজ্য চৰকাৰে যথা শীঘ্ৰে সম্ভৱ এবছৰৰ ভিতৰত আৰু তাৰ পাছত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পঞ্চায়ত সমূহৰ আৰ্থিক স্থিতি পৰ্য্যালোচনা কৰিবলৈ বিত্ত আয়োগ গঠন কৰিব আৰু নিম্নোক্ত বিষয়ত ৰাজ্যপাললৈ চুপাৰিছ আগবঢ়াব-

(ক) নিয়ন্ত্ৰণ কৰিব লগীয়া নীতিসমূহ যিয়ে -

(i) ৰাজ্যাই উদ্‌গ্ৰহণ কৰা কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহৰ শুদ্ধ আয় ধন, যি ৰাজ্য আৰু পঞ্চায়তৰ মাজত ভাগ কৰিব পাৰি, সিহঁতৰ মাজত বিতৰণ আৰু সেই সমুৎপন্ন ধন সিহঁতৰ নিজৰ নিজৰ অংশ পঞ্চায়তৰ সকলো স্তৰৰ মাজত বণ্টন কৰে ;

(ii) কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহৰ নিৰ্দ্ধাৰণ কৰা যিটো পঞ্চায়তৰ ওপৰত ন্যস্ত অথবা বিনিয়োজন কৰিব পাৰে ;

(iii) ৰাজ্যৰ একত্ৰীকৃত নিধিৰপৰা পঞ্চায়তলৈ সহায়ক অনুদান।

(খ) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত সমূহৰ আৰ্থিক স্থিতিৰ উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ।

(গ) পঞ্চায়তৰ সবল অৰ্থনীতিৰ স্বাৰ্থত ৰাজ্যপালে বিত্ত আয়োগলৈ প্ৰেৰণ কৰা কোনো অন্য বিষয় ;

(২) ৰাজ্যপালে নিযুক্তি দিয়া এজন সভাপতি আৰু দুজন অন্য সদস্যৰে বিত্ত আয়োগ গঠিত হ'ব।

(৩) বিত্ত আয়োগৰ সভাপতি গৰাকী আৰু সদস্যসকল চৰকাৰে যথাবিহিত কৰা ধৰণৰ অৰ্হতা সম্পন্ন হ'ব লাগিব আৰু যথাবিহিত ধৰণেৰে নিযুক্তি প্ৰদান কৰা হ'ব।

(৪) বিত্ত আয়োগে ইয়াৰ কাৰ্য্যপদ্ধতি নিৰ্দ্ধাৰণ কৰিব।

(৫) বিত্ত আয়োগৰ সভাপতি অথবা এজন সদস্যই অসম চৰকাৰৰ মুখ্য সচিবক সম্বোধন কৰি স্বহস্ত লিখনীৰ দ্বাৰা তেখেতৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে, কিন্তু চৰকাৰে তেখেতৰ পদত্যাগ পত্ৰ গ্ৰহণ নকৰালৈকে তেওঁৰ পদ বাহাল থাকিব।

(৬) উপ-ধাৰা (৫)ৰ অধীনত সদস্যগৰাকী অথবা সভাপতি গৰাকীৰ পদত্যাগত অথবা অন্য কোনো কাৰণৰ বাবে সৃষ্টি হোৱা আকস্মিক ৰিক্ততা, নতুন নিযুক্তিৰ দ্বাৰা পূৰণ কৰিব পৰা যাব আৰু তেনেদৰে নিযুক্ত এগৰাকী সদস্য অথবা সভাপতিয়ে অৱশিষ্ট কালছোৱাৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব, যিটো কালৰ বাবে তেওঁক যিজন সদস্য অথবা সভাপতিৰ ঠাইত নিযুক্তি দিয়া হৈছে তেখেতে কাৰ্য্যনিৰ্বাহ কৰিলেহেতেঁন।

(৭) আয়োগৰ ইয়াৰ কৃত্যসমূহ সম্পাদনত নিম্নলিখিত ক্ষমতাসমূহ থাকিব যেনে-

(ক) কোনো বিষয়া অথবা প্ৰাধিকাৰীৰ পৰা কোনো নথি-পত্ৰ তলব কৰিবলৈ ;

(খ) কোনো ব্যক্তিক সাক্ষ্য প্ৰদান অথবা নথি-পত্ৰ দাখিলৰ বাবে চমন জাৰি কৰিবলৈ ; আৰু

(গ) যথাবিহিত তেনে অন্য ক্ষমতাসমূহ ।

(৮) ৰাজ্যখনৰ ৰাজ্যপালে এই ধাৰাৰ অধীনত বিত্ত আয়োগে কৰা প্ৰতিটো চুপাৰিছৰ সৈতে ইয়াৰ ওপৰত লোৱা কাৰ্য্যব্যৱস্থাৰ ব্যাখ্যাসূচক খতিয়ান ৰাজ্যৰ বিধান মণ্ডলৰ সদনত উত্থাপন কৰিব ।

**ৰাজ্যিক পঞ্চায়ত নিৰ্বাচন আয়োগ**

১১৪। (১) পঞ্চায়তৰ সকলো নিৰ্বাচন পতা আৰু ইয়াৰ বাবে নিৰ্বাচক নামাৱলীৰ প্ৰস্তুতকৰণৰ তত্ত্বাৱধান, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ ৰাজ্যপালে নিযুক্তি দিয়া ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰে গঠিত ৰাজ্যিক নিৰ্বাচন আয়োগৰ ওপৰত ন্যস্ত হ'ব।

(২) ৰাজ্যপালে নিয়মেৰে নিৰ্দ্ধাৰিত কৰাৰ দৰে ৰাজ্যিক পঞ্চায়ত নিৰ্বাচন আয়ুক্তৰ সেৱাৰ চৰ্তাৱলী আৰু পদাৱধি হ'ব, পৰন্তু উচ্চ ন্যায়ালয়ৰ বিচাৰকক অপসাৰিত কৰাৰ দৰে একে ধৰণেৰে আৰু একে কাৰণসমূহৰ বাহিৰে ৰাজ্যিক নিৰ্বাচন আয়ুক্তক তেখেতৰ পদৰ পৰা অপসাৰিত কৰিব নোৱাৰিব আৰু ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ সেৱাৰ চৰ্তাৱলী নিযুক্তিৰ পিছত তেওঁৰ হিতৰ বিপৰীতে সলনি কৰিব নোৱাৰিব,

(৩) এই অধিনিয়মৰ অধীনত ৰাজ্যিক পঞ্চায়ত নিৰ্বাচন আয়োগৰ ওপৰত ন্যস্ত কৰা কৃত্যসমূহ নিৰ্বহনৰ বাবে প্ৰয়োজনীয় কৰ্মচাৰীবৃন্দ, ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ অনুৰোধত ৰাজ্যিক নিৰ্বাচন আয়োগক চৰকাৰে যোগান ধৰিব।

[১][(৪) পঞ্চায়ত নিৰ্বাচন তদাৰকৰ বাবে ৰাজ্য চৰকাৰে এই অধিনিয়মৰ অধীনত নিযুক্তি দিয়া নিৰ্বাচন তদাৰকী বিষয়া, সহকাৰী নিৰ্বাচন তদাৰকী বিষয়া, অধিষ্ঠাতা বিষয়া, ভোট গ্ৰহণ বিষয়া আৰু কোনো অন্য বিষয়া আৰু তৎসময়ৰ বাবে মনোনীত কৰা কোনো আৰক্ষী বিষয়া, পঞ্চায়ত নিৰ্বাচনৰ জাননীৰ তাৰিখত আৰু তাৰিখৰ পৰা আৰম্ভ হৈ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ তাৰিখত সমাপ্ত হোৱা নিৰ্দ্ধাৰিত কালৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগলৈ প্ৰতিনিযুক্ত কৰা বুলি গণ্য কৰা হ'ব আৰু সেই নিৰ্দ্ধাৰিত কালছোৱাত সেই অনুসাৰে তেনে বিষয়াসকল ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিয়ন্ত্ৰণ, তত্ত্বাৱধান আৰু অনুশাসনৰ অধীন হ'ব।

(৫) সংশোধিত ভাৰতৰ সংবিধানৰ উপবন্ধসমূহৰ সাপেক্ষে, ৰাজ্যৰ বিধানমণ্ডলে বিধিৰদ্বাৰা, পঞ্চায়ত সমূহৰ নিৰ্বাচনৰ সম্পৰ্কত বা সংক্ৰান্তত সকলো বিষয়ৰ সম্বন্ধত উপবন্ধ কৰিব পাৰিব।]

১। ১৯৯৯ চনৰ ২৫ নং অসম অধিনিয়মৰ দ্বাৰা স্থাপিত।

## অধ্যায় – ১১

### বিবিধ:

**সমিতিসমূহৰ সিদ্ধান্তৰ ওপৰত থকা ক্ষমতা**

১১৫। প্ৰতিখন পঞ্চায়তৰ ইয়াৰ যিকোনো সমিতিয়ে গ্ৰহণ কৰা কোনো সিদ্ধান্ত পুন:বিবেচনা অথবা সাল-সলনি কৰাৰ ক্ষমতা থাকিব।

**গাঁও পঞ্চায়তৰ উপ-বিধি প্ৰস্তুত কৰাৰ ক্ষমতা সমূহ**

১১৬। (১) অধিনিয়মৰ উপবন্ধসমূহ আৰু তাৰ অধীনত গঠিত নিয়মাৱলীৰ সাপেক্ষে আৰু জিলা পৰিষদৰ পূৰ্ববৰ্তী মঞ্জুৰীৰ সৈতে, এখন গাঁও পঞ্চায়তে, এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যত পৰিণত কৰাৰ বাবে ইয়াৰ ক্ষমতা আৰু কৰ্তব্যৰ লগত সম্পৰ্ক থকা উপ-বিধিসমূহ প্ৰস্তুত কৰিব পাৰে।

(২) বিশেষত: আৰু ওপৰত উল্লেখ কৰা ক্ষমতাৰ ব্যাপকতাৰ প্ৰতিকূল ভাৱাপন্ন নহ'লে, গাঁও পঞ্চায়তে ধাৰা-১৯ৰ অধীনত ন্যস্ত কৃত্য আৰু কৰ্তব্যসমূহ নিৰ্বহনৰ বাবে প্ৰয়োজনীয় উপ-বিধি প্ৰস্তুত কৰিব পাৰে ।

(৩) উপ-ধাৰা (১) আৰু (২)ৰ অধীনত কোনো উপ-বিধি প্ৰস্তুত কৰোঁতে গাঁও পঞ্চায়তে উপবন্ধিত কৰিব পাৰে যে ইয়াৰ উলংঘন বিহিত ধৰণেৰে জৰিমনাৰ সৈতে দণ্ডনীয় হ'ব।

(৪) এনে কোনো উপ-বিধিয়ে উপবন্ধিতও কৰিব পাৰে যে এজন ব্যক্তিয়ে একেধৰণৰ উলংঘন কৰিলে, এনে উলংঘনৰ পৰা, যদি কিবা, অনিষ্ট হয়, এইটো তেখেতৰ ক্ষমতাৰ ভিতৰত যিমানদূৰ পাৰে প্ৰতিকাৰ কৰিব লাগিব।

(৫) এই ধাৰাৰ অধীনত প্ৰস্তুত কৰা সকলো উপ-বিধি পূৰ্বৰ প্ৰকাশনৰ চৰ্ত সাপেক্ষ হ'ব আৰু এনে প্ৰকাশন বিহিতভাৱে তেনে ধৰণেৰে প্ৰস্তুত কৰা হ'ব।

**আঞ্চলিক পঞ্চায়তৰ বিনিয়মসমূহ প্ৰস্তুত কৰাৰ ক্ষমতা**

১১৭। (১) এই অধিনিয়মৰ উপবন্ধসমূহ আৰু তাৰ অধীনত গঠিত নিয়মাৱলীৰ সাপেক্ষে আৰু অধিসূচনাৰ দ্বাৰা চৰকাৰৰ পূৰ্ববৰ্তী মঞ্জুৰীৰ সৈতে, এখন আঞ্চলিক পঞ্চায়তে, এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যত পৰিণত কৰাৰ বাবে ইয়াৰ ক্ষমতা আৰু কৰ্তব্যৰ লগত সম্পৰ্ক থকা বিনিয়মসমূহ প্ৰস্তুত কৰিব পাৰে।

(২) উপ-ধাৰা (১) ৰ অধীনত প্ৰস্তুত কৰা বিনিয়মসমূহ পূৰ্ব প্ৰকাশনৰ চৰ্ত সাপেক্ষ হ'ব আৰু এনে প্ৰকাশন বিহিত কৰা ধৰণেৰে প্ৰস্তুত কৰা হ'ব।

**জিলা পৰিষদৰ বিনিয়মসমূহ প্ৰস্তুত কৰাৰ ক্ষমতা**

১১৮। (১) এই অধিনিয়মৰ উপবন্ধসমূহ আৰু তাৰ অধীনত গঠিত নিয়মাৱলীৰ সাপেক্ষে আৰু অধিসূচনাৰ দ্বাৰা চৰকাৰৰ পূৰ্ববৰ্তী মঞ্জুৰীৰ সৈতে, এখন জিলা পৰিষদে, এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যত পৰিণত কৰাৰ বাবে ইয়াৰ ক্ষমতা আৰু কৰ্তব্যৰ লগত সম্পৰ্ক থকা বিনিয়মসমূহ প্ৰস্তুত কৰিব পাৰে।

(২) উপ-ধাৰা (১)ৰ অধীনত প্ৰস্তুত কৰা বিনিয়মসমূহ পূৰ্ব প্ৰকাশনৰ চৰ্ত সাপেক্ষে হ'ব আৰু এনে প্ৰকাশন বিহিত কৰা ধৰণেৰে প্ৰস্তুত কৰা হ'ব।

**চৰকাৰৰ আদৰ্শ বিনিয়মসমূহ প্ৰস্তুত কৰাৰ ক্ষমতা**

১১৯। (১) এই অধিনিয়মৰ উপবন্ধসমূহ, তাৰ অধীনত প্ৰস্তুত কৰা নিয়মাৱলী সমূহৰ সাপেক্ষে আৰু এক মাহতকৈ কম নোহোৱা খচৰাৰ পূৰ্ব প্ৰকাশনৰ পিছত, চৰকাৰে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহৰ বাবে আদৰ্শ বিনিয়ম আৰু উপবিধিসমূহ প্ৰস্তুত কৰিব পাৰে।

(২) উপ-ধাৰা (১)ৰ অধীনত প্ৰস্তুত কৰা আদৰ্শ উপ-বিধি বা বিনিয়মসমূহ, যথাস্থিতি, এখন গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদে প্ৰস্তাৱৰ দ্বাৰা গ্ৰহণ কৰিব পাৰে, আৰু এনে উপ-বিধি আৰু বিনিয়মসমূহ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদে, যথাস্থিতি বিহিত কৰা ধৰণেৰে প্ৰকাশিত এখন জাননীত নিৰ্দিষ্ট কৰা তাৰিখৰপৰা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত বলবৎ হ'ব।

**পঞ্চায়ত এলেকাৰ সীমাৰ পৰিৱৰ্তনত চৰকাৰৰ পঞ্চায়ত ভংগ কৰা আৰু পুন: গঠনৰ ক্ষমতা**

১২০। (১) যেতিয়া কোনো কাৰণত এখন পঞ্চায়ত এলেকাৰ সীমাৰ পৰিৱৰ্তন কৰা হয়, চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা নিৰ্দিষ্ট কৰা এটা তাৰিখৰ পৰা, এনে পঞ্চায়ত ভংগ কৰি দিব পাৰে আৰু নিৰ্দেশ দিব পাৰে যে সংশ্লিষ্ট গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ -

(i) ভংগ কৰি দিয়া গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ পঞ্চায়ত এলেকা বা জিলা পৰিষদৰ জিলা খনৰ বাবে পুন: গঠন কৰিব;

(ii) নতুনকৈ পুন:গঠন কৰা এখন পঞ্চায়ত এলেকা, খণ্ড বা জিলাৰ বাবে স্থাপন কৰিব।

(২) উপ-ধাৰা (১) ৰ অধীনত ভংগ কৰি দিয়া গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ সদস্যসকলে চৰকাৰী আদেশত নিৰ্দিষ্ট কৰা তাৰিখৰপৰা তেখেতসকলৰ পদ ৰিক্ত কৰিব।

(৩) উপ-ধাৰা (১) ৰ উপবন্ধৰ অধীনত পুন:গঠিত বা পুন:স্থাপিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ চৰকাৰৰ দ্বাৰা মনোনীত সদস্য আৰু উপ-ধাৰা (১) অধীনত ভংগ কৰা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ সদস্যৰে গঠিত হ'ব।

(৪) গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ অধ্যক্ষ গৰাকী এই অধিনিয়মত দিয়া ধৰণেৰে নিৰ্বাচিত কৰা হ'ব।

(৫) এনেদৰে গঠিত বা স্থাপিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ কাৰ্য্যকাল চৰকাৰে আদেশৰ দ্বাৰা নিৰ্দিষ্ট কৰা ছয়মাহৰ অধিক নোহোৱা এক কালৰ বাবে হ'ব।

(৬) উপ-ধাৰা (৫) ৰ উপবন্ধ অনুসৰি গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ কাৰ্য্যকাল উকলি যোৱাৰ পূৰ্বে, এখন গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদ এই অধিনিয়মত দিয়া ধৰণেৰে গঠন কৰা হ'ব :

পৰন্তু য'ত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদ নিৰ্দ্ধাৰিত সময়ৰ ছয়মাহৰ কম সময়ৰ বাবেহে বাহাল থাকিলেহেতেঁন, এই ধাৰাৰ অধীনত, সেই সময়ৰ বাবে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদ গঠন কৰিবলৈ কোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নাই।

(৭) উপ-ধাৰা (৬) ৰ অধীনত গঠিত এখন গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদ মাত্ৰ অৱশিষ্ট সময়ৰ বাবেহে বাহাল থাকিব যিটো সময়ৰ বাবে ইয়াক ভংগ নকৰিলে ভংগ কৰি দিয়া গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদ খন বাহাল থাকিলহেতেঁন ।

(৮) যেতিয়া এই ধাৰাৰ অধীনত এখন গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ ভংগ কৰি দিয়া আৰু পুন:গঠিত বা পুন:স্থাপিত হয়, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ পুঁজি আৰু ভংগ কৰি দিয়া গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদত ন্যস্ত থকা অন্য সম্পত্তি আৰু ঋণৰ এনে অংশ আৰু দায়িত্বসমূহ এই ধাৰাৰ অধীনত চৰকাৰে লিখিত

আদেশযোগে দিয়া নির্দেশত পুন:গঠিত আৰু পুন:স্থাপিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদক ন্যস্ত আৰু হস্তান্তৰ কৰিব।

(৯) দেৱানী অথবা ফৌজদাৰী প্ৰক্ৰিয়া, চুক্তি, বন্দৱস্তী আৰু পুন:গঠিত বা পুন:স্থাপিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ প্ৰাধিকাৰীৰ অধীনৰ এলেকাৰ কোনো অংশত উদ্ভৱ হোৱা আৰু সম্পৰ্কীয় অন্যান্য বিষয় বা বস্তুৰ ক্ষেত্ৰত ভংগ কৰা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ অধিকাৰ আৰু দায়িত্বসমূহ পৰিশোধৰ দায়িত্ব তেনে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ ওপৰত ন্যস্ত হ'ব।

(১০) পুন:গঠিত অথবা পুন:স্থাপিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ প্ৰাধিকাৰীৰ অধীনৰ এলেকাৰ কোনো অংশৰ ক্ষেত্ৰত ভংগ কৰা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদে প্ৰস্তুত, জাৰি, আৰোপ অথবা মঞ্জুৰ কৰা কোনো নিযুক্তি, অধিসূচনা, জাননী, কৰ, আদেশ, আচঁনি, অনুজ্ঞা পত্ৰ, অনুমতি, নিয়ম, বিনিয়ম সমূহ বা প্ৰপত্ৰ তেনে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ দ্বাৰা প্ৰস্তুত, জাৰি, আৰোপ, অথবা মঞ্জুৰ কৰা কোনো নিযুক্তি, অধিসূচনা, জাননী, আদেশ, আচঁনি, অনুজ্ঞাপত্ৰ, অনুমতি, নিয়ম, বিনিয়ম সমূহ অথবা প্ৰ-পত্ৰৰ দ্বাৰা কৰা বুলি গণ্য কৰা হ'ব , যদিহে ভংগ কৰা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদে সেইবোৰ নিলম্বন নকৰে।

(১১) পূৰ্ব্ববৰ্তী উপ-ধাৰাৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰাত যদি কোনো বাধাৰ উদ্ভৱ হয়, পৰিস্থিতিয়ে বিচাৰিলে, চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰা আদেশৰ যোগে, বাধা আতঁৰ কৰিবলৈ প্ৰয়োজনীয় সকলো কৰিব পাৰে।

**চৰকাৰৰ দ্বাৰা পঞ্চায়ত সমূহৰ বিষয়সমূহ তদন্ত**

১২১। (১) যিকোনো সময়ত নথিভুক্ত কৰিব লগীয়া কাৰণৰ বাবে, কোনো গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ লগত জড়িত কোনো বিষয় অথবা এই অধিনিয়মৰ অধীনত চৰকাৰৰ মঞ্জুৰী, অনুমোদন, স্বীকৃতি অথবা আদেশৰ প্ৰয়োজন হোৱা কোনো বিষয়ৰ ওপৰত, চৰকাৰে ইয়াৰ কোনো বিষয়াৰ বিৰুদ্ধে তদন্ত কৰিব পাৰে।

(২) তদন্তৰ উদ্দেশ্যে সাক্ষ্য ল'বলৈ আৰু সাক্ষীৰ উপস্থিতি বাধ্য কৰিবলৈ আৰু নথি-পত্ৰ দাখিল কৰিবলৈ তেনে তদন্তকাৰী বিষয়াগৰাকীৰ দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮ ৰ অধীনৰ দেৱানী আদালত ৰ ক্ষমতাসমূহ থাকিব।

**চৰকাৰৰ পৰা নিৰ্দেশ**

১২২। (১) এই অধিনিয়মত যিকোনো কথা থকাৰ স্বত্বেও, চৰকাৰে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় নীতিসমূহৰ সম্পৰ্কীয় বিষয়সমূহত কোনো পঞ্চায়তলৈ নিৰ্দেশ প্ৰেৰণ কৰাতো আইনসংগত হ'ব আৰু তেনে নিৰ্দেশ সমূহ পঞ্চায়ত খনৰ ওপৰত বাধ্যতামূলক হ'ব।

(২) চৰকাৰে-

(ক) কোনো পঞ্চায়তৰ দখলত থকা অথবা নিয়ন্ত্ৰণাধীন কোনো নথি বা পঞ্জী অথবা অন্য দলিল তলব কৰিব পাৰে;

(খ) কোনো পঞ্চায়তৰ খতিয়ান, পৰিকল্পনা, প্ৰাক্কলন, বিবৃতি, হিচাব অথবা পৰিসংখ্যা দাখিল কৰাটো বিচাৰিব পাৰে; আৰু

(গ) কোনো পঞ্চায়তক তেনে পঞ্চায়তৰ সৈতে জড়িত কোনো বিষয়ৰ ওপৰত কোনো তথ্য বা প্ৰতিবেদন দাখিল কৰাটো বিচাৰিব পাৰে।

**পঞ্চায়তসমূহৰ পৰা ক্ষমতা আৰু কৃত্যসমূহৰ ওপৰত বাধা-নিষেধ অথবা প্ৰত্যাহাৰ**

১২৩। (১) এই অধিনিয়মৰ অধীনত এখন পঞ্চায়তৰ কোনো বিষয়ৰ ক্ষেত্ৰত কোনো ক্ষমতা, কৃত্য আৰু কৰ্তব্যসমূহৰ হস্তান্তৰকৰণৰ স্বত্বেও, চৰকাৰে এই নিমিত্তে পঞ্চায়তখনৰ প্ৰস্তাৱৰ ওপৰত য'ত ই সন্তুষ্ট হয় যে বিষয়টোৰ প্ৰকৃতিৰ সলনিৰ দ্বাৰা যেনে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এটা মাধ্যমিক স্বাস্থ্য কেন্দ্ৰলৈ ৰূপান্তৰ অথবা বীজ গুণকৰণ পাম কৃষি গৱেষণা পামলৈ ৰূপান্তৰ অথবা এটা পথ ৰাজপথৰ অংশ হ'বলৈ আৰু কোনো অন্য তেনে বিষয়ৰ প্ৰসংগত, বিষয়টো সংশ্লিষ্ট পঞ্চায়তৰ কৃত্যসমূহৰ সূচীৰ বিষয় হৈ নাথাকিব আৰু তেনে বিষয়ৰ ক্ষেত্ৰত পঞ্চায়তখনৰ পৰা ক্ষমতা, কৃত্য অথবা কৰ্তব্যসমূহ প্ৰত্যাহাৰ কৰাটো প্ৰয়োজন, চৰকাৰী ৰাজপত্ৰত অধিসূচনা যোগে তেনে ক্ষমতা, কৃত্য আৰু কৰ্তব্যসমূহ অধিসূচনাত সুনিৰ্দিষ্ট কৰা তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ প্ৰত্যাহাৰ কৰিব পাৰে আৰু পঞ্চায়তক হস্তান্তৰ কৰিব পৰা, পঞ্চায়ত আৰু কৰ্মচাৰী বৰ্গ যদি থাকে, যথাস্থিতিৰ ওপৰত ন্যস্ত কৰা সম্পত্তি গ্ৰহণ, অধিকাৰ আৰু দায়িত্বসমূহকে সামৰি বিষয়সমূহৰ বাবে প্ৰয়োজনীয় তেনে আনুষংগিক আৰু গুৰুত্বপূৰ্ণ আদেশ দিব পাৰে।

(২) চৰকাৰে, ৰাজপত্ৰত অধিসূচনা যোগে ধাৰা- ১৯, ধাৰা- ৪৯ আৰু ধাৰা- ৯০ ৰ অধীনত সামৰি লোৱা অথবা উল্লেখ কৰা কোনো কাৰ্য্যকলাপ, কাৰ্য্যক্ৰম অথবা আচঁনিৰ সংশোধন অথবা সংযোজন কৰিব পাৰে আৰু তেনে অধিসূচনা জাৰিত, সংশ্লিষ্ট পঞ্চায়তৰ কৃত্যসমূহৰ সূচীখন সেই অনুসাৰে সংশোধিত হোৱা বুলি বিবেচিত হ'ব। প্ৰতিখন তেনে অধিসূচনা ৰাজ্যৰ বিধানমণ্ডলৰ সদনত উত্থাপন কৰিব।

**জিলা পৰিষদৰ বৰ্খাস্তকৰণৰ ক্ষমতা আৰু গাঁও পঞ্চায়তৰ কাৰ্য্যকৰী ক্ষমতা, আদেশ ইত্যাদি**

১২৪। (১) যদি জিলা পৰিষদৰ মতে, এখন গাঁও পঞ্চায়তৰ কোনো আদেশ বা প্ৰস্তাৱ অথবা এখন গাঁও পঞ্চায়তৰ কোনো প্ৰাধিকাৰী অথবা বিষয়াৰ কোনো আদেশ অথবা সম্পূৰ্ণ হ'বলগীয়া কৰি থকা কোনো কাৰ্য্য যথোচিত নহয় অথবা জনসাধাৰণক বিৰক্তি দিব বা ক্ষতি কৰে বা কৰিব পাৰে অথবা শান্তি ভংগৰ কাৰক হয়, জিলা পৰিষদে আদেশৰ দ্বাৰা কাৰ্য্যকৰণ সাময়িকভাৱে বাতিল অথবা তেনে কৰাত বাধা প্ৰদান কৰিব পাৰে।

(২) উপ-ধাৰা (১)ৰ অধীনত যেতিয়া জিলা পৰিষদে এটা আদেশ দিয়ে, ইয়াক দিয়াৰ কাৰণ সমূহ এটা বিবৃত্তিৰ সৈতে আদেশৰ এটা প্ৰতিলিপি ইয়াৰ দ্বাৰা প্ৰভাৱিত গাঁও পঞ্চায়ত আৰু চৰকাৰলৈ তাৎক্ষণিক ভাৱে প্ৰেৰণ কৰিব আৰু এই আদেশটো নিশ্চিত কৰা বা নাকচ কৰাটো চৰকাৰৰ নিজ ইচ্ছামতে হ'ব আৰু উপযুক্ত বুলি ভবা এনে সময়ৰ বাবে বা স্থায়ীভাৱে সাল-সলনি কৰি অথবা নকৰাকৈ বলবৎ হৈ থকাৰ বাবে নিৰ্দেশ দিব :

পৰন্ত এই ধাৰাৰ অধীনত জিলা পৰিষদে পাৰিত কৰা কোনো আদেশ গাঁও পঞ্চায়তক এই আদেশৰ বিপক্ষে কাৰণ দৰ্শোৱাৰ যুক্তিযুক্ত সুযোগ নিদিয়াকৈ চৰকাৰে নিশ্চিত, পুনৰীক্ষণ অথবা সাল-সলনি কৰিব নোৱাৰিব।

**পঞ্চায়ত ভংগ কৰা**

১২৫। (১) যদি চৰকাৰৰ মতে, এখন গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদে ইয়াৰ ক্ষমতাসমূহ অতিক্ৰম কৰে অথবা অপব্যৱহাৰ কৰে বা এই অধিনিয়ম বা তৎসময় বলবৎ অন্য কোনো বিধিৰ অধীনত আৰোপিত কৰ্তব্যসমূহ সম্পাদন কৰিবলৈ সক্ষম নহয় অথবা সম্পাদনত নিৰন্তৰভাৱে গাফিলতি কৰে, চৰকাৰে, ৰাজপত্ৰিকাত প্ৰকাশিত এক আদেশৰ দ্বাৰা এনে গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদক, যথাস্থিতি, ভাঙি দিব পাৰে।

(২) উপ-ধাৰা (১) ৰ অধীনত এক আদেশ প্ৰকাশ কৰাৰ পূৰ্বে, চৰকাৰে তেনে কৰাৰ প্ৰস্তাৱৰ ভিত্তিত গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ, যথাস্থিতি ক, অৱগত কৰিব, সংশ্লিষ্ট পঞ্চায়তক প্ৰস্তাৱটোৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ বাবে এক যুক্তিসংগত সময় স্থিৰ কৰি দিব আৰু যদি কোনো, কৈফিয়ৎ বা আপত্তি থাকে বিবেচনা কৰিব।

(৩) যেতিয়া এখন গাঁও পঞ্চায়ত বা এখন আঞ্চলিক পঞ্চায়ত অথবা এখন জিলা পৰিষদ ভংগ কৰা হয় গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদখনৰ সকলো সদস্যই, আদেশত নিৰ্দ্ধাৰিত তাৰিখৰপৰা, তেনে সদস্য হিচাপে তেখেতসকলৰ পদ ৰিক্ত কৰিব।

(৪) যদি এখন গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ ভংগ কৰা হয় ,--

(ক) গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ সকলো ক্ষমতা আৰু কৰ্তব্যসমূহ ইয়াক ভংগ কৰাৰ সময়ত চৰকাৰে সময়ে সময়ে ইয়াৰ হকে নিযুক্তি দিয়া ব্যক্তি বা ব্যক্তিসকলৰ দ্বাৰা প্ৰয়োগ আৰু সম্পাদন কৰিব;

(খ) গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদত ন্যস্ত থকা সকলো সম্পত্তি ভংগ কৰাৰ নিৰ্দ্ধাৰিত কালছোৱাত চৰকাৰৰ ওপৰত ন্যস্ত থাকিব ; আৰু

(গ) ভংগ কৰাৰ সময়ত পদ ৰিক্ত কৰা ব্যক্তিসকল পুন:নিৰ্বাচনৰ বাবে যোগ্য হ'ব।

**উন্নয়ন পৰিকল্পনাসমূহৰ প্ৰস্তুতি**

১২৬। (১) প্ৰতিখন গাঁও পঞ্চায়তে প্ৰতি বছৰত এখন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিব আৰু ধাৰা-৩(১)ৰ অধীনত জিলা পৰিকল্পনা সমিতিৰ দ্বাৰা বিহিত কৰা তেনে ৰূপত আৰু তেনে তাৰিখৰ পূৰ্বে আঞ্চলিক পঞ্চায়তৰ ওচৰত দাখিল কৰিব।

(২) প্ৰতিখন আঞ্চলিক পঞ্চায়তে গাঁও পঞ্চায়তৰ উন্নয়ন পৰিকল্পনাসমূহক সামৰি প্ৰতি বছৰত ইয়াৰ এলেকাৰ বাবে এখন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিব আৰু ধাৰা-৩(১) ৰ অধীনত জিলা পৰিকল্পনা সমিতিৰ দ্বাৰা বিহিত কৰা তেনে ৰূপত আৰু তেনে তাৰিখৰ পূৰ্বে জিলা পৰিষদৰ ওচৰত দাখিল কৰিব।

(৩) প্ৰতিখন জিলা পৰিষদে আঞ্চলিক পঞ্চায়তৰ উন্নয়ন পৰিকল্পনাসমূহক সামৰি প্ৰতি বছৰত জিলাৰ এখন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিব আৰু জিলা পৰিকল্পনা সমিতিৰ দ্বাৰা বিহিত কৰা তেনে ৰূপত আৰু তেনে তাৰিখৰ পূৰ্বে, এই অধিনিয়মৰ ধাৰা-৩(১)ৰ অধীনত গঠিত, জিলা পৰিকল্পনা সমিতিক দাখিল কৰিব।

**পঞ্চায়ত নিৰ্বাচন ন্যায়াধিকৰণৰ গঠন**

১২৭। (১) চৰকাৰে প্ৰয়োজন সাপেক্ষে উচ্চ ন্যায়ালয়ৰ চুপাৰিছ মৰ্মে এই অধিনিয়মৰ অধীনত নিৰ্বাচন সমূহক প্ৰত্যাহবান জনোৱা সকলো প্ৰত্যক্ষ নিৰ্বাচন আবেদন নিস্পত্তি কৰিবলৈ এনে পঞ্চায়ত নিৰ্বাচন ন্যায়াধিকৰণ গঠন কৰিব। এই অধিনিয়মৰ ধাৰা-১০ ত উপবন্ধিত হোৱাৰ বাহিৰে, ন্যায়াধিকৰণৰ অধিকাৰ ক্ষেত্ৰ, ক্ষমতা আৰু কৃত্যসমূহ আৰু সদৰ কাৰ্য্যালয় চৰকাৰে উচ্চ ন্যায়ালয়ৰ পৰামৰ্শ মৰ্মে থিৰাং কৰিব।

**[1][ শ্ৰেণীসমূহৰ মাজত নিৰ্বাচন সম্পৰ্কত শত্ৰুতাৰ সংপ্ৰৱৰ্ত্তিত ।**

১২৭ ক। যিকোনো ব্যক্তি যিয়ে ভিন্ন শ্ৰেণীসমূহৰ মাজত নিৰ্বাচন সম্পৰ্কত ধৰ্ম, জাতি, বৰ্ণ, সম্প্ৰদায় অথবা ভাষাৰ ভিত্তিত শত্ৰুতা অথবা ঘৃণাৰ মনোভাৱ সংপ্ৰৱৰ্ত্তিত কৰে অথবা সংপ্ৰৱৰ্ত্তিত কৰাৰ প্ৰয়াস কৰে, তেওঁ কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়ৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধত্তৰ্ব্য আৰু জামিনযোগ্য হ'ব।

---

১। ১৯৯৯ চনৰ অসম অধিনিয়ম নং ২৫ ৰ দ্বাৰা স্থাপিত।

**নিৰ্বাচনৰ আগৰ দিনা আৰু নিৰ্বাচনৰ দিনা ৰাজহুৱা বৈঠক নিষেধ।**

১২৭ খ। যিকোনো ব্যক্তি যিয়ে ভোটগ্ৰহণ এলেকাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণৰ সমাপ্তিৰ বাবে থিৰ কৰা সময়ৰ আগৰ আঠচল্লিছ ঘণ্টাৰ সময়ছোৱাত যিকোনো ভোটগ্ৰহণ এলেকাত ৰাজহুৱা বৈঠক আহ্বান কৰে, অনুষ্ঠিত কৰে অথবা উপস্থিত থাকে তেওঁ জৰিমনাৰে শাস্তিযোগ্য হ'ব যিটো দুশ পঞ্চাশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব।

**নিৰ্বাচন বৈঠকত ব্যাঘাত জন্মোৱা ।**

১২৭ গ। যিকোনো ব্যক্তি যিয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা তাৰিখ আৰু নিৰ্বাচন প্ৰচাৰৰ সমাপ্তিৰ বাবে ধাৰ্য্য কৰা তাৰিখৰ ভিতৰত বিধিমতে পতা ৰাজনৈতিক প্ৰকৃতিৰ ৰাজহুৱা বৈঠকত, যি কাৰ্য্য পৰিচালনাৰ বাবে বৈঠকখন আহ্বান কৰা হৈছিল তাত বাধা প্ৰদান কৰাৰ উদ্দেশ্যে কাম কৰে অথবা আনক বিশৃংখল আচৰণ কৰিবলৈ প্ৰৰোচিত কৰে, তেওঁ কাৰাবাসেৰে যাৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হ'ব পাৰে অথবা জৰিমনাৰে যিটো এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়ৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব।

**পুস্তিকা, প্ৰচাৰ-পত্ৰ আদিৰ মুদ্ৰণত বাধা আৰোপ ।**

১২৭ ঘ। (১) কোনো ব্যক্তিয়ে যিকোনো নিৰ্বাচন পুস্তিকা অথবা প্ৰচাৰ পত্ৰৰ সন্মুখ ফালত ইয়াৰ মুদ্ৰক আৰু প্ৰকাশকৰ নাম আৰু ঠিকনা নথকাকৈ মুদ্ৰিত অথবা প্ৰকাশ কৰিব অথবা মুদ্ৰিত অথবা প্ৰকাশ কৰোৱাব নোৱাৰিব।

(২) কোনো ব্যক্তিয়ে যিকোনো নিৰ্বাচন পুস্তিকা অথবা প্ৰচাৰ-পত্ৰ মুদ্ৰিত কৰিব বা মুদ্ৰিত কৰোৱাব নোৱাৰিব-

(ক) যেতিয়ালৈকে তেওঁ চহী কৰা আৰু তেওঁক ব্যক্তিগতভাৱে জনা দুজন ব্যক্তিয়ে প্ৰত্যায়িত কৰা প্ৰকাশকৰ পৰিচয় সম্বন্ধীয় এক বিজ্ঞপ্তিৰ প্ৰতিলিপি, তেওঁ মুদ্ৰকক প্ৰদান নকৰে।

(খ) যেতিয়ালৈকে দলিল মুদ্ৰণৰ পাছত যথোচিত সময়ৰ ভিতৰত, মুদ্ৰকে দলিলৰ অনুলিপি এখনৰ সৈতে বিজ্ঞপ্তিৰ এখন অনুলিপি য'ত ইয়াক ছপা কৰা হৈছে সেই জিলাৰ নিৰ্বাচন তদাৰকী বিষয়া (জিলা দণ্ডাধীশ) লৈ প্ৰেৰণ নকৰে।

যিকোনো ব্যক্তি যিয়ে উপ-ধাৰা (১) আৰু (২) ৰ যিকোনো উপবন্ধ উলংঘন কৰে তেওঁ কাৰাবাসেৰে যাৰ অৱধি ছয়মাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো দুশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়ৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব।

**ভোটদানৰ গোপনীয়তা পালন।**

১২৭ ঙ। প্ৰতিজন বিষয়া, সহকাৰী অভিকৰ্ত্তা অথবা অন্য ব্যক্তি, যিয়ে পঞ্চায়ত নিৰ্বাচনত ভোটৰ খতিয়ান ৰখা অথবা গণনাৰ সৈতে জড়িত কোনো কৰ্তব্য সম্পাদন কৰে তেওঁ ভোটদানৰ গোপনীয়তা ৰক্ষা কৰিব আৰু (বিধিৰ দ্বাৰা বা অধীনত প্ৰাধিকৃত কিছুমান উদ্দেশ্যৰ বাহিৰে) কোনো

ব্যক্তিক তেনে গোপনীয়তা উলংঘন কৰাৰ সম্ভাৱনা থকা কোনো তথ্যৰ আদান-প্ৰদান নকৰিব।

যিকোনো ব্যক্তি যিয়ে এই উপবন্ধ উলংঘন কৰে তেওঁ কাৰাবাসেৰে যাৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো পাচঁশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়ৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্তব্য আৰু জামিনযোগ্য হ'ব।

**নিৰ্বাচনত প্ৰাৰ্থীৰ হকে কাম কৰা অথবা ভোটদানত প্ৰভাৱ বিস্তাৰ কৰা বিষয়াসকল ইত্যাদি।**

১২৭ চ। যিকোনো ব্যক্তি যি এক পঞ্চায়ত নিৰ্বাচনত এজন নিৰ্বাচন তদাৰকী বিষয়া অথবা এজন সহকাৰী নিৰ্বাচন তদাৰকী বিষয়া অথবা এজন সভাপতি অথবা ভোটগ্ৰহণ বিষয়া অথবা নিৰ্বাচন তদাৰকী বিষয়া অথবা অধিষ্ঠাতা বিষয়াই পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় কৰ্তব্য সম্পাদনৰ বাবে নিযুক্তি দিয়া এজন বিষয়া বা সহকাৰী অথবা কৰ্তব্যৰত এক আৰক্ষী বাহিনী অথবা এক সদস্য হয় তেওঁ-

(i) পঞ্চায়ত নিৰ্বাচনত কোনো ব্যক্তিক তেওঁৰ ভোট প্ৰদানৰ বাবে প্ৰৰোচিত কৰিবলৈ,

(ii) পঞ্চায়ত নিৰ্বাচনত যিকোনো ব্যক্তিক তেওঁৰ ভোট প্ৰদানৰ পৰা বিৰত কৰিবলৈ,

(iii) পঞ্চায়ত নিৰ্বাচনত কোনো ব্যক্তিক ভোট প্ৰদানত যিকোনো প্ৰকাৰে প্ৰভাৱ বিস্তাৰ কৰিবলৈ,

চেষ্টা নকৰিব।

যিকোনো ব্যক্তি যিয়ে এই উপবন্ধসমূহ উলংঘন কৰে তেওঁ কাৰাবাসেৰে যিটো ছয়মাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে, যিটো দুশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়েৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্তব্য আৰু জামিনযোগ্য হ'ব।

**ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত অথবা সমীপত প্ৰচাৰ কাৰ্য্য নিষেধ।**

১২৭ ছ। কোনো ব্যক্তিয়ে, যিকোনো ভোটগ্ৰহণ কেন্দ্ৰত যি তাৰিখত বা তাৰিখসমূহত ভোট গ্ৰহণ কৰা হয় ভোটগ্ৰহণ কেন্দ্ৰত অথবা ভোটগ্ৰহণ কেন্দ্ৰৰপৰা এশ মিটাৰ দূৰত্বৰ ভিতৰৰ যিকোনো ৰাজহুৱা অথবা ব্যক্তিগত স্থানত নিম্নলিখিতসমূহ সংঘটিত নকৰিব:-

(i) ভোটৰ বাবে প্ৰচাৰ, অথবা

(ii) কোনো ভোটদাতাৰ ভোটৰ বাবে গোহাৰি জনোৱা, অথবা

(iii) কোনো ভোটদাতাক কোনো নিৰ্দিষ্ট প্ৰাৰ্থীৰ হকে ভোট দান নকৰিবলৈ প্ৰৰোচিত কৰা, অথবা

(iv) কোনো ভোটদাতাক নিৰ্বাচনত ভোট প্ৰদান নকৰিবলৈ প্ৰৰোচিত কৰা, অথবা

(v) পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় এখন চৰকাৰী জাননীৰ বাহিৰে কোনো জাননী অথবা প্ৰতীক চিহ্ন প্ৰদৰ্শন কৰা।

যিকোনো ব্যক্তি যিয়ে এই উপবন্ধসমূহ উলংঘন কৰে তেওঁ জৰিমনাৰে দণ্ডনীয় হ'ব যিটো দুশ পঞ্চাশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্তব্য আৰু জামিনযোগ্য হ'ব।

**ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত অথবা সমীপত উচ্ছৃংখল আচৰণৰ বাবে দণ্ড।**

১২৭ জ।(১) যিকোনো ভোটগ্ৰহণ কেন্দ্ৰত যি তাৰিখত বা তাৰিখসমূহত ভোটগ্ৰহণ কৰা হয়, কোনো ব্যক্তিয়ে –

(i) ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত অথবা প্ৰবেশদ্বাৰত অথবা ইয়াৰ সমীপৱৰ্তী কোনো ৰাজহুৱা অথবা ব্যক্তিগত স্থানত এক ধ্বনিবৰ্ধক অথবা স্বৰবৰ্ধক সদৃশ কণ্ঠস্বৰ পৰিবৰ্ধিত কৰা অথবা প্ৰতিৰূপ সৃষ্টি কৰা কোনো যন্ত্ৰ-পাতিৰ ব্যৱহাৰ কৰিব অথবা চলাব, অথবা

(ii) ভোট প্ৰদানৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰলৈ অহা কোনো ব্যক্তিক বিৰক্তি কৰাৰ বাবে, অথবা ভোটগ্ৰহণ কেন্দ্ৰত কৰ্তব্যৰত বিষয়াসকল আৰু অন্যান্য ব্যক্তিসকলৰ কামত ব্যাঘাত জন্মাবলৈ ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত অথবা প্ৰবেশ দ্বাৰত অথবা ইয়াৰ সমীপৱৰ্তী কোনো ৰাজহুৱা অথবা ব্যক্তিগত স্থানত, উচ্ছৃংখল ধৰণেৰে চিঞৰ-বাখৰ, অথবা অন্য কাৰ্য্য কৰিব,

নোৱাৰিব।

কোনো ব্যক্তি যিয়ে এই উপবন্ধসমূহ উলংঘন কৰে অথবা ইচ্ছাকৃতভাৱে উলংঘনত সহায় কৰে অথবা উচটাই, তেওঁ কাৰাবাসেৰে যিটো তিনিমাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো পাচঁশ টকা পৰ্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়ৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্তব্য আৰু জামিনযোগ্য হ'ব।

(২) যদি এটা ভোট গ্ৰহণ কেন্দ্ৰৰ অধিষ্ঠাতা বিষয়াগৰাকীৰ পতিয়ন যোৱাৰ কাৰণ থাকে যে কোনো ব্যক্তিয়ে এই ধাৰাৰ অধীনত দণ্ডনীয় এক অপৰাধ সংঘটিত কৰি আছে অথবা কৰিছে তেনে ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ কোনো আৰক্ষী বিষয়াক নিৰ্দেশ দিব পাৰে আৰু তত্তালিকে বিষয়াগৰাকীয়ে তেখেতক গ্ৰেপ্তাৰ কৰিব।

(৩) যিকোনো আৰক্ষী বিষয়াই এই ধাৰাৰ উপবন্ধসমূহৰ উলংঘন ৰোধ কৰিবলৈ যথোচিতভাৱে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব আৰু শক্তি প্ৰয়োগ কৰিব পাৰে আৰু তেনে উলংঘনৰ বাবে ব্যৱহৃত যন্ত্ৰ-পাতি জব্দ কৰিব পাৰে।

**ভোটগ্ৰহণ কেন্দ্ৰত অসদাচৰণৰ বাবে দণ্ড।**

১২৭ ঝ। কোনো ব্যক্তি, যিয়ে, কোনো ভোটগ্ৰহণ কেন্দ্ৰত ভোটৰ বাবে ধাৰ্য্য কৰা সময়ছোৱাত, অসদাচৰণ প্ৰদৰ্শন কৰে অথবা অধিষ্ঠাতা বিষয়াগৰাকীৰ বিধিসংগত নিৰ্দেশনাসমূহ পালন কৰাত ব্যৰ্থ হয়, তেওঁক ভোটগ্ৰহণ কেন্দ্ৰৰপৰা অধিষ্ঠাতা বিষয়া অথবা কৰ্তব্যৰত কোনো আৰক্ষী বিষয়াৰ দ্বাৰা প্ৰাধিকৃত কোনো ব্যক্তিয়ে আতঁৰাই পঠাব পাৰে।

কোনো ভোটদাতাক যিজন অন্যথা এক ভোটগ্ৰহণ কেন্দ্ৰত ভোট প্ৰদানৰ অধিকাৰী সেই ভোট গ্ৰহণ কেন্দ্ৰত ভোট প্ৰদানৰ সুযোগৰ পৰা বঞ্চিত কৰাৰ বাবে উপৰোক্ত উপবন্ধৰ দ্বাৰা অৰ্পিত ক্ষমতা প্ৰয়োগ নকৰিব।

কোনো ব্যক্তি, যাক এটা ভোটগ্ৰহণ কেন্দ্ৰৰপৰা তেনেদৰে আতঁৰাই পঠোৱা হৈছে, অধিষ্ঠাতা বিষয়াগৰাকীৰ অনুমতি অবিহনে যদি ভোটগ্ৰহণ কেন্দ্ৰত পুন:প্ৰৱেশ কৰে, তেওঁ কাৰাবাসেৰে যিটোৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়েৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব।

**ভোটদান প্ৰক্ৰিয়া পালনত ব্যৰ্থতাৰ বাবে দণ্ড।**

১২৭ ঞ। যদি কোনো ভোটদাতাই, যাক এখন বেলট-পত্ৰ দিয়া হৈছে, ভোটদানৰ বাবে বিহিত প্ৰক্ৰিয়া পালন কৰিবলৈ অস্বীকাৰ কৰে, তেওঁক অৰ্পণ কৰা বেলট-পত্ৰ খন নাকচৰ বাবে যোগ্য হ'ব।

**নিৰ্বাচনত যান-বাহনৰ অবৈধ ভাড়াকৰণ বা সংগ্ৰহৰ বাবে দণ্ড।**

১২৭ ট। যদি কোনো ব্যক্তি ভোটাৰৰ বাবে বা পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় গাড়ী অবৈধভাৱে ভাড়া কৰা বা সংগ্ৰহ কৰাৰ দৰে এনে ভ্ৰষ্ট আচৰণৰ দোষী হয়, তেওঁ জৰিমনাৰে দণ্ডিত হ'ব যি এক হাজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব।

**নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী কৰ্তব্যৰ উলংঘন।**

১২৭ ঠ। (১) এখন পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী কৰ্তব্যত যদি কোনো ব্যক্তিয়ে, যাৰ ক্ষেত্ৰত এই অধিনিয়মখন প্ৰযোজ্য হয়, কোনো যুক্তিসংগত কাৰণ নোহোৱাকৈ তেওঁৰ চৰকাৰী কৰ্তব্যৰ উলংঘাৰ লগত জড়িত কোনো কাৰ্য্য বা ত্ৰুটিৰ বাবে দোষী হয়, তেওঁ জৰিমনাৰে দণ্ডিত হ'ব যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব :

পৰন্তু উপৰোক্ত এনে কোনো কাৰ্য্য ত্ৰুটিৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ বাবে কোনো নালিচ বা অন্য ন্যায়িক কাৰ্য্যবাহ এনে কোনো ব্যক্তিৰ বিৰুদ্ধে নহ'ব।

(২) এই ধাৰা প্ৰযোজ্য হোৱা ব্যক্তিসকল হ'ল নিৰ্বাচন তদাৰকী বিষয়া, সহ: নিৰ্বাচন তদাৰকী বিষয়া, অধিষ্ঠাতা বিষয়া, ভোটগ্ৰহণ বিষয়া আৰু পঞ্চায়ত নিৰ্বাচনত মনোনয়নৰ প্ৰাপ্তি বা প্ৰাৰ্থিত্বৰ প্ৰত্যাহাৰ বা ভোটৰ অভিলিখন বা গণনা সম্পৰ্কীয় কোনো কৰ্তব্য সম্পাদনৰ বাবে নিয়োজিত কোনো অন্য ব্যক্তি আৰু এই ধাৰাৰ উদ্দেশ্য সিদ্ধিৰ বাবে 'চৰকাৰী কৰ্তব্য' উক্তিটো সেইমতে ব্যাখ্যা কৰিব, কিন্তু এই অধিনিয়মৰ দ্বাৰা বা অধীনত অন্যভাবে আৰোপ কৰা কৰ্তব্য সন্নিবিষ্ট নহ'ব ।

**চৰকাৰী চাকৰিয়ালে নিৰ্বাচন নিযুক্তক অথবা গণনা নিযুক্তক হিচাপে কাম কৰাৰ বাবে দণ্ড।**

১২৭ ড। চৰকাৰী সেৱাত থকা কোনো ব্যক্তিয়ে যদি পঞ্চায়ত নিৰ্বাচনত এজন প্ৰাৰ্থীৰ এজন নিৰ্বাচন নিযুক্তক, বা এজন ভোটগ্ৰহণ নিযুক্তক বা এজন গণনা নিযুক্তক হিচাপে কাম কৰে, তেওঁ কাৰাবাসেৰে, যিটোৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হ'ব পাৰে অথবা জৰিমনাৰে, যিটো এক হাজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়েৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্ত্তব্য আৰু জামিনযোগ্য হ'ব।

**ভোটগ্ৰহণ কেন্দ্ৰৰপৰা বেলট-পত্ৰৰ অপসাৰণ কাৰ্য্য এক অপৰাধ।**

১২৭ চ। কোনো ব্যক্তি যিগৰাকীয়ে পঞ্চায়ত নিৰ্বাচনত প্ৰৱঞ্চনাক্ৰমে এটা ভোটগ্ৰহণ কেন্দ্ৰৰপৰা এখন বেলট-পত্ৰ, লয় বা ল'বৰ বাবে চেষ্টা কৰে, অথবা ইচ্ছাকৃতভাৱে সহায় অথবা এনে কোনো কাম কৰাৰ বাবে উচটনি দিয়ে, তেওঁ কাৰাবাসেৰে, যিটোৰ অৱধি এক বছৰলৈ বিস্তাৰিত হ'ব পাৰে বা জৰিমনাৰে যিটো পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়ৰে শাস্তিযোগ্য হ'ব।

যদি এটা ভোটগ্ৰহণ কেন্দ্ৰৰ অধিষ্ঠাতা বিষয়াগৰাকীৰ পতিয়ন যোৱাৰ কাৰণ থাকে যে কোনো ব্যক্তিয়ে এই ধাৰাৰ অধীনত দণ্ডনীয় এক অপৰাধ সংঘটিত কৰি আছে বা কৰিছে, এনে বিষয়াগৰাকীয়ে, তেনে ব্যক্তিজনক ভোটগ্ৰহণ কেন্দ্ৰ এৰাৰ আগতে গ্ৰেপ্তাৰ কৰিব পাৰে অথবা এগৰাকী পুলিচ বিষয়াক এনে ব্যক্তিজনক গ্ৰেপ্তাৰ কৰাৰ বাবে নিৰ্দেশ দিব পাৰে আৰু এনে ব্যক্তিজনক খানা তালাচ কৰিব পাৰে বা এজন পুলিচ বিষয়াৰ দ্বাৰা তেখেতৰ খানা তালাচ কৰাব পাৰে:

পৰন্তু যেতিয়া এগৰাকী মহিলাৰ খানা তালাচ কৰাবলৈ আৱশ্যক হয়, এই খানা তালাচ অন্য মহিলাৰ দ্বাৰা কঠোৰভাৱে শালীনতা ৰক্ষা কৰি কৰিব।

খানা তালাচত গ্ৰেপ্তাৰ হোৱা ব্যক্তিজনৰ পৰা পোৱা কোনো বেলট-পত্ৰ অধিষ্ঠাতা বিষয়াগৰাকীয়ে এগৰাকী পুলিচ বিষয়াক সুৰক্ষণৰ বাবে হস্তান্তৰ কৰিব, অথবা যেতিয়া এগৰাকী পুলিচ বিষয়াৰ দ্বাৰা খানা তালাচ কৰা হয়, এনে পুলিচ বিষয়া গৰাকীয়ে সুৰক্ষণত ৰাখিব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্তব্য আৰু জামিনযোগ্য হ'ব।

**বুথ দখলৰ অপৰাধ।**

১২৭ ণ। যিজনে বুথ দখলৰ এক অপৰাধ সংঘটিত কৰে তেওঁ কাৰাবাসেৰে, যিটোৰ অৱধি ছয়মাহতকৈ কম নহ'ব কিন্তু যিটো দুবছৰলৈ বিস্তাৰিত হ'ব পাৰে আৰু জৰিমনাৰে দণ্ডিত হ'ব আৰু য'ত চৰকাৰী সেৱাত থকা এজন ব্যক্তিয়ে এনে অপৰাধ কৰে তেওঁ কাৰাবাসেৰে, যিটোৰ অৱধি এক বছৰৰ কম নহ'ব কিন্তু যিটো তিনি বছৰলৈ বিস্তাৰিত হ'ব পাৰে আৰু জৰিমনাৰে যিটো এক হাজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়েৰে শাস্তিযোগ্য হ'ব।

এই ধাৰাৰ অধীনত শাস্তিযোগ্য এক অপৰাধ ধৰ্তব্য আৰু জামিনবিহীন হ'ব।

**ব্যাখ্যা :** এই ধাৰাৰ উদ্দেশ্যৰ বাবে "বুথ দখলে" অন্য বিষয়সমূহৰ ভিতৰত নিম্নলিখিত সকলো বা যিকোনো কাৰ্য্যকলাপক সামৰি ল'ব, যেনে:-

(i) ভোটগ্ৰহণ প্ৰাধিকাৰীসকলক বেলট-পত্ৰ বা ভোটদান যন্ত্ৰ সমৰ্পণ কৰিবলৈ বাধ্য কৰোৱা কোনো ব্যক্তি বা ব্যক্তিসকলে এক ভোটগ্ৰহণ কেন্দ্ৰ বা ভোটদানৰ বাবে নিৰ্দ্ধাৰিত কৰা এক স্থানৰ অভিগ্ৰহণ বা বন্ধ কৰা আৰু অন্য কোনো কাৰ্য্য যি সুশৃংখল নিৰ্বাচন পৰিচালনাক প্ৰভাৱান্বিত কৰে,

(ii) কোনো ব্যক্তি বা ব্যক্তিসকলে এক ভোটগ্ৰহণ কেন্দ্ৰ বা ভোটদানৰ বাবে নিৰ্দ্ধাৰিত কৰা কোনো স্থানৰ দখলকৰণ আৰু কেৱল তেওঁৰ অথবা তেওঁলোকৰ নিজা সমৰ্থকসকলক তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ অনুমতি দিয়া আৰু বাকীসকলক ভোটদানৰ পৰা বাৰণ কৰা,

(iii) কোনো ভোটদাতাক ভাবুকি প্ৰদান অথবা তেখেতক ভোটগ্ৰহণ কেন্দ্ৰ অথবা ভোটদানৰ বাবে নিৰ্দ্ধাৰিত কৰা এক স্থানলৈ তেখেতৰ ভোট প্ৰদানৰ বাবে যাবলৈ বাধা প্ৰদান অথবা বাৰণ কৰা,

(iv) ভোট গণনা প্ৰাধিকাৰীসকলক বেলট-পত্ৰ বা ভোটদান যন্ত্ৰ সমৰ্পণ কৰিবলৈ বাধ্য কৰোৱা, কোনো ব্যক্তি বা ব্যক্তিসকলে ভোট গণনাৰ এক স্থানৰ অভিগ্ৰহণ বা বন্ধ বা দখল কৰা আৰু অন্য কোনো কাৰ্য্য যি সুশৃংখল ভোটগণনাক প্ৰভাৱান্বিত কৰে,

(v) চৰকাৰী সেৱাত থকা কোনো ব্যক্তিয়ে উপৰোক্ত সকলো বা যিকোনো কাৰ্য্যকলাপ কৰা অথবা এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনৰ সম্ভাৱনীয়তাৰ বৃদ্ধি অথবা এগৰাকী প্ৰাৰ্থীৰ সম্ভাৱনীয়তাৰ বিপৰীতে এনে কোনো কাৰ্য্যকলাপত সহায় কৰা অথবা পৰোক্ষ সমৰ্থন দিয়া।

**অন্য অপৰাধ আৰু তাৰ বাবে দণ্ড।**

১২৭ তা। এজন ব্যক্তি সকলো নিৰ্বাচনী অপৰাধৰ বাবে দোষী হ'ব, যদি পঞ্চায়ত নিৰ্বাচনত, তেওঁ,-

(i) প্ৰৱঞ্চনাক্ৰমে কোনো মনোনয়ন পত্ৰ বিকৃত অথবা নষ্ট কৰে, বা

(ii) এজন নিৰ্বাচন তদাৰকী বিষয়াৰ দ্বাৰা বা কৰ্তৃত্বৰ অধীনত আঠা লগোৱা কোনো তালিকা বা জাননী বা অন্য দলিল প্ৰৱঞ্চনাক্ৰমে বিকৃত অথবা নষ্ট বা আঁতৰ কৰে, বা

(iii) কোনো বেলট-পত্ৰ বা কোনো বেলট-পত্ৰৰ ওপৰত থকা চৰকাৰী চিহ্ন অথবা পৰিচয়ৰ কোনো ঘোষণা বা ভোটদান পত্ৰৰ সম্পৰ্কত ব্যৱহৃত চৰকাৰী লেফাফাৰ প্ৰৱঞ্চনাক্ৰমে বিকৃত কৰে অথবা প্ৰৱঞ্চনাক্ৰমে নষ্ট কৰে, বা

(iv) কৰ্তৃত্ব নোহোৱাকৈ কোনো ব্যক্তিক যিকোনো বেলট-পত্ৰ যোগান ধৰে অথবা কোনো ব্যক্তিৰ পৰা যিকোনো বেলট-পত্ৰ গ্ৰহণ কৰে বা কোনো বেলট-পত্ৰৰ দখলত ৰাখে, বা

(v) ভিতৰলৈ সুমুৱাবলৈ তেওঁ বিধিৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত বেলট-পত্ৰৰ বাহিৰে অন্য কোনো বস্ত ভোট বাকচত সুমুৱায়; বা

(vi) নিৰ্বাচনৰ উদ্দেশ্যে তেতিয়া ব্যৱহৃত কোনো ভোট-বাকচ বা বেলট-পত্ৰসমূহ যথাবিহিত কৰ্তৃত্ব নোহোৱাকৈ নষ্ট কৰে, কাঢ়ি লয়, খোলে বা অন্যথা হস্তক্ষেপ কৰে, বা

(vii) প্ৰৱঞ্চনাক্ৰমে বা কৰ্তৃত্ব নোহোৱাকৈ, যথাস্থিতি, যিকোনো পূৰ্ব্বৱৰ্তী কাৰ্য্য কৰিবলৈ চেষ্টা কৰে অথবা এনে কাৰ্য্য কৰোঁতে ইচ্ছাকৃতভাৱে সহায় কৰে অথবা উচটনি দিয়ে।

এই ধাৰাৰ অধীনত কোনো ব্যক্তি নিৰ্বাচনী অপৰাধৰ বাবে দোষী হ'ব,

(ক) যদি তেওঁ এক ভোটগ্ৰহণ কেন্দ্ৰৰ নিৰ্বাচন তদাৰকী বিষয়া অথবা সহকাৰী নিৰ্বাচন তদাৰকী বিষয়া অথবা এজন অধিষ্ঠাতা বিষয়া অথবা পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী কৰ্তব্যত নিয়োজিত অন্য কোনো বিষয়া অথবা সহকাৰী হয়, তেওঁ কাৰাবাসেৰে, যাৰ অৱধি দুবছৰলৈ বিস্তাৰিত হ'ব পাৰে অথবা জৰিমনাৰে যিটো এক হাজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়েৰে শাস্তিযোগ্য হ'ব,

(খ) যদি তেওঁ কোনো অন্য ব্যক্তি হয় তেওঁ কাৰাবাসেৰে, যাৰ অৱধি ছয়মাহলৈ বিস্তাৰিত হ'ব পাৰে অথবা জৰিমনাৰে যিটো দুশ টকা পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে অথবা উভয়েৰে শাস্তিযোগ্য হ'ব।

(গ) এই ধাৰাৰ উদ্দেশ্যৰ বাবে, এগৰাকী ব্যক্তি চৰকাৰী কৰ্তব্যত থকা বুলি গণ্য কৰিব যদিহে তেখেতৰ কৰ্তব্য ভোট গণনাক সামৰি পঞ্চায়ত নিৰ্বাচন বা নিৰ্বাচনৰ অংশৰ পৰিচালনাত অংশগ্ৰহণ কৰা অথবা ব্যৱহৃত বেলট-পত্ৰ আৰু নিৰ্বাচন সম্পৰ্কীয় অন্য নথি-পত্ৰ সমূহৰ বাবে নিৰ্বাচনৰ পিছত উত্তৰদায়ী হ'ব, কিন্ত "চৰকাৰী কৰ্ত্তব্য" উক্তিটোৱে এই অধিনিয়মৰ দ্বাৰা অথবা অধীনত অন্যথা আৰোপ কৰা কৰ্তব্য সামৰি নলয়।

**উপযুক্ত ন্যায়ালয়ৰদ্বাৰা বিচাৰ।**

১২৭ থ। এই অধিনিয়মৰ অধীনৰ কোনো অপৰাধ ক্ষমতাসম্পন্ন অধিকাৰ ক্ষেত্ৰৰ এগৰাকী প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ বাহিৰে অন্য কোনো ন্যায়ালয়ে বিচাৰ কৰিব নোৱাৰিব।

**অপৰাধৰ সংক্ষিপ্ত বিচাৰ।**

১২৭ দ। এই অধিনিয়মৰ অধীনৰ অপৰাধ ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ত সংক্ষিপ্ত বিচাৰৰ বাবে উপবন্ধিত ধৰণেৰে সংক্ষিপ্তভাৱে বিচাৰ কৰিব পাৰে। ১৯৭৪ ৰ অধিনিয়ম ২

**ব্যাখ্যা :-**

এই অধিনিয়মৰ পূৰ্ব্ববৰ্তী ধাৰাসমূহৰ উদ্দেশ্যে, "ধৰ্ত্তব্য" আৰু "জামিনযোগ্য" শব্দকেইটাৰ অৰ্থ ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ৰ যথানুক্ৰমে সেইবোৰৰ বাবে নিৰূপিত কৰা মতে হ'ব, (১৯৭৪ ৰ অধিনিয়ম ২)।]

**বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন**

১২৮। (১) আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যৱাহী বিষয়াজনে অতি শীঘ্ৰে প্ৰতি বছৰত জুলাই মাহৰ প্ৰথম দিনটোৰ পিছত আৰু আগষ্ট মাহৰ একত্ৰিশ তাৰিখৰ পলম নোহোৱাকৈ, চৰকাৰে নিৰ্দেশনা দিয়া ৰূপত আৰু বিশদ বিৱৰণৰ সৈতে পূৰ্ববৰ্তী পঞ্চায়ত বৰ্ষৰ সময়ত আঞ্চলিক পঞ্চায়তৰ এক প্ৰতিবেদন আঞ্চলিক পঞ্চায়তৰ ওচৰত উত্থাপন কৰিব আৰু তাত আঞ্চলিক পঞ্চায়তৰ প্ৰস্তাৱৰ সৈতে প্ৰতিবেদনটো প্ৰতি বছৰৰ ত্ৰিশ ছেপ্তেম্বৰৰ ভিতৰত চৰকাৰলৈ প্ৰেৰণ কৰিব।

(২) জিলা পৰিষদৰ কাৰ্য্যবাহী বিষয়াজনে প্ৰতি বছৰে জুলাই মাহৰ প্ৰথম দিনটোৰ পিছত, অতি শীঘ্ৰে চৰকাৰে নিৰ্দেশনা দিয়া ৰূপত আৰু বিশদ বিৱৰণৰ সৈতে পূৰ্ব্ববৰ্তী পঞ্চায়ত বৰ্ষৰ সময়ত জিলা পৰিষদৰ প্ৰশাসনৰ ওপৰত এক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু জিলা পৰিষদক দাখিল কৰিব।

জিলা পৰিষদে অনুমোদন দিয়াৰ পিছত এইখন প্ৰতি বছৰে ত্ৰিশ ছেপ্তেম্বৰৰ ভিতৰত চৰকাৰক দাখিল কৰিব।

(৩) উপ-ধাৰা (২)ৰ অধীনত দাখিল কৰা প্ৰতিবেদন খন চৰকাৰে পুনৰীক্ষণ কৰা জিলা পৰিষদৰ কামৰ এক স্মাৰক পত্ৰৰ সৈতে একেলগে ৰাজ্যৰ বিধান মণ্ডলৰ আগত উত্থাপন কৰিব।

**নিৰ্বাচন সম্বন্ধীয় বিষয়সমূহত ন্যায়ালয়ৰ হস্তক্ষেপ নিষেধ**

১২৯। এই অধিনিয়মত যিকোনো কথা থকা স্বত্বেও:-

(ক) নিৰ্বাচনী সমষ্টিসমূহৰ আসন বণ্টনৰ ওপৰত ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৪৩ ৰ অধীনত প্ৰস্তুত কৰা সমষ্টিৰ পৰিসীমন সম্পৰ্কীয় কোনো বিধিৰ বৈধতা কোনো ন্যায়ালয়ত প্ৰশ্ন কৰিব নোৱাৰিব।

(খ) ধাৰা-১২৭ ৰ অধীনত গঠিত ন্যায়াধিকৰণত নিৰ্বাচনী ফলাফল ঘোষণা কৰাৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত দাখিল কৰা এখন নিৰ্বাচনী আবেদনৰ বাহিৰে কোনো পঞ্চায়তৰ নিৰ্বাচনক প্ৰশ্ন কৰিব নোৱাৰিব।

**বাতিল আৰু সংৰক্ষণ**

১৩০। এই অধিনিয়মৰ প্ৰাৰম্ভৰ তাৎক্ষণিক পূৰ্বে বিদ্যমান সকলো পঞ্চায়ত অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ ৰ অধীনৰ দৰে ইয়াৰ ম্যাদ সমাপ্তি পৰ্য্যন্ত চলি থাকিব যদিহে, ৰাজ্য খনৰ বিধান সভাৰ দ্বাৰা সেই উদ্দেশ্যে পাৰিত এটা প্ৰস্তাৱৰ জৰিয়তে সোনকালে ভাঙি দিয়া নহয় :

[১][ পৰন্তু বিধানসভাৰ দ্বাৰা পাৰিত এক প্ৰস্তাৱৰ দ্বাৰা ভংগ কৰাৰ ক্ষেত্ৰত, তেনেদৰে ভংগ কৰাৰ কালত, গাঁও পঞ্চায়ত অথবা আঞ্চলিক পঞ্চায়তৰ সকলো ক্ষমতা আৰু কৰ্তব্য চৰকাৰে সময়ে সময়ে ইয়াৰ হকে নিযুক্তি দিয়া ৰাজপত্ৰিত বিষয়াৰ পদবীৰ তলৰ নোহোৱা তেনে বিষয়াৰ দ্বাৰা প্ৰয়োগ আৰু সম্পাদন কৰিব।]

**পূৰ্ববৰ্তী অধিনিয়ম বাতিল**

১৩১। (১) এই অধিনিয়মখন বলবৎ হোৱা তাৰিখত আৰু তাৰিখৰপৰা, অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ বাতিল হোৱা বুলি বিবেচনা কৰা হ'ব:

পৰন্তু-

(ক) সংবিধানৰ ত্ৰিসপ্ততিতম্ সংশোধন অধিনিয়ম বলবৎ হোৱাৰ এবছৰ উকলি যোৱাৰ পূৰ্বে নতুন নিয়মাৱলী যেতিয়া প্ৰস্তুত কৰা হয় সেই সময়লৈকে ১৯৮৬ চনৰ অধিনিয়মৰ অধীনত প্ৰস্তুত কৰা নিয়মাৱলী বৈধ হৈ থাকিব;

(খ) উক্ত বাতিলকৰণে এই অধিনিয়মৰ অধীনত ইতিপূৰ্বে সম্পূৰ্ণ কৰা কাৰ্য্যৰ বৈধতা অথবা অবৈধতাৰ ওপৰত প্ৰভাৱ নেপেলাব;

(গ) এই অধিনিয়মৰ প্ৰাৰম্ভৰ তাৎক্ষণিক পূৰ্বে বলবৎ থকা আৰু অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ ৰ অধীনত গঠিত সকলো নিয়মাৱলী আৰু উপবিধি, অধিসূচনা, আদেশ, নিযুক্তি, মঞ্জুৰ কৰা অনুমতি আৰু অনুমোদন, আৰোপ কৰা কৰ, উপকৰ, মাচুল অথবা হাৰ, নিবিষ্ট হোৱা চুক্তি, ৰুজু কৰা মোকৰ্দমা, গ্ৰহণ কৰা কাৰ্য্যবাহ আৰু বলবৎ হৈয়ে থাকিব আৰু এই অধিনিয়মৰ অধীনত নতুন উপবন্ধ গঠন নকৰা পৰ্য্যন্ত আৰু এই অধিনিয়মৰ অসংগত নোহোৱা লৈকে, আগৰ তাৰিখৰপৰা বলবৎ হোৱাকৈ এই অধিনিয়মৰ অধীনত গঠন, অনুমোদন, আৰোপ কৰা, নিবিষ্ট হোৱা, ৰুজু কৰা আৰু গ্ৰহণ কৰা বুলি বিবেচনা কৰা হ'ব;

(ঘ) অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ ৰ উপবন্ধৰ অধীনত পূৰ্বৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ সমূহৰ ওপৰত ন্যস্ত পুজিঁসমূহক সামৰি সকলো সম্পত্তি আৰু দায়িত্ব উপায়ুক্ত অথবা মহকুমাধিপতিৰ ওপৰত, যথাস্থিতি, ন্যস্ত থাকিব আৰু তেওঁ ন্যাসত ৰাখিব, যেতিয়ালৈকে এই অধিনিয়মৰ অধীনত গঠিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদলৈ হস্তান্তৰ নকৰে, যাৰ ক্ষেত্ৰাধিকাৰৰ অধীনত পূৰ্বৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ এলেকা অন্তৰ্ভুক্ত হয়।

(ঙ) অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ ৰ বাতিল হোৱা সত্বেও, অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ ৰ উপবন্ধসমূহৰ অধীনত, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা মহকুমা পৰিষদ সমূহে উদ্‌গ্ৰহণ কৰা কৰ, উপকৰ, মাচুল আৰু নিৰিখ সমূহৰ বকেয়া, অথবা অসম পঞ্চায়তী ৰাজ অধিনিয়ম, ১৯৮৬ ৰ অধীনত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা মহকুমা পৰিষদ খনে জৰিমনা অথবা অন্য কাৰণত পাবলগীয়া কোনো ধনৰ পৰিমাণ, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ খনে, যথাস্থিতি, আদায় আৰু নিজৰ পঞ্চায়ত পুঁজি জমা কৰিব;

১।১৯৯৭ চনৰ অসম অধিনিয়ম নং ১০ ৰ দ্বাৰা অন্তঃস্থাপিত।

(চ) উক্ত অধিনিয়মৰ বিৰুদ্ধে সংঘটিত কৰা কোনো অপৰাধৰ বাবে সন্মুখীন হোৱা কোনো জৰিমনা, বাজেয়াপ্ত কৰণ অথবা দণ্ড; বা

(ছ) তেনে অধিকাৰ, বিশেষাধিকাৰ, বাধ্যবাধকতা, দায়িত্ব, বাজেয়াপ্তকৰণ অথবা উপৰোক্ত দণ্ড সম্বন্ধীয় যিকোনো অনুসন্ধান, ন্যায়িক কাৰ্য্যবাহ অথবা প্ৰতিকাৰ আৰু তেনে যিকোনো অনুসন্ধান, ন্যায়িক কাৰ্য্যবাহ অথবা প্ৰতিকাৰ আৰম্ভ কৰিব,চলাই থাকিব অথবা বলবৎ কৰিব পাৰে, আৰু তেনে যিকোনো জৰিমনা, বাজেয়াপ্তকৰণ বা দণ্ড আৰোপ কৰিব পাৰে যেন এই অধিনিয়মখন পাৰিত হোৱা নাছিল।

(২) যেতিয়া এখন গাঁও পঞ্চায়ত অথবা আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদ ভংগ কৰা হয়, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত অথবা জিলা পৰিষদৰ সকলো সদস্যই ভংগ কৰি দিয়া তাৰিখৰপৰা তেনে সদস্যৰূপে তেওঁলোকৰ পদ ৰিক্ত কৰিব;

(৩) ভংগ কৰি দিয়াৰ সময়ত পদ ৰিক্ত কৰা ব্যক্তিসকল পুন:নিৰ্বাচন অথবা পুন: মনোনয়নৰ বাবে যোগ্য হ'ব।

**জটিলতা সমূহৰ দূৰীকৰণ**

১৩২। যদি এই অধিনিয়মৰ উপবন্ধ সমূহ কাৰ্য্যকৰী কৰাত কোনো জটিলতাৰ উদ্ভৱ হয়, চৰকাৰে এইবোৰ অধিনিয়মৰ মূল উদ্দেশ্য আৰু উপবন্ধসমূহৰ লগত বিৰোধ নোহোৱা পৰ্য্যন্ত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

(ক) ৰাজ্য চৰকাৰে জিলা প্ৰশাসন আৰু জিলা পৰিষদৰ মাজৰ বিবাদ মীমাংসাৰ বাবে অধিসূচনাৰ জৰিয়তে বিধান মণ্ডলৰ এখন স্থায়ী সমিতি গঠন কৰিব পাৰে।

**এই অধিনিয়মৰ উপবন্ধৰ প্ৰত্যাহাৰত পঞ্চায়ত নিকায়সমূহৰ সম্পত্তি আদিৰ দায়িত্ব ন্যস্ত**

১৩৩। যেতিয়া যিকোনো জিলা পৰিষদ অথবা আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়ত এলেকাৰ পৰা এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰত্যাহাৰ কৰা হয়, তেনে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তসমূহৰ ওপৰত ন্যস্ত সকলো সম্পত্তি, পুজি আৰু দেনাসমূহ উপায়ুক্ত অথবা মহকুমাধিপতি, যথাস্থিতিৰ, ওপৰত ন্যস্ত কৰিব, যিয়ে চৰকাৰৰ আগতীয়া অনুমোদন লৈ তেওঁ উচিত বিবেচনা কৰা মতে আবণ্টন দিব।.

**শপত গ্ৰহণ**

১৩৪। প্ৰতিজন ব্যক্তিয়ে, যি জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ সদস্য হিচাবে নিৰ্বাচিত হয়, নিজৰ আসন গ্ৰহণ কৰাৰ পূৰ্বে, ৰাজ্য চৰকাৰৰ দ্বাৰা এই উদ্দেশ্যে সুনিৰ্দিষ্ট কৰি দিয়া তেনে প্ৰাধিকাৰীৰ সন্মুখত, ভাৰতৰ সংবিধানৰ প্ৰতি তেখেতৰ নিষ্ঠাৰ এক শপত অথবা প্ৰতিজ্ঞান নিম্নলিখিত ধৰণে, এখন বৈঠকত, যিখন ইয়াৰ পিছত প্ৰথম বৈঠক হিচাবে অভিহিত হ'ব, কৰিব আৰু হস্তাক্ষৰ কৰিব।

মই, ক, খ, ই..................জিলা পৰিষদ/আঞ্চলিক পঞ্চায়ত/গাঁও পঞ্চায়ত খনৰ সদস্য হিচাবে ইশ্বৰৰ নামত শপত খাই কওঁ (অথবা নিষ্ঠা সহকাৰে প্ৰতিজ্ঞা কৰোঁ) যে, বিধিৰ দ্বাৰা স্থাপনা কৰা ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম আৰু মই গ্ৰহণ কৰিব ধৰা কৰ্তব্য শ্ৰদ্ধাপূৰ্বক নিৰ্বহন কৰিম।

**পঞ্চায়ত আৰু স্থানীয় প্ৰাধিকাৰী সমূহৰ মাজত বিবাদ**

১৩৫। যদি দুই বা তাতোধিক পঞ্চায়ত নিকায় আৰু স্থানীয় প্ৰাধিকাৰী অথবা যিকোনো দুটা স্থানীয় প্ৰাধিকাৰীৰ মাজত বিবাদ উদ্ভৱ হয়, বিষয়টো চৰকাৰলৈ অথবা ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে তেনে প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰা হ'ব আৰু চৰকাৰ অথবা তেনে প্ৰাধিকাৰীৰ সিদ্ধান্ত চূড়ান্ত আৰু নিৰ্ণায়ক হ'ব।

**ৰাজ্যৰ সঞ্চিত নিধিৰ বিৱৰ্ধন**

১৩৬।ৰাজ্য পঞ্চায়ত বিত্ত আয়োগৰ চুপাৰিছৰ ভিত্তিত ৰাজ্যখনত পঞ্চায়তৰ সদস্যসমূহৰ ঘাটি পূৰাবলৈ ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ বিৱৰ্ধনৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা, ৰাজ্য চৰকাৰে উচিত বিবেচনা কৰা মতে গ্ৰহণ কৰিব।

**অন্য কোনো পঞ্চায়তী ৰাজ সংস্থাৰ বিৰুদ্ধে আপীল**

১৩৭। এখন পঞ্চায়ত সংস্থাৰ কোনো আদেশ অথবা কাৰ্য্যৰ দ্বাৰা ক্ষুণ্ণ এখন পঞ্চায়ত সংস্থাৰ অধীনস্থ কোনো কৰ্মচাৰী অথবা ব্যক্তিয়ে তেনে আদেশ প্ৰাপ্তিৰ অথবা তেনে কাৰ্য্য সম্পাদনৰ তাৰিখৰপৰা পোন্ধৰ দিনৰ ভিতৰত চৰকাৰৰ ওচৰত এক আপীল কৰিব পাৰে, যাৰ সিদ্ধান্তই এই ক্ষেত্ৰত চূড়ান্ত হ'ব।

**উপায়ুক্ত, মহকুমাধিপতি অথবা অন্য কোনো ৰাজপত্ৰিত বিষয়ালৈ ক্ষমতাসমূহৰ অৰ্পণ**

১৩৮। (১) স্পষ্টকৈ ইয়াৰ বিপৰীতে উপবন্ধিত হোৱাৰ বাহিৰে, ৰাজ্য চৰকাৰে তেওঁলোকৰ এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলী-সমূহৰ অধীনৰ ক্ষমতাসমূহ কোনো ৰাজপত্ৰিত পদবীৰ যিকোনো চৰকাৰী বিষয়াক অৰ্পণ কৰিব পাৰে।

(২) স্পষ্টকৈ ইয়াৰ বিপৰীতে উপবন্ধিত হোৱাৰ বাহিৰে, চৰকাৰে উপায়ুক্ত অথবা মহকুমাধিপতিৰ এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলীসমূহৰ অধীনৰ সকলো অথবা সেইসমূহৰ যিকোনো ক্ষমতা ৰাজপত্ৰিত পদবীৰ যিকোনো চৰকাৰী বিষয়াক অৰ্পণ কৰিব পাৰে।

(৩) স্পষ্টকৈ ইয়াৰ বিপৰীতে উপবন্ধিত হোৱাৰ বাহিৰে, উপায়ুক্ত অথবা মহকুমাধিপতি গৰাকীয়ে, যথাস্থিতি, তেওঁলোকৰ এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলীসমূহৰ অধীনৰ সকলো অথবা সেইসমূহৰ যিকোনো ক্ষমতা ৰাজপত্ৰিত পদবীৰ যিকোনো চৰকাৰী বিষয়াক অৰ্পণ কৰিব পাৰে।

(৪) উপ-ধাৰা (১), (২)আৰু (৩) ৰ অধীনত ক্ষমতাসমূহৰ অৰ্পণ এক লিখিত আদেশ হ'ব লাগিব আৰু তেনে আদেশ যিকোনো সময়তে সাল-সলনি কৰিব অথবা উঠাই ল'ব পাৰে।

**আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ উপ-নিয়মাৱলীসমূহ প্ৰস্তুত কৰাৰ ক্ষমতা**

১৩৯। চৰকাৰৰ অনুমোদন সাপেক্ষে, প্ৰতিখন আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তে এই অধিনিয়ম অথবা ইয়াৰ অধীনত গঠিত নিয়মাৱলীসমূহৰ সৈতে সংগতি ৰখা উপ-নিয়মাৱলীৰ দ্বাৰা, উপবন্ধিত কৰিব-

(ক) ইয়াৰ বৈঠকৰ সময় আৰু স্থান, বৈঠকত সম্পাদন কৰিবলগীয়া কাৰ্য্য আৰু বৈঠকৰ জাননী দিয়াৰ ধৰণ;

(খ) ইয়াৰ অধীনত কাম কৰা কৰ্মচাৰীসমূহৰ কৰ্তব্য আৰু নিয়ন্ত্ৰণ;

(গ) উমৈহতীয়া মোহৰৰ অভিৰক্ষা আৰু ইয়াৰ ব্যৱহাৰৰ উদ্দেশ্য;

(ঘ) ইয়াৰ সদস্য আৰু কৰ্মচাৰীসকলৰ মাজত কৰ্তব্যসমূহৰ ভাগ-বটোৱাৰা;

(ঙ) কাৰ্য্যালয়ৰ পদাধিকাৰীসকলৰ দ্বাৰা প্ৰয়োগ কৰা ক্ষমতাসমূহ যাৰ ওপৰত বিশেষ কৰ্তব্য ন্যস্ত কৰা হৈছে;

(চ) ব্যক্তিগৰাকী যাৰদ্বাৰা এই অধিনিয়মৰ অধীনত টকা প্ৰাপ্তিৰ বাবে ৰচিদ দিয়া হয়।

**কৰ্মচাৰী বাচনি পৰিষদ**

১৪০। (১) পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগত চৰকাৰে গঠন কৰি দিয়া পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ জিলা বাছনি সমিতিৰ চুপাৰিছ মৰ্মে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ বাবে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীবৰ্গ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই নিযুক্ত কৰিব।

১ম আৰু ২য় শ্ৰেণীৰ বিষয়াসকলক পঞ্চায়ত আৰু জিলা পৰিষদত ৰাজ্য চৰকাৰে নিযুক্ত কৰিব।

(২) পঞ্চায়তসমূহে পৰিচালনা কৰা বিদ্যালয়সমূহৰ শিক্ষকসকলক শিক্ষা বিভাগে গঠন কৰি দিয়া জিলা শিক্ষক বাছনি সমিতিৰ চুপাৰিছ মৰ্মে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে প্ৰাধিকৃত কৰা বিষয়াগৰাকীয়ে নিযুক্ত কৰিব।

**নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা**

১৪১। (১) ৰাজ্য চৰকাৰে এই অধিনিয়মৰ উদ্দেশ্য আৰু লক্ষ্যসমূহ কাৰ্য্যত পৰিণত কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) উপ-ধাৰা (১) ৰ অধীনত প্ৰণয়ন কৰা যিকোনো নিয়মক আগৰ তাৰিখৰপৰা বলবৎ কৰিব পাৰে ।

**বাতিল আৰু সংৰক্ষণ**

১৪২। (১) অসম পঞ্চায়ত অধ্যাদেশ, ১৯৯৪, ইয়াৰ দ্বাৰা বাতিল কৰা হ'ল। ১৯৯৪ ৰ অসম অধ্যাদেশ V।

(২) এনে বাতিলৰ স্বত্বেও, এনেদৰে বাতিল কৰা অধ্যাদেশৰ অধীনত সম্পাদন কৰা অথবা হাতত লোৱা যিকোনো কাৰ্য্য, এই অধিনিয়মৰ তদ্‌নুৰূপ উপবন্ধ সমূহৰ অধীনত সম্পাদন কৰা হৈছে অথবা হাতত লোৱা হৈছে বুলি গণ্য কৰা হ'ব, যেন উক্ত অধ্যাদেশ বলবৎ হোৱা তাৰিখত এই অধিনিয়ম বলবৎ হৈছিল ।

**The Assam Panchayat Act, 1994**
**(Assam Act No. XVIII of 1994)**

**অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪**
**(১৯৯৪ চনৰ ১৮ নং অসম অধিনিয়ম)**

## Glossary of Terms
## পৰিভাষা

| Sl. No. | Reference | English Term | Assamese Equivalent |
|---|---|---|---|
| | | **Chapter – I** | |
| 1. | Sec 2 (7) | Panchayati Raj Bodies | পঞ্চায়তী ৰাজ নিকায়সমূহ |
| 2. | Sec 2 (13) | Co-opted member | সহযোজিত সদস্য |
| 3. | Sec 2 (20) | Wheeled vehicle with springs | স্প্ৰিংৰ সৈতে চকা থকা বাহন |
| 4. | Sec 2 (20) | Perambulators | পেৰাম্বুলেটৰ |
| 5. | Sec 2 (29) | Suit | নালিচ |
| 6. | Sec 2 (29) | Case | গোচৰ |
| 7. | Sec 2 (42) | Moral Turpitude | নৈতিক পতন |
| 8. | Sec 2 (43) | Uncertified bankrupt | অপ্ৰমাণিত দেউলীয়া |
| 9. | Sec 2 (44) | Undischarged insolvent | অনুন্মুক্ত দেউলীয়া |
| | | **Chapter – II** | |
| 1. | See 3 (2) (e) | Not less than | অতি কমেও |
| 2. | Sec 3 (2) (e) | Councillor | কাউন্সিলৰ |
| 3. | Sec 3 2 (e) | Rotation | আৱৰ্তন |
| 4. | Sec 3 (7)(a) (i) | Sectoral Planning | ক্ষেত্ৰীয় পৰিকল্পনা |
| 5. | Sec 3 (7)(a) (i) | Infrastructure | আন্ত: গাঠনি |
| 6. | Sec 3 (8) | Recommend | চুপাৰিছ |
| | | **Chapter – III** | |
| 1. | Sec 4 (1)(iii)(a) | Preceeding year | পূৰ্ববৰ্তী বৰ্ষ |
| 2. | Sec 4 (2) | Due | যথোচিত |
| 3. | Sec 4 (4) | In consultation with | পৰামৰ্শ কৰি |
| 4. | Sec 4 (8) | Perform | সম্পাদন |

**Chapter – IV**

| | | | |
|---|---|---|---|
| 1. | Sec 5 (1) | Hamlets | সৰু গাওঁ |
| 2. | Sec 5 (1) | Forest village | বন গাওঁ |
| 3. | Sec 5 (3) | Perpetual succession | শাশ্বত উত্তৰাধিকাৰ |
| 4. | Sec 5 (3) | Common seal | উমৈহতীয়া মোহৰ |
| 5. | Sec 5 (3) | Sue and be sued | মামলা দায়েৰ কৰিব আৰু কৰোৱাব পাৰে |
| 6. | Sec 8 (1)(b) | Dissolution | ভংগ কৰা |
| 7. | Sec 9 (1) | As nearly as may be | যথাসম্ভৱ নিকটতম |
| 8. | Sec 11. | Decided | নিষ্পত্তি |
| 9. | Sec 13 (1) (f) | Discharge | নিৰ্বহন |
| 10. | Sec 16 | In writing under his hand | স্বহস্ত লিখন |
| 11. | Sec 19 (I) (3) | Mobilisation | সংহতকৰণ |
| 12. | Sec 19 (XIX) (7) | Tanning | শুদ্ধিকৰণ |
| 13. | Sec 19 (XXVI) | Cattle sheds Pounds | পশুশাল ঘৰ |
| 14. | Sec 24 (4) | Balance to the credit of the fund | সঞ্চিত পুঞ্জিত উদ্বৃত্ত ধন |
| 15. | Sec 26 | Consolidated fund | একত্ৰীকৃত নিধি |
| 16. | Sec 29 (2) | Intimation | বিদিত কৰণ |
| 17. | Sec 30 (1) | Deputed | প্ৰতি নিযুক্ত |

**Chapter –V**

| | | | |
|---|---|---|---|
| 1. | Sec 49 (2) (c) | Insecticides | পতংগনাশক |
| 2. | Sec 49 (2) (c) | Pesticides | কীটনাশক |
| 3. | Sec 49 (19) (b) | Immunisation | অসংক্ৰাম্যকৰণ |
| 4. | Sec 53 (3) (c) | Amelioration | উন্নয়ন সাধন |
| 5. | Sec 57 (1) (c) | Surcharge | ওপৰঞ্চি কৰ |
| 6. | Sec 58 (1) | Sinking fund | নিক্ষেপ নিধি |
| 7. | Sec 62 (1) | Coterminous | সমকালীন |

**Chapter – VI**

| | | | |
|---|---|---|---|
| 1. | Sec 83(4)(f) | Reclamation | পুনৰুদ্ধাৰ |
| 2. | Sec 90 (1)(ii) | Agency | এজেঞ্চি |
| 3. | Sec 90 (2)(iv) | Pump sets | পানী তোলা যন্ত্ৰ |
| 4. | Sec 90 (9)(ii) | Diagnostic | ৰোগ নিদান |

**Chapter – VIII**

| | | | |
|---|---|---|---|
| 1. | Sec 105 (6) | Proceeds | সমুৎপন্ন ধন |

**Chapter – IX**

| | | | |
|---|---|---|---|
| 1. | Sec 112 (i) | Generality | ব্যাপকতা |

**Chapter – XI**

| | | | |
|---|---|---|---|
| 1. | Sec 127 C | Disturbance | ব্যাঘাত জন্মোৱা |
| 2. | Sec 127 D | Restriction | বাধা আৰোপ |
| 3. | Sec 127 N | Ballot Paper | বেলট পত্ৰ |
| 4. | Sec 127 N | Safe Custody | সুৰক্ষণ |
| 5. | Sec 127 O | Booth Capture | বুথ দখল |
| 6. | Sec 130 | Repeal and Saving | বাতিল আৰু সংৰক্ষণ |

অসমৰ ৰাজ্যপালে অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪ (১৯৯৪ ৰ অসম অধিনিয়ম নং ১৮) ৰ উপৰোক্ত অসমীয়া ভাষাৰ অনুবাদ অসম প্ৰাধিকৃত পাঠ (ৰাজ্য বিধি) অধিনিয়ম, ২০১৮ (২০১৮ ৰ অসম অধিনিয়ম নং ১১) ৰ ধাৰা ৩ৰ অধীনত চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিবৰ বাবে প্ৰাধিকৃত কৰিছে।

দিছপুৰ
তাৰিখ:

সচিব,
বিধান বিভাগ, দিছপুৰ, গুৱাহাটী- ০৬

The above translation in Assamese language of the The Assam Panchayat Act, 1994 (Assam Act No. XVIII of 1994) has been authorised by the Governor of Assam to be published in the Official Gazette under section 3 of The Assam Authoritative Texts (State Laws) Act, 2008 (Assam Act No. XI of 2018).

Dispur,
Date:

Secretary,
Legislative Department, Dispur, Guwahati-06

**GEETANJALI DAS SAIKIA,**
Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

Guwahati : *Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.*
Extraordinary Gazette No. 1013- 100 + 10 - 30 - 10 - 2021. *(visit at– dpns.assam.gov.in)*